www.epaper.asombarta.in

শুদ্ধ আৰু আপোচহীন বার্তাৰ প্রতীক

PRGI REGD. NO. (Title) : ASSASS01389

অসম বার্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

ৰাজনীতিৰ দৰে জুৱা খেল ক'তো নাই।
— বেঞ্জামিন ডিজেৰেলি

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্রতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বার্তা' কাকতৰ জৰিয়তে প্রচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বার্তা' গোষ্ঠী -

ষষ্ঠ বছৰ ❑ সংখ্যা - ১৭৯ ❑ দেওবাৰ ❑ ২৪ আগষ্ট, ২০২৫ চন ❑ ৭ ভাদ, ১৯৪৭ শক ❑ VOL - 6 ❑ NO.- 179 ❑ Sunday ❑ 24th August, 2025 ❑ মূল্য ঃ ১০.০০ টকা ❑ মুঠ পৃষ্ঠা ঃ ৮

কেন্দ্রৰ প্রতিবেদনত বিস্ফোৰক তথ্য

দেশৰ ১২ গৰাকী মুখ্যমন্ত্রীৰ বিৰুদ্ধে অপৰাধমূলক গোচৰ

সংবিধান সংশোধনী বিধেয়ককৰ লৈ দেশজুৰি চলি থকা তীব্র বিতর্কৰ মাজতে এক চাঞ্চল্যকৰ প্রতিবেদন

নেশানেল ডেস্ক, অসম বার্তা, ২৩ আগষ্ট ঃ সংবিধান সংশোধনী বিধেয়ককে লৈ দেশজুৰি চলি থকা তীব্র বিতর্কৰ মাজতে এক চাঞ্চল্যকৰ প্রতিবেদন পোহৰলৈ আহিছে। এই বিধেয়ককে উল্লেখ আছে যে কোনো অপৰাধমূলক গোচৰত যদি ▸▸৬ পৃষ্ঠাত

'শতফুল'ৰে ছেদ কৰক সম্পর্ক

জীতেন দত্তৰ প্রতি আলফা স্বাধীনৰ হুমকি

অসম বার্তা বিশেষ, পেডেৰী, ২৩ আগষ্ট ঃ 'শতফুলৰ দেশ' শিয়ালৰ টেঙাপানী অঞ্চলত থকা বেচৰকাৰী সংস্থা ▸▸৬ পৃষ্ঠাত

'জমিয়ত উলেমা-ই-হিন্দ'ৰ সভাপতিৰ বিৰুদ্ধে মুখ্যমন্ত্রীৰ ক্ষোভ

বাংলাদেশলৈ পঠিয়াব মাহমুদ মাদানীক

মই মাহমুদ মাদানীক আনুষ্ঠানিকভাৱে বুঢ়া আঙুলি দেখুৱাইছোঁ ঃ মুখ্যমন্ত্রী



নিউজ ডেস্ক, অসম বার্তা, ২৩আগষ্ট ঃ অসমৰ মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাই জমিয়ত উলেমা-ই-হিন্দৰ সভাপতি মৌলানা মাহমুদ মাদানীৰ বিৰুদ্ধে তীব্র ক্ষোভ প্রকাশ কৰিছে। শনিবাৰে জাগীৰোডত আয়োজিত এক বিশাল জনসভাত মুখ্যমন্ত্রীয়ে মাদানীৰ সমালোচনাৰ প্রত্যুত্তৰত কঠোৰ ভাষাৰে ধংকাৰ দিয়ে। তেওঁ কয়, "মই মাহমুদ মাদানীক আনুষ্ঠানিকভাৱে ▸▸৬ পৃষ্ঠাত

জম্মু-কাশ্মীৰ চৰকাৰৰ গুৰুত্বপূর্ণ সিদ্ধান্ত

জম্মু-কাশ্মীৰৰ ২১৫খন বিদ্যালয়ৰ পৰিচালনা জিলা প্রশাসনৰ হাতলৈ

অনলাইন ডেস্ক, অসম বার্তা, ২৩ আগষ্ট ঃ জম্মু-কাশ্মীৰ চৰকাৰে শুকুৰবাৰে এক যুগান্তকাৰী সিদ্ধান্ত ঘোষণা কৰি নিষিদ্ধ সংগঠন জামাত-ই-ইছলামী (জেই) আৰু তাৰ সৈতে সংযুক্ত ফালাহ-ই-আম ট্রাষ্ট (এফএটি)ৰ সৈতে সম্পর্ক থকাৰ অভিযোগ উত্থাপিত ২১৫খন বিদ্যালয়ৰ পৰিচালনাৰ দায়িত্ব জিলা দণ্ডাধীশ আৰু উপ-আয়ুক্তৰ হাতলৈ হস্তান্তৰ কৰাৰ নির্দেশ ▸▸৬ পৃষ্ঠাত

চীনলৈ ভাৰতৰ ৰপ্তানি ২০২৫-২৬ বিত্তীয় বর্ষৰ প্রথম চাৰি মাহত ২০% বৃদ্ধি

ইকোনেশ্যানেল ডেস্ক, অসম বার্তা, ২৩ আগষ্ট ঃ চৰকাৰী তথ্য অনুসৰি, ২০২৫-২৬ বিত্তীয় বর্ষৰ প্রথম চাৰি মাহত (এপ্রিল-জুলাই) ▸▸৬ পৃষ্ঠাত

প্রধানমন্ত্রীৰ অসম ভ্রমণৰ সময়সূচী সলনি

৮ ছেপ্টেম্বৰৰ পৰিৱর্তে ১৩ ছেপ্টেম্বৰতহে ভূপেন হাজৰিকাৰ শতবার্ষিকী উদ্‌যাপন

নিউজ ডেস্ক, অসম বার্তা, ২৩ আগষ্ট ঃ প্রধানমন্ত্রী নৰেন্দ্র মোদীৰ অসম ভ্রমণৰ পুৰ্বনির্ধাৰিত সময়সূচী সলনি কৰা হৈছে। পূর্ব ঘোষণা অনুসৰি তেওঁ ৮ ছেপ্টেম্বৰত অসমত উপস্থিত হৈ ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবার্ষিকীৰ উদ্বোধনী অনুষ্ঠানত অংশগ্রহণ কৰাৰ কথা ▸▸৬ পৃষ্ঠাত

২,৯২৯ কোটি টকাৰ বেংক জালিয়াতিৰ অভিযোগৰ তদন্ত

উদ্যোগপতি অনিল আম্বানীৰ বিৰুদ্ধে কঠোৰ চিবিআই

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২৩ আগষ্ট ঃ ভাৰতৰ প্রধান তদন্তকাৰী সংস্থা চেণ্ট্রেল ব্যুৰ' অৱ ইনভেষ্টিগেশান (চিবিআই)য়ে শনিবাৰে বিলায়েন্স গ্রুপৰ অধ্যক্ষ তথা প্রখ্যাত উদ্যোগপতি অনিল আম্বানীৰ বিৰুদ্ধে ▸▸৬ পৃষ্ঠাত

ডিগবৈ আৰক্ষী থানালৈ 'শ্রেষ্ঠ থানা'ৰ স্বীকৃতি কেন্দ্রীয় গৃহ মন্ত্রালয়ৰ

ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ২৩আগষ্ট ঃ ভাৰত চৰকাৰৰ গৃহ পৰিক্রমা মন্ত্রালয়ে অসমৰ তিনিটু কীয়া জিলাৰ ডিগবৈ থানাৰ ব্যতিক্রমী সেৰা আৰু আইন- ▸▸৬ পৃষ্ঠাত

উপ-ৰাষ্ট্রপতি পদৰ মনোনয়ন পত্র দাখিল জগত সিঙৰ

কোনো সাংসদৰ পৰা লাভ কৰা নাই সমর্থন; মনোনয়ন বাতিলৰ সম্ভাৱনা

অনলাইন ডেস্ক, অসম বার্তা, ২৩ আগষ্ট ঃ হাৰিয়ানাৰ ভিৱানী জিলাৰ চাং গাঁৱত বাস কৰা জগত সিঙে উপ-ৰাষ্ট্রপতি পদৰ নির্বাচনত অংশ লৈ বৈ মনোনয়ন পত্র দাখিল কৰি পুনৰ বাজনৈতিক মঞ্চত সক্রিয় হৈ উঠিছে। এই পদক্ষেপে তেওঁৰ দীর্ঘদিনীয়া সংগ্রামক আৰু অধিক স্পষ্ট কৰিছে, যিটো পূর্বে তিনিবাৰকৈ ৰাষ্ট্রপতি নির্বাচনত মনোনয়ন ▸▸৬ পৃষ্ঠাত

গোৰালপাৰাত জিলা প্রশাসনৰ পুনৰ উচ্ছেদ অভিযান

অসম বার্তা, গোৰালপাৰা, ২৩ আগষ্ট ঃ গোৰালপাৰা জিলাৰ ৰাঙ্কসিনী ফৰেষ্ট গেট অঞ্চলত আজি জিলা প্রশাসনে এক ব্যাপক উচ্ছেদ অভিযান চলাই ১০৫খন দোকান ভাঙি দিয়ে। লোক নির্মাণ বিভাগৰ পথৰ দাঁতিত বহল সংখ্যক ব্যৱসায়ীসকলে জানানী পোৱাৰ পাছতো ঠাই খালি নকৰাত প্রশাসনে আজি বুলডজাৰ ▸▸৬ পৃষ্ঠাত

ভাৰতত আমেৰিকাৰ পৰৱর্তী ৰাষ্ট্রদূত হিচাপে ছার্জিঅ' গ'ৰৰ নাম ঘোষণা

অনলাইন ডেস্ক, অসম বার্তা, ২৩ আগষ্ট ঃ আমেৰিকাৰ ৰাষ্ট্রপতি ডনাল্ড ট্রাম্পে ভাৰতত আমেৰিকাৰ পৰৱর্তী ৰাষ্ট্রদূত হিচাপে তেওঁৰ দীর্ঘদিনীয়া সহযোগী ছার্জিঅ' গ'ৰক মনোনীত কৰিছে। এই ঘোষণা ভাৰত আৰু আমেৰিকাৰ মাজত চলি থকা শুল্ক সংক্রান্ত উত্তেজনাৰ মাজতে কৰা হৈছে। বর্তমান হোৱাইট হাউছৰ ৰাষ্ট্রপতিৰ কর্মচাৰী কার্যালয়ৰ সঞ্চালক হিচাপে কার্যৰত গ'ৰ দক্ষিণ আৰু মধ্য এছিয়াৰ বিষয়ৰ ▸▸৬ পৃষ্ঠাত

শূন্যলৈ গুলীচালনা; আহত দুই আৰক্ষী

ৰূপহীহাটত উত্তপ্ত পৰিস্থিতি! আৰক্ষীক আক্রমণ ড্রাগছ মাফিয়াৰ

অসম বার্তা, ৰূপহীহাট, ২৩ আগষ্ট ঃ ৰূপহীহাটৰ গুণাবাৰীত যোৱাৰাতিশা এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ৰূপহীহাট আৰক্ষী ▸▸৬ পৃষ্ঠাত

দুদিনীয়া কার্যসূচীৰে শিলচৰত ৰাজ্যপাল লক্ষ্মণ প্রসাদ আচার্য

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২৩ আগষ্ট ঃ অসমৰ ৰাজ্যপাল লক্ষ্মণ প্রসাদ আচার্য শনিবাৰে দুদিনীয়া চৰকাৰী ভ্রমণৰ বাবে শিলচৰত উপস্থিত হৈছে। কুম্ভীৰগ্রাম বিমানবন্দৰত অবতৰণৰ পিছত তেওঁ প্রথমে শিলচৰৰ ▸▸৬ পৃষ্ঠাত

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২৩ আগষ্ট ঃ অসম চৰকাৰৰ মুখ্যমন্ত্রী মহিলা উদ্যমিতা অভিযান, 'লাখপতি বাইদেউ ▸▸৬ পৃষ্ঠাত

লাখপতি বাইদেউ আঁচনিৰ চেক ল'বলৈ গৈ সৰলা দেৱীৰ আকস্মিক মৃত্যু

২৫ আগষ্টৰ পৰা আমেৰিকালৈ সকলো প্রকাৰৰ ডাক সামগ্রীৰ বুকিং স্থগিতৰ সিদ্ধান্ত

আমেৰিকালৈ ডাক সেৰা অস্থায়ীভাৱে স্থগিত ভাৰতীয় ডাক বিভাগৰ

অনলাইন ডেস্ক, অসম বার্তা, ২৩ আগষ্ট ঃ ভাৰতীয় ডাক বিভাগে আমেৰিকালৈ প্রায় সকলো আন্তঃৰাষ্ট্রীয় ডাক সেৰা ২৫ আগষ্ট ২০২৫ৰ পৰা অস্থায়ীভাৱে স্থগিত ৰখাৰ সিদ্ধান্ত ঘোষণা কৰিছে। আমেৰিকা চৰকাৰৰ নতুন শুল্ক নিয়মৰ ফলত উদ্ভৱা জটিলতাৰ কাৰণে এই পদক্ষেপ গ্রহণ কৰা হৈছে। আমেৰিকাৰ প্রশাসনে ৩০ জুলাই ২০২৫ত জাৰি কৰা ১৪৩২৪ নং কার্যবাহী আদেশৰ জৰিয়তে ৮০০ মার্কিন ▸▸৬ পৃষ্ঠাত

২৪ আগষ্ট তাৰিখে মাৰ্ঘেৰিটাত মুখ্যমন্ত্রীৰ আগমনক লৈ কেইবাটাও আহ্বান

ৰাইজৰ দলৰ নেতা ৰাহুল ছেত্রীৰ সংবাদমেল

অসম বার্তা, জাগুন, ২৩ আগষ্ট ঃ মাৰ্ঘেৰিটা বিধান সভা সমষ্টিৰ ৰবগোলাইত আগন্তুক ২৪ আগষ্ট তাৰিখে অসমৰ মাননীয় মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই এক চৰকাৰী কার্যসূচীত বিশাল জনসভা সম্বোধন কৰিব। মুখ্যমন্ত্রী গৰাকীৰ আগমনক লৈ ৰাইজৰ দলৰ নেতা ৰাহুল ছেত্রীয়ে আজি এখন সংবাদমেল অনুষ্ঠিত কৰি মুখ্যমন্ত্রী গৰাকীক মার্ঘেৰিটালৈ আদৰণী কৰা স্বাগতম জনোৱাৰ লগতে মুখ্যমন্ত্রী গৰাকীয়ে যিহেতু চৰকাৰী কার্যসূচীৰ বাহিৰে উপস্থিত থাকিব আৰু উক্ত কার্যসূচী কেৰল চৰকাৰী কার্যসূচী হিচাপেহে যাতে প্রতিফলিত হয়। কোনো কাৰণতে যাতে এই কার্যসূচী গেৰুৱা ক�ৰণ কিম্বা বিজেপিকৰণ কৰা নহয় তাৰ বাবে আহ্বান জনায়। ইয়াকোপৰি বর্তমানৰ মুখ্যমন্ত্রী গৰাকী সর্বানন্দ সোণোৱাল মুখ্যমন্ত্রী হৈ থকাৰ সময়ত ২০২১ চনৰ নির্বাচনৰ পূর্বে মার্ঘেৰিটাৰ উক্ত স্থান আৰু বৃটীদিহিং মৌজাত উপস্থিত থাকি বিশাল জনসভা সম্বোধন কৰি মার্ঘেৰিটা বাসী ৰাইজৰ বাবে কেইবাটাও প্রতিশ্রুতি প্রদান কৰি গৈছিল। মুখ্যমন্ত্রী জনে সেই সময়ত প্রদান কৰা প্রতিশ্রুতি সমূহ ৰাহুল ছেত্রীয়ে আছুলিয়াই দি সেই সমূহ কিমান পূৰণ কৰিবলৈ সক্ষম হ'ল বুলি প্রশ্ন উত্থাপন কৰে। মুখ্যমন্ত্রী জনে প্রদান কৰা প্রতিশ্রুতি সমূহৰ ভিতৰত কথা প্রতিশ্রুতিটিয়ে মার্ঘেৰিটাত বিদ্যুৎ উৎপাদন প্রকল্প, বৃটীদিহিং মৌজাত অতিথি ভবন, লিডু ৰেলৱে ষ্টেচনৰ আধুনিকীকৰণ তথা লেখাপানীলৈ ৰেল চলাচল সম্প্রসাৰণ কৰা, জাগুন আঞ্চলত চৰকাৰী মহাবিদ্যালয় স্থাপন কৰা আদি প্রতিশ্রুতিসমূহ পূৰণ কৰা হলনে নাই বুলি প্রশ্ন উত্থাপন কৰি ইয়াৰ উৰৱ মার্ঘেৰিটা বাসীক দিব পাৰিবনে বুলিও গুৰুত্ব পূর্ণ মন্তব্য আগবঢ়ায়। ইয়াবোপৰি মার্ঘেৰিটা-বাসীয়ে সম্মুখীন হৈ অহা বিভিন্ন সমস্যাৰ বিষয়ে অৱগত কৰি মার্ঘেৰিটা সম জিলাত কয়লা ভিত্তিক ক্ষুদ্র ক্ষুদ্র উদ্যোগ গঢ়ি তুলি সেই সমূহ স্থানীয় যুৱক সকলক চলোৱাৰ ব্যৱস্থা কৰা, মার্ঘেৰিটা অঞ্চলৰ ক্ষুদ্র চাহ খেতিয়ক সকলক কেঁচা চাহ পাটৰ উচিত মূল্য পোৱাৰ ব্যৱস্থা কৰা, লিডু মহাবিদ্যালয়ৰ কৃত্রিম বানপানীৰ স্থায়ী সমাধানৰ পদক্ষেপ গ্রহণ, মার্ঘেৰিটা সম জিলাৰ এন, চি গাওঁসমূহ ৰাজহ গাঁৰলৈ উন্নীত কৰি সেই গাওঁ সমূহত বসবাস কৰা লোকসকলক মাটিৰ পট্টা প্রদান কৰা, টিৰাপ মৌজাত অতীজৰে পৰা বসবাস কৰি অহা বিভিন্ন জাতি জনগোষ্ঠীসমূহৰ মাজত সম্প্রীতিৰ এনাজৰী দাল যাতে কোনো কাৰণতে শেষ নহয় তাৰ বাবে ব্যৱস্থা গ্রহণ কৰিবলৈ বাহুল ছেত্রীয়ে মুখ্যমন্ত্রী জনক আহ্বান জনায়। ইয়াবোপৰি জনজাতীয় নেতা প্রসন্ন তুৰুংব আজি পর্যন্ত কোনো ধৰণৰ সন্ধান নোলোৱাৰ বাবে চি আই ডি নাইবা চি বি আইৰ দ্বাৰা তদন্ত কৰাৰ ব্যৱস্থা গ্রহণ কৰিবলৈও আহ্বান জনায়।

প্রশাসন তথা চৰকাৰক শীঘ্রে ব্যৱস্থা গ্রহণৰ দাবী

টেঙানীত বিদ্যালয়লৈ বুলি দৈনিক শ শ ছাত্র-ছাত্রীৰ এখনি টুলুঙা নাৱেৰে বিপদসংকুল যাত্রা

অসম বার্তা, ধনশিৰি, ২৩ আগষ্ট ঃ আজিৰ শিশু কাই লে দেশৰ ভবিষ্যত। কিন্তু কিছুমান শিশুৰ দুৰবস্থা দেখিলে চকু কপালত উঠিব। সৰু পথাৰ সমজিলাৰ অন্তর্গত টেঙানী অঞ্চলৰ শ শ কণ কণ ছাত্র-ছাত্রীয়ে এক বিপদসংকুল পথেৰে দৈনিক শিক্ষা গ্রহণ কৰে উদ্দেশ্যে বিদ্যালয়লৈ অহাযোৱা কৰা এক শিহৰণকাৰী দৃশ্যই এতিয়া সচেতন মহলৰ মাজত ব্যাপক চর্চা লাভ কৰিছে। টেঙানী অঞ্চলৰ এগৰাকী সমাজ সচেতন যুৱকে সামাজিক মাধ্যম যোগে প্রচাৰ কৰা এই দৃশ্যই এতিয়া সকলোৰে চকু কপালত তুলিছে। জানিব পৰা মতে গোলঘাট জিলাৰ সৰুপথাৰ সম জিলাৰ ৰবপথাৰ মৌজাৰ অন্তর্গত টেঙানী অঞ্চলৰ শ শ ছাত্র-ছাত্রীয়ে নিতৌ এখন টুলুঙা নাৱেৰে ধনশিৰি নদী পাৰহৈ বিদ্যালয়লৈ অহাযোৱা কৰিব লগা হয়। গোলঘাট আৰু কার্বি আংলং জিলাৰ সীমাত অৱস্থিত টেঙানী অঞ্চলৰ ধনশিৰি নদীৰ ওঁ ৰ আলিছিগা পাৰখটিতকৈ এখন টুলুঙা নাৱেৰে দৈনিক এনেদৰেই বিপদসংকুল ভাবে পাৰহৈ আহিছে টেঙানীৰ ওঁ ৰ আলি নিকৰি, আলিছিগা, হুইবিংপথাৰ, ৰবচাপৰি, গেলিপুং, বিষ্ণুপুৰ আদি গাঁৱৰ শ শ লোক তথা স্কুলীয়া ছাত্র-ছাত্রী। বিশেষকৈ এই বাৰিষা কালত ফেনেফুটুকাৰে ওফন্দি উঠা ধনশিৰি নদীখন পাৰ হবলৈ ৰাইজ তথা স্কুলীয়া ছাত্র-ছাত্রীয়ৰ বাবে টুলুঙা নাওখনেই একমাত্র সাৰথি। অন্যথা তেওঁলোকৰ হাতত বিকল্প ৰাস্তা নাই। লাই ফ জেকট আৰু কোনোধৰণৰ সাৱধানতা অবলম্বন নকৰাকৈয়ে নিতৌ এই সকল ছাত্র-ছাত্রীক নদীখন পাৰ কৰাই নিজৰ নিজৰ বিদ্যালয় পঠোৱা হয়। এইসকল ব্যক্তিৰ মাজত প্রথমিক বিদ্যালয়ৰ ছাত্র-ছাত্রীৰ পৰা মাধ্যমিদ্যালয়, বিশ্ববিদ্যালয়ৰ ছাত্র-ছাত্রীও আছে। ভৰ বাৰিষা ফেনে ফুটুকাৰে ওফন্দি উঠা নদীখনত যেতিয়া কণ কণ ছাত্র-ছাত্রী সকলক লৈ নাৱৰীয়াই এডাল ৰচীত ধৰি ধৰি নৈখন পাৰ কৰাই তেতিয়া যিকোনো মানুহৰে বুকু কপি উঠিব। আনহাতে খৰালিৰ দিনতো নদীখনৰ ওপৰত সাঁকো সদৃশ এখন বাহঁৰ দলঙৰে অহাযোৱা কৰা দেখা যায়। উল্লেখযোগ্য যে চৰকাৰী ভাবে স্বীকৃত উক্ত ঘাটটোৰে দীর্ঘদিন ধৰি ছাত্র ছাত্রীৰ ওপৰিও দৈনিক শ শ লোক-নদী পাৰহৈ জিলাখনৰ বিভিন্ন ঠাইলৈ অহাযোৱা কৰি আহিছে। বিগত সময়ছোৱাত বৃহত্তৰ টেঙানী অঞ্চলৰ বাহিৰে ঘাটটোত এখন দলং নির্মাণৰ বাবে প্রশাসন তথা চৰকাৰক আবেদন নিবেদন জনাই আহিছে যদিও এই ক্ষেত্রত চৰকাৰে কোনো ধৰণৰ গুৰুত্ব দিয়া নাই। আনহে নালাগে চৰকাৰে এখন উপযুক্ত ডাঙৰ নাও দিয়াবো ব্যৱস্থা কৰা নাই ঘাটটোত। উল্লেখযোগ্য যে টেঙানী গাঁও পঞ্চায়তে নিৰিদা আহুনৰ জৰিয়তে লেচিক আৰক্টন দিয়া ঘাটটোত দৈনিক প্রতিঘাৰকী পাৰবোৱা লোকৰ পৰা দহ টকাকৈ আদায় কৰা হয় বুলি জানিব পৰা গৈছে। মানকৰিবলগীয়া কথা যে বহু বছৰ আগেয়ে হোৱা টেঙানীত কেইবাখনো চৰকাৰী বিদ্যালয় আছে যদিও চৰকাৰী বিদ্যালয়ত সমুহৰ প্রতি অনিহা প্রকাশ কৰি স্থানীয় বাইজে নিজৰ সন্তান সকলক নিতৌ নদী পাৰকৰি বিপদ সংকুল পথেৰে ৰঙাজান, গোলাঘাট আদিলৈ শিক্ষা গ্রহণ কৰিবলৈ পথোৱা কাৰ্যই বিশেষ তাৎপর্য বহন কৰিছে। ইয়াৰ দ্বাৰা সৰুপথাৰ সমজিলাৰ শিক্ষা ব্যৱস্থা যে আজিও এব বিশেষ উন্নয়ন হোৱা নাই তাকে প্রমাণ কৰে। জানিব পৰামতে আজিৰ তাৰিখেটো সৰুপথাৰ সমজিলাৰ বহু সংখ্যক প্রাথমিক বিদ্যালয় এজনীয়া শিক্ষকৰ দ্বাৰা পাঠদান চলি আছে। একে অৱস্থা বহু সংখ্যক মধ্য ইংৰাজী আৰু উচ্চ মাধ্যমিক বিদ্যালয়লৈ আজিও ভাৰিষ্যতে ব্যৱস্থা কৰা নাই। মাজে সময়ে শিক্ষকৰ অভাৱত বিদ্যালয় সমূহৰ দৈনন্দিন পাঠদানত যথেষ্ট প্রভাব পৰাৰ অভিযোগ উত্থাপিত হৈ আহিছে। ধনশিৰি মহকুমা গুচি সৰুপথাৰ সমজিলা হ'ল। নালাগে চৰকাৰে এখন উপযুক্ত ডাঙৰ নাও দিয়াবো ব্যৱস্থা কৰা নাই ঘাটটোত। উল্লেখযোগ্য যে টেঙানী গাঁও পঞ্চায়তে নিৰিদা আহুনৰ জৰিয়তে লেচিক আৰক্টন দিয়া ঘাটটোত দৈনিক প্রতিঘাৰকী পাৰবোৱা লোকৰ পৰা দহ টকাকৈ আদায় কৰা হয় বুলি জানিব পৰা গৈছে। মানকৰিবলগীয়া কথা যে বহু বছৰ আগেয়ে হোৱা টেঙানীত কেইবাখনো চৰকাৰী বিদ্যালয় আছে যদিও চৰকাৰী বিদ্যালয়ত সমুহৰ প্রতি অনিহা প্রকাশ কৰি স্থানীয় বাইজে নিজৰ সন্তান সকলক নিতৌ নদী পাৰকৰি বিপদ সংকুল পথেৰে ৰঙাজান, গোলাঘাট আদিলৈ শিক্ষা গ্রহণ কৰিবলৈ পথোৱা কাৰ্যই বিশেষ তাৎপর্য বহন কৰিছে। ইয়াৰ দ্বাৰা সৰুপথাৰ সমজিলাৰ শিক্ষা ব্যৱস্থা যে আজিও এব বিশেষ উন্নয়ন হোৱা নাই তাকে প্রমাণ কৰে। জানিব পৰামতে আজিৰ তাৰিখেটো সৰুপথাৰ সমজিলাৰ বহু সংখ্যক প্রাথমিক বিদ্যালয় এজনীয়া শিক্ষকৰ দ্বাৰা পাঠদান চলি আছে। একে অৱস্থা বহু সংখ্যক মধ্য ইংৰাজী আৰু উচ্চ মাধ্যমিক বিদ্যালয়লৈ আজিও ভাৰিষ্যতে ব্যৱস্থা কৰা নাই। মাজে সময়ে শিক্ষকৰ অভাৱত বিদ্যালয় সমূহৰ দৈনন্দিন পাঠদানত যথেষ্ট প্রভাব পৰাৰ অভিযোগ উত্থাপিত হৈ আহিছে। ধনশিৰি মহকুমা গুচি সৰুপথাৰ সমজিলা হ'ল। নালাগে চৰকাৰে এখন উপযুক্ত ডাঙৰ নাও দিয়াবো ব্যৱস্থা কৰা নাই ঘাটটোত। উল্লেখযোগ্য যে টেঙানী গাঁও পঞ্চায়তে নিৰিদা আহুনৰ জৰিয়তে লেচিক আৰক্টন দিয়া ঘাটটোত দৈনিক প্রতিঘাৰকী পাৰবোৱা লোকৰ পৰা দহ টকাকৈ আদায় কৰা হয় বুলি জানিব পৰা গৈছে। মানকৰিবলগীয়া কথা যে বহু বছৰ আগেয়ে হোৱা টেঙানীত কেইবাখনো চৰকাৰী বিদ্যালয় আছে যদিও চৰকাৰী বিদ্যালয়ত সমুহৰ প্রতি অনিহা প্রকাশ কৰি স্থানীয় বাইজে নিজৰ সন্তান সকলক নিতৌ নদী

যোৰহাটৰ সাহপুৰীয়াত শ্রীশ্রী কৃষ্ণৰ ৰাসলীলাৰ প্রস্তুতি, সমিতি গঠন

অসম বার্তা, পশ্চিম যোৰহাট, ২৩ আগষ্ট ঃ যোৰহাট পশ্চিম অঞ্চলৰ সাহপুৰীয়া গাঁৱত ২০২১ চনৰ পৰিলা জুনত প্রতিষ্ঠিত এনাজৰী চিত্রকলা সাংস্কৃতিক কেন্দ্রই এইবছৰ প্রথম শ্রীশ্রী কৃষ্ণৰ ৰাসলীলা অনুষ্ঠিত কৰিবলৈ পৰিকল্পনা কৰিছে। ২১, ২২, ২৩ নভেম্বৰত সাহপুৰীয়া খেতিপথাৰত অনুষ্ঠিত হ'বলগীয়া ৰাসলীলা সুকলমে সম্পন্ন কৰিবৰ বাবে অঞ্চল দক্ষক সভাপতি, ৰঙ্গম শইকীয়া, ৰঙ্গিত শইকীয়াক উপ-সভাপতি, প্রাজ্ঞল শইকীয়াক সম্পাদক, ভালেকেইগৰাকীক গুৰুত্বপূর্ণ দায়িত্ব অর্পণৰে ৰঙ্গম শইকীয়াৰ সভাপতিত্বত এনাজৰী চিত্রকলা সাংস্কৃতিক কেন্দ্রত ২২ আগষ্টত অনুষ্ঠিত কেন্দ্রটোত শিক্ষা গ্রহণ কৰি থকা অভিভাবকসকলৰ উপস্থিতিত অনুষ্ঠিত সভাখনত সমিতিখন গঠন কৰি দায়িত্ব চমাজি দিয়ে। কেন্দ্রটোত শিক্ষা গ্রহণ কৰি থকা শিক্ষার্থীসকলৰ লগতে আমন্ত্রিত আৰু স্থানীয় শিল্পীক লৈ ৰূপায়ণ কৰিবলগীয়া তিনি দিনীয়া শ্রীশ্রী কৃষ্ণৰ ৰাসলীলাৰ সম্পর্কত বিতৰ্কে আলোচনাৰ লগতে অঞ্চলৰ বিভিন্ন ৰাইজৰ সহযোগিতা কামনাৰে ২৪ আগষ্টত দিনৰ ৪ বজাৰ পৰা সাহপুৰীয়া নৰঙ্গৰ কলা-কৃষ্টি কেন্দ্রত অনুষ্ঠিত হ'বলগীয়া ৰাজহুৱা সভাখনত শুভাকাংক্ষীসকলৰ উপস্থিতি কামনা কৰিছে। উল্লেখ্য, ১৯৯৬ চনত শ্রীশ্রী কৃষ্ণৰ ৰাসলীলা সাহপুৰীয়া নৰঙ্গৰ কলা-কৃষ্টি কেন্দ্রত অনুষ্ঠিত কৰিছিল।

তামোলপুৰৰ গোৰেশ্বৰ পাৰিষদীয় সমষ্টিত উদ্যোগী আৰু বিনিয়োগকাৰীৰ বৈঠক

ষ্টাফ ৰিপৰ্টাৰ, টংলা, ২৩ আগষ্ট ঃ বি. টি. চি, চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগৰ উদ্যোগত আৰু NRDS Management Private limited ৰ সহযোগত যোৱা ২০ আগষ্ট তাৰিখে তামোলপুৰ জিলাৰ গোৰেশ্বৰ পাৰিষদীয় সমষ্টিত উদ্যোগী আৰু বিনিয়োগকাৰী এক আলোচনা চক্র অনুষ্ঠিত হৈ যায়। সমষ্টিটোৰ গোসাঁই আলীৰ বামপুৰ গাঁৱত অনুষ্ঠিত এই সভাখনত আয়সহায়ক গোট, বাৰসায়ী তথা দোকানী আৰু অঞ্চলটোৰ যুৱক-যুৱতী সকলে অংশগ্রহণ কৰে আৰু আমন্ত্রিত বিভাগীয় বিষয়া সকলৰ সৈতে মত বিনিময় কৰে। মুখ্য অতিথি হিচাপে উপস্থিত থাকি তামোলপুৰ জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্রৰ সম্প্রসাৰণ বিষয়া এছ, বসুমতীৰীয়ে ৰাজ সাহায্য যুক্ত উদ্যোগী আৰু বিনিয়োগকাৰীৰ

নিৰ্বাচনৰ দিন ঘোষণা নৌহওঁতে ভেৰগাঁৰত আৰম্ভ হিংসাৰ ৰাজনীতি

বিধানসভাৰ অধ্যক্ষ দৈমাৰীয়ে স্থাপন কৰিবলগীয়া আঁচনিৰ আধাৰশিলাৰ ফলক ভাঙি চুৰমাৰ কৰিলে দুৰ্বৃত্তই

ষ্টাফ ৰিপাৰ্টাৰ, টংলা, ২৩ আগষ্টঃ বিটিচি নিৰ্বাচনৰ দিন ঘোষণা নৌহওতে ভেৰগাঁও পৰিষদীয় সমষ্টিত আৰম্ভ হ'ল হিংসাৰ ৰাজনীতি। আজি ভেৰগাঁৰত স্থানীয় বিধায়ক তথা অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে কে'বাঘনা কোটিচকীয়া আঁচনিৰ আধাৰশিলা স্থাপন কৰাৰ কথা আছিল। ইয়াৰ পূৰ্বে যোৱা নিশা দুৰ্বৃত্তই এই আঁচনিসমূহৰ ফলক ভাঙি চুৰমাৰ কৰে। পাছত নিশা ঘটনাস্থলীত উপস্থিত হৈ আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰে। স্বাভাৱিকতে এই দুষ্কাৰ্যই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিষয়টোক প্ৰতিক্ৰিয়া প্ৰকাশ কৰি অধ্যক্ষ দৈমাৰীয়ে ঘটনাটো দুষ্কৃতিকাৰীৰ দ্বাৰা সংঘটিত হোৱা বুলি সন্দেহ প্ৰকাশ কৰিছে। এই সম্পৰ্কত তেওঁ কয়, 'ইয়াৰ লগত ৰাইজৰ সম্পৰ্ক নাই। দুই-এক দুষ্কৃতিকাৰীয়ে এই কাৰ্য সংঘটিত কৰিব পাৰে।' বিৰোধীক সমালোচনা কৰাৰ পৰা বিৰত থাকি তেওঁ কয় যে এইবাৰ ৰাইজে কামৰ হিচাপ কৰি ভোট দিব। দুষ্কৃতিকাৰীৰ এনে কাৰ্যই ৰাইজৰ মাজত বিজেপিৰ জনপ্ৰিয়তা আৰু কাম কৰাৰ স্পৃহা শেষ কৰিব নোৱাৰে বুলি তেওঁ মন্তব্য কৰে। তেওঁ লগতে কয় যে নিৰ্বাচন আহিলে ৰাজনৈতিক দলৰ মাজত আলোচনা হ'বই। একেদৰে এই দুষ্কাৰ্যক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে বিজেপিৰ ওদালগুৰি জিলা সমিতিয়েও। ঘটনাটোক গৰিহণা দি দলৰ জিলা সমিতিৰ কৰ্মকৰ্তা নবজ্যোতি কোচে এই দুষ্কাৰ্যৰ লগত জড়িত দুৰ্বৃত্তক কৰাত্ত কৰিবলৈ আৰক্ষী- প্ৰশাসনত দাবী জনাইছে। তেওঁ কয় যে এনে দুৰ্ভাগ্যজনক ঘটনা আজি বিজেপিৰ লগত ঘটিছে, কাইলৈ আন কাৰোবাৰ লগত হ'ব। এই হিংসাত্মক কাৰ্যত জড়িতক কঠোৰ শাস্তি বিধিবলৈ বিজেপি নেতাসকলে দাবী জনায়। উল্লেখ্য যে বিগত কিছুদিন ধৰি দেৱগাঁও সমষ্টিত ব্যাপক কুচকাৱাজ চলাই আছে বিজেপিয়ে। বহু লোকে দলত যোগদান কৰিছে। ইয়াক লৈ শাংকিত হৈ একাংশই মানসিক ভাৰসাম্য হেৰুওৱাই এনে গৰ্হিত কাৰ্য কৰা বুলি দলে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। আজি অধ্যক্ষ দৈমাৰীয়ে ডিমাকু ছি শংকৰদেৱৰ শিল নিকেতনৰ শ্ৰেণীকোঠা, মহলীয়া পাৰাৰ পৰা ঘোঘাপাৰা পথ, বুদুবা-ডোংপাৰা পথ, ধোপগুৰি-কিযাণবস্তি পথ আৰু ৰামদিংপাৰা-জু লামুখা পথৰ আধাৰশিলা স্থাপন কৰাৰ কথা আছিল।

অসম বাৰ্তা, নগাঁও, ২৩ আগষ্ট ঃ নগাঁও চহৰৰ পানীগাঁও চাৰিআলিত অবস্থিত উত্তৰ পূব ভাৰতৰ অন্যতম মানৰ সেৱাৰ অনুষ্ঠান শ্ৰীমন্ত শংকৰ মিশ্যনৰ ২০২২-২০২৫ বৰ্ষৰ কাৰ্যনিৰ্বাহক সমিতিৰ সাধাৰণ সভাখন অহা ৩১ আগষ্ট দেওবাৰে মিশ্যনৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হ'ব। শ্ৰীমন্ত শংকৰ মিশ্যনৰ মুখ্য কাৰ্যালয় লোকসেৱক হলধৰ ভূঞা সভাগৃহত দিনযোৱা কাৰ্যসূচীবে আয়োজন কৰা এই দ্বি-বাৰ্ষিক সাধাৰণ সভাখন পুৱা ৭ বজাত স্বচ্ছ ভাৰত কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব মিশ্যনৰ ঘূটীয়া সম্পাদক প্ৰদীপ কুমাৰ শইকীয়াই। পুৱা ৯.১৫ বজাত পতাকা উত্তোলনে পাতনি মেলিব মিশ্যনৰ সভাপতি প্ৰেমেশ্বৰ দাসে। ইয়াৰ পাছতে পুৱা ৯.৩০ বজাত মিশ্যন চৌহদত থকা জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰিব মিশ্যনৰ উপ-সভাপতি বঞ্চিত কুমাৰ তামোলী ফুকনে আৰু পুৱা ১০ বজাত স্মৃতি তৰ্পণ মুকলি কৰিব মিশ্যনৰ উপ-সভাপতি দ্বয় ক্ৰমে হৰ বৰা আৰু ডাঃ কৃষ্ণ কুমাৰ বৰাই। দিনৰ ১১ বজাত দ্বি-বাৰ্ষিক সাধাৰণ সভাখন অনুষ্ঠিত হ'ব। নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি সভাপতিত্ব আসন গ্ৰহণ, শোক প্ৰস্তাৱ গ্ৰহণ, সভাৰ উদ্দেশ্য ব্যাখ্যা, ন-পুৰণি সদস্য/সদস্যাৰ পৰিচয় পৰ্ব, ২০১৯-২২ বৰ্ষৰ দ্বি-বাৰ্ষিক সাধাৰণ সভাৰ কাৰ্য বিৱৰণী পাঠ আৰু গ্ৰহণ, ২০২৩-২৫ বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদন পাঠ আৰু গ্ৰহণ, ২০২৫-২৬ বৰ্ষৰ নিয়মীয়া বাজেট দাখিল আৰু গ্ৰহণ, হিচাপ পৰীক্ষকৰ নিযুক্তি, সভাপতিৰ মন্তব্য আৰু অন্তিম কাৰ্যসূচী হিচাপে পুৰণি সমিতিৰ পদত্যাগ আৰু নতুন বিষয়বস্তীয়া আৰু কাৰ্যনিবাহক সমিতি গঠনেৰে সাধাৰণ সভাৰ সামৰণি পৰিব। শ্ৰীমন্ত শংকৰ মিশ্যনৰ সাধাৰণ সম্পাদক (ভাৰপ্ৰাপ্ত) মুনীশ্বৰ শইকীয়াই আগন্তুক দ্বি-বাৰ্ষিক সাধাৰণ সভা খন্ত মিশ্যনৰ সমূহ বিষয়বৰ্ষীয়া, আজীৱন সদস্য, সাধাৰণ সদস্য-সদস্যা, দাতা সদস্যক উপস্থিত একান্ত আৰে কামনা কৰিছে।

শ্ৰীমন্ত শংকৰ মিশ্যনৰ দ্বি-বাৰ্ষিক সাধাৰণ সভাৰ আয়োজন

চাৰি শতাধিক খেলুৰৈৰ সমাৱেশেৰে উদুলি-মুদুলি পৰিৱেশ

গোলাঘাটত মাধুৰ্য গগৈ সোঁৱৰণী সদৌ অসম ৰেংকিং প্ৰাইজমানি টেবুল টেনিছ চেম্পিয়নশ্বিপ -২০২৫ আৰম্ভ

ষ্টাফ ৰিপাৰ্টাৰ, গোলাঘাট, ২৩ আগষ্ট ঃ গোলাঘাট জিলা ক্ৰীড়া সম্থাৰ উদ্যোগত সদৌ অসম টেবুল টেনিছ সম্থাৰ সহযোগত জিলা ক্ৰীড়া সম্থাৰ ইনডৰ ষ্টেডিয়াম আজিৰে পৰা মাধুৰ্য গগৈ সোঁৱৰণী সদৌ অসম ৰেংকিং প্ৰাইজমানি টেবুল টেনিছ চেম্পিয়নশ্বিপ-২০২৫ আড়ম্বৰপূৰ্ণভাৱে আৰম্ভ হৈছে। এই উপলক্ষে ৰাজ্যখনৰ ১৪টা জিলা দলৰ লগতে এল, এফ ৰেলৱে আৰু অই ল ইণ্ডিয়া দলৰ প্ৰায় চাৰি শতাধিক খেলুৰৈৰ বিপুল সমাৱেশে গোলাঘাট সভাকক্ষত এখন পৰ্যালোচনা সভাতো অংশগ্ৰহণ কৰে। ফুটবল সম্থাৰ উপ- সভাপতি অজয় ভৰালীয়ে আঁত ধৰা শুভ উদ্বোধনী অনুষ্ঠান গোলাঘাট জিলাৰ আয়ুক্ত পুলক কুমাৰ মহন্ত মুখ্য অতিথি হিচাপে উপস্থিত থাকি প্ৰতিযোগিতাখনি আনুষ্ঠানিকভাবে উদ্বোধন কৰে। আদৰণি ভাষণ প্ৰদান কৰে গোলাঘাট জিলা ক্ৰীড়া সম্থাৰ সাধাৰণ সম্পাদক সঞ্জীৱ সন্দিকৈয়ে। অন্যতম মুখ্য অতিথি হিচাপে গোলাঘাটৰ আৰক্ষী অধীক্ষক বাজেন সিং, বিশিষ্ট অতিথি হিচাপে চি আৰ পি এফৰ, ১৪২ নং বেটেলিয়ানৰ কমাণ্ডেণ্ট মহেন্দ্ৰ কুমাৰ, অসম টেবুল টেনিছ সম্থাৰ বিষয়বৰীয়া অংগন জ্যোতি বৰুৱা, গোলাঘাট জিলা ক্ৰীড়া সম্থাৰ সভাপতি ডাঃ অজিত বৰুৱা আদি উপস্থিত থাকে। অনুষ্ঠানত প্ৰয়াত মাধুৰ্য গগৈৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে মাতৃ তিলোত্তমা গগৈয়ে। প্ৰতিযোগিতাখন আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে জিলা আয়োজক পুলক মহন্তই। ১১, ১৩, ১৫, ১৭, ১৯ বছৰ লৰাৰ আৰু ছোৱালীৰ উভয় শাখাৰ লগতে পুৰুষ আৰু মহিলাৰ শাখাত খেলসমূহ অনুষ্ঠিত হ'ব। অহা ২৫ আগষ্টত প্ৰতিযোগিতাখনি অন্ত পৰিব।

অসমৰ হাঁহ-কুকুৰা খণ্ডক শক্তিশালী কৰাৰ লক্ষ্য চৰকাৰৰ

দুধনৈ কুঁশধোৱাত বৈজ্ঞানিক ভিত্তিত কুকুৰা ফাৰ্ম নিৰ্মাণৰ বাবে ভূমি পৰিদৰ্শন মন্ত্ৰী কৃষ্ণেন্দু পালৰ

ষ্টাফ ৰিপাৰ্টাৰ, দুধনৈ, ২৩ আগষ্ট ঃ বাঙলা হাছ ৰায়ত্ত শাসিত পৰিষদৰ অন্তৰ্গত তথা গোৱালপাৰা জিলাৰ কুঁশধোৱাত ১৯৮৭ চনতে স্থাপন হোৱা চৰকাৰী গাহৰি ফাৰ্মখন শুকুৰবাৰে পশু পালন, পশু চিকিৎসা আৰু মীন বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পালে পৰিদৰ্শন কৰে। বৰ্তমান মৃতপ্ৰায় অৱস্থাত থকা এই ফাৰ্মখনক পুনৰ উজ্জীবিত কৰি তোলাৰ বাবে মন্ত্ৰী গৰাকীয়ে এই পদক্ষেপ গ্ৰহণ কৰে। বিধ্বস্তপ্ৰায় এই ফাৰ্মখন "এডভাণ্টেজ আছাম ২.০"ৰ অধিয়তে ফাৰ্মখনৰ ১০০ বিঘাতকৈ অধিক মাটি কুকুৰা পালনৰ বাবে ইতিমধ্যে চৰকাৰে এটা কোম্পানীৰ সৈতে বুজাবুজিৰ চুক্তি কৰাপাৰ কৰিছে। এডভাণ্টেজ আসাম ২.০ ত স্বাক্ষৰিত বুজাবুজিৰ চুক্তিৰ অধীনত বৈজ্ঞানিক হাঁহ-কুকুৰা প্ৰজনন পাম তথা খাদ্য কল নিৰ্মাণৰ বাবে এই ভূমি চিনাক্ত কৰা হৈছে। এই ফাৰ্মখন নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে বিশেষকৈ বৈজ্ঞানিক ভাবে হাঁহ-কুকুৰা প্ৰজনন পাম আৰু খাদ্য অতি সোনকালে হাঁয়লৈ আহিব, কৃষকৰ বাবে সুযোগ সৃষ্টি কৰিব অসমৰ হাঁহ-কুকুৰা খণ্ড শক্তিশালী কৰিব। ২৫০ কোটিকো অধিক টকা ব্যয় সাপেক্ষে অতি সোনকালে সেই স্থানত ফাৰ্মৰ কাম আৰম্ভ হ'ব। যাৰ দ্বাৰা বৈজ্ঞানিক ভিত্তিত কুকুৰা পালন কৰি এক নতুন দিগন্তৰ সূচনা হ'ব। নতুন ফাৰ্মখনৰ কামকাজ আৰম্ভ হোৱাৰ পূৰ্বে পশু পালন মন্ত্ৰী গৰাকীয়ে নিজেই সেই স্থান পৰিদৰ্শন কৰে। ৰাবি জংঘলে আবৰি থকা এশ বিঘাতকৈ অধিক ভূমিৰ ফাৰ্মখন অসম চৰকাৰে পুনৰুজীবিত কৰি গাহৰি পালনৰ পৰিবৰ্তে হাঁহ-কুকুৰাৰ ফাৰ্ম হিচাবে বাবে গঢ়ি তুলিব। মন্ত্ৰী গৰাকীয়ে সাংবাদিকৰে হোৱা সাক্ষাৎকাৰত কয় যে, মুখ্যমন্ত্ৰী গৰাকীয়ে অসমৰ গাহৰি পালক সকলৰ উৎপাদন বৃদ্ধি কৰাৰ লক্ষ্য হাতত লৈছে, যাৰ বাবে মন্ত্ৰী গৰাকীয়ে গোৱালপাৰালৈ আহাৰ পথত কামকাপৰ বাণীত থকা পিগ ব্ৰিডিং ফাৰ্মখনো পৰিদৰ্শন কৰে আৰু এই ফাৰ্মখনক উন্নত জাতৰ গাহৰী অন্য ৰাজ্যৰ পৰা ৰপ্তানি কৰিব আৰু তাৰ পৰাই ৰাজ্যৰ অন্যান্যত্ত থকা গাহৰি ফাৰ্ম সমূহলৈও সেই উন্নত মানৰ গাহৰি প্ৰেৰণ কৰিব। আনহাতে কুঁশধোৱা অঞ্চলটো যিহেতু কাৰীয়া হাতীৰ সংঘাতৰ এক অঞ্চল সেয়েহে সম্পূৰ্ণ ফাৰ্মখন বনৰীয়া হাতীৰ পৰা ৰক্ষা কৰাৰ বাবে চৌদিশ ফেঁচিং দিয়াৰ কামো সোনকালে আৰম্ভ কৰিব বুলি মন্ত্ৰী গৰাকীয়ে জানিবলৈ দিয়ে। এই ভূমি পৰিদৰ্শন কালত মন্ত্ৰীগৰাকীক সংগ দিয়ে ড° জয়ন্ত কুমাৰ গোস্বামী পশু চিকিৎসক বিভাগৰ সঞ্চালক, ডাঃ দিবজ্যোতি হাজৰিক, বি আ° প্লেনিং, পশু চিকিৎসা বিভাগ, ডাঃ চান্দ মহম্মদ, দিসপুৰ, গোৱালপাৰা আৰু কুঁশধোৱা চৰকাৰী গাহৰি ফাৰ্ম ভাৰপ্ৰাপ্ত পৰিচালক ডাঃ দিগন্ত বাভা। অসম চৰকাৰৰ এই পদক্ষেপে অসমৰ হাঁহ-কুকুৰা আণ্ডাগোঁথনি, কৃষকৰ জীৱিকা, আৰু গ্ৰাম্য উন্নয়ন শিল্পশালী কৰাৰ দিশত এক উল্লেখযোগ্য অগ্ৰগতি হিচাবে চিহ্নিত কৰিছে। কুঁশধোৱাৰ গাহৰি ফাৰ্ম পৰিদৰ্শন কৰি মন্ত্ৰী গৰাকীয়ে গোৱালপাৰা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এখন পৰ্যালোচনা সভাতো অংশগ্ৰহণ কৰে।

৩ হাজাৰ গাম্ছুচিয়া মাছৰ পোনা মুকলি চহৰৰ নলা-নৰ্দমাত

মহজনিত ৰোগৰ বিৰুদ্ধে যুঁজিবলৈ অভিনৱ পদক্ষেপ ডিব্ৰুগড় জিলাৰ স্বাস্থ্য বিভাগৰ

ষ্টাফ ৰিপাৰ্টাৰ ডিব্ৰুগড়, ২৩ আগষ্ট ঃ মহজনিত ৰোগ নিয়ন্ত্ৰণ বাবে সক্ৰিয় পদক্ষেপৰ অংশ হিচাপে ডিব্ৰুগড় জিলাৰ স্বাস্থ্য বিভাগৰ বাৰ্ষিক বাহকজনিত ৰোগ নিয়ন্ত্ৰণ কেন্দ্ৰই মহানগৰীৰ বিভিন্ন নলাত ২০০০ গাম্ছুচিয়া মাছৰ পোনা মুকলি কৰি দিয়ে। তদুপৰি দিনজান আৰ্মি কেম্পকো ১০০০ গাম্ছুচিয়া মাছৰ পোনা বিতৰণ কৰা হয়। জিলাখনত মেলেৰিয়া আৰু জাপানীজ এনকেফেলাইটিছৰ দৰে বাহকজনিত ৰোগক প্ৰতিহত কৰাৰ উদ্দেশ্যেৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। উল্লেখযোগ্য যে, মহৰ মাছ বুলিও জনাজাত গাম্ছুচিয়া মাছক মহৰ পোনা (কণী) নিয়ন্ত্ৰণ বাবে জৈৱিক কাৰক হিচাপে বহুলভাবে ব্যৱহাৰ কৰা হয়। এই মাছবোৰে মহৰ কণী আৰু পোনা খায়, যাৰ ফলত মহৰ সংখ্যা হ্ৰাস পোৱাৰ লগতে মহজনিত ৰোগ বিয়পা বোধ কৰাত সহায় কৰে। এটা পূৰ্ণবয়স্ক গাম্ছুচিয়া মাছে প্ৰতিদিনে ১০০-৩০০টা মহৰ পোনা খাব পাৰে। উল্লেখযোগ্য যে জিলাখনৰ স্বাস্থ্য বিভাগে লোৱা এই পদক্ষেপ হৈছে মহৰ সংখ্যা নিয়ন্ত্ৰণ বা হ্ৰাস কৰাৰ বাবে ৰাসায়নিক কীটনাশকৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰি জৈৱিক নিয়ন্ত্ৰণ পদ্ধতি গ্ৰহণ কৰাৰ উদ্দেশ্যেৰে কৰা এক ঐকান্তিক প্ৰচেষ্টাৰ এটা অংশ। সেই মৰ্মেই আজি মহৰ প্ৰজনন প্ৰৰণ অঞ্চলসমূহক লক্ষ্য কৰি তথা ৰোগ সংক্ৰমণৰ আশংকা হ্ৰাস কৰিবলৈ চহৰৰ বিভিন্ন নলাত এই গাম্ছুচিয়া মাছ মেলা হয়। ডিব্ৰুগড় জিলাৰ স্বাস্থ্য বিভাগে জৈৱিক আৰু সংহত বাহকজনিত ৰোগ ব্যবস্থাপনা কৌশলৰ সংমিশ্ৰণৰ জৰিয়তে মহৰ দ্বাৰা সংক্ৰমিত ৰোগ নিয়ন্ত্ৰণৰ প্ৰচেষ্টা অব্যাহত ৰখাৰ পৰিকল্পনা কৰি সুস্থ পৰিবেশ গঢ়ি তুলি নাগৰিকসকলৰ ওপৰত কৰিব বুলি আশা কৰা হৈছে।

কলিয়নী কৃষ্টি কলা সংঘৰ সাধাৰণ সভা

অসম বাৰ্তা, নিমাতীঘাট, ২৩ আগষ্টঃ উত্তৰ যোৰহাট স্থিত গাঁৱৰ সন্মিলিত অনুষ্ঠান কলিয়নী শ্ৰীশ্ৰী শংকৰদেৱ কৃষ্টি কলা সংঘৰ এখন সাধাৰণ সভা ২৪ আগষ্ট দিনৰ ২-০০ বজাৰ পৰা আৰম্ভ হ'ব। সংঘ ভৱনত অনুষ্ঠিত হ'ব লগীয়া সভাত নতুন সমিতি গঠনৰ লগতে শংকৰদেৱৰ ৫৭৭ সংখ্যক জন্মোৎসৱৰ বিষয়ে আলোচনা কৰিব। সভাত সকলো সদস্য - সদস্যাৰ উপস্থিতি সভাপতি মুকুল শইকীয়া আৰু সম্পাদক বিনীত দত্তই কামনা কৰিছে।

ৰাহনা মহাবিদ্যালয়ত আই. চি. টি. বিষয়ক কৰ্মশালাৰ আয়োজন

অসম বাৰ্তা, নিমাতীঘাট, ২৩ আগষ্ট ঃ যোৱা ১৯ আগষ্ট, ২০২৫ তাৰিখে বাহনা মহাবিদ্যালয় আভ্যন্তৰীণ গুণগত মান নিশ্চিতকৰণ কোষৰ উদ্যোগত যোষহাটৰ বাহনাস্থিত বাহনা মহাবিদ্যালয়ত এদিনীয়া কাৰ্যসূচীৰে ৱাতক প্ৰথম বাষ্মাসিকৰ ছাত্ৰ-ছাত্ৰীৰ বাবে Information and Communication Technology শীৰ্ষক এখনি কৰ্মশালাৰ আয়োজন কৰা হয়। বাহনা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চুম্বিত চলিহাৰ বক্তব্যবে শুভাৰম্ভ হোৱা কৰ্মশালাখনৰ বীজ ভাষণ প্ৰদান কৰে নেচনেল ইনষ্টিটিউট অব ইলেকট্ৰনিকছ এণ্ড ইনফৰমেছন টেকনোলজি (NIELIT) যোৰহাট এণ্টেনাচন চেণ্টাৰৰ চেণ্টাৰ ইনচাৰ্জ তথা জ্যেষ্ঠ বিজ্ঞানী মানব কলিতাই। কৰ্মশালাখনত মহাবিদ্যালয়ৰ উপাধ্যক্ষা ড° ইন্দ্ৰাণী বৰঠাকুৰ, মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড° পংকজ বৰাকে প্ৰমুখ কৰি বিভিন্ন বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে। কৰ্মশালাখনত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে মহাবিদ্যালয়ৰ পৰিকল্পন বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক জয়ন্ত বৰদৈ, গণিত বিভাগৰ সহকাৰী অধ্যাপক ড° পংকজ বৰা আৰু গ্ৰন্থাগাৰিক ড° অনুপম চন্দাই। কৰ্মশালাখনৰ সমন্বয়ক হিচাবে মহাবিদ্যালয়ৰ পৰিসংখ্যা বিভাগৰ সহকাৰী অধ্যাপক ড° তৌফিকুৰ ৰহমান আৰু অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° দীপশিখা দিহিঙীয়াই দায়িত্ব গ্ৰহণ কৰি সফলভাৱে পৰিচালনা কৰে। উল্লেখযোগ্য যে, মহাবিদ্যালয়ৰ হীৰক জয়ন্তী বৰ্ষৰ অনুষ্ঠানমালাৰ অংশৰূপে আয়োজিত এই কৰ্মশালাখনত কলা আৰু বিজ্ঞান শাখাৰ পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে উৎসাহজনকভাবে অংশগ্ৰহণ কৰে।

'অপাৰেচন সিন্দুৰ'অভিযানৰ পাছতে এই অভিযান

এন.ডি.আৰ.এফ, এছ.ডি.আৰ.এফৰ "ব্যায়াম সমন্বয় শক্তি" কাৰ্যসূচী

অসম বাৰ্তা, বাঘজান, ২৩ আগষ্ট ঃ ১২ নং এন.ডি.আৰ.এফ, ৬ নং শিখ বেজিমেণ্ট, এছ.ডি.আৰ.এফ, আৰু এন.চি.চি.চি যৌথ উদ্যোগত বৃহস্পতিবাৰে ডিগবৈস্থিত ৬ নং শিখ বেজিমেণ্টত "ব্যায়াম সমন্বয় শক্তি" শীৰ্ষক কাৰ্যসূচীৰ যোগেদি বানপানীৰ পৰা উদ্ধাৰৰ প্ৰস্তুতি আৰু অনুশীলন চলায়। ১২ নং এন.ডি.আৰ.এফ আৰু ৬ নং শিখ বেজিমেণ্টে জলজ দুৰ্যোগৰ সহায়ত পানীৰ জৰুৰীকালীন অৱস্থা আৰু ভূ-ভংগীয় উদ্ধাৰৰ বাবে ইস্প্ৰভাইজ ফ্লটিং যন্ত্ৰৰ জৰিয়তে নিজৰ দক্ষতা দেখুৱায়। "ব্যায়াম সমন্বয় শক্তি" শীৰ্ষক কাৰ্যসূচীৰ যোগেদি অংশগ্ৰহণকাৰীসকলক সজাগ, সক্ৰিয়তাৰ সম্পৰ্কে আলোকপাত কৰা হয়। উল্লেখ্য যে, শেহতীয়াকৈ দেশত চলোৱা "অপাৰেচন সিন্দুৰ"ৰ অভিযানৰ পাছতে এনে অনুশীলনৰ প্ৰয়োজনীয়তাৰ সম্পৰ্কে অৱগত কৰে আৰু দেশৰ বিভিন্ন বিভিন্ন প্ৰান্তত অনুশীলন কাৰ্যসূচী কপাপাৰ কৰা হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

সংবিধান সংশোধনৰ বাবে উপ-সমিতি গঠন

পশ্চিম যোৰহাট ক্ৰীড়া সম্থাৰ নতুন সমিতিৰ কাৰ্যভাৰ গ্ৰহণ

অসম বাৰ্তা, পশ্চিম যোৰহাট, ২৩ আগষ্ট ঃ পশ্চিম যোৰহাট ক্ৰীড়া সম্থাৰ নতুনকৈ গঠিন কৰা কাৰ্যনিৰ্বাহক সমিতিখনে দায়িত্ব গ্ৰহণ কৰে। সাধাৰণ সম্পাদক সঞ্জীৱ বৰুৱাই উদ্ধেশ্য ব্যাখ্যা কৰা সভাপতি অৰুণ বৰপাত্ৰগোহাঁইৰ সভাপতিত্বত ক্ৰীড়া ভৱনত অনুষ্ঠিত সভাখনত পশ্চিম যোৰহাট ক্ৰীড়া সম্থাৰ বিভাগীয় সমিতিসমূহ গঠন কৰে। উপদেষ্টা মহেন্দ্ৰ দত্ত, ইন্দ্ৰজিৎ কাকতি, ৰাজেন দত্ত, অঞ্জন দত্ত, ৰমেন শইকীয়া প্ৰমুখ্যে সমিতিৰ সদস্যসকলে উপস্থিত থকা সভাখনত পশ্চিম যোৰহাট ক্ৰীড়া সম্থাৰ আগন্তুক দুবছৰৰ পৰিচালনা কৰিবৰ বাবে ভালেকেইটা সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে সম্থাৰ সংবিধানখন সংশোধন কৰিবলৈ উপদেষ্টা সকলৰ লগতে সভাপতি, সাধাৰণ সম্পাদকক লৈ এখন উপ-সমিতিও সভাতে গঠন কৰে।

চৰাইদেউৰ ৫২নং "খ" ৰাষ্ট্ৰীয় ঘাইপথটিৰ পুখুৰী সদৃশ গাঁত ফলত চৰম যাতনা জনগণৰ

জিলা আয়ুক্তক স্মাৰকপত্ৰ প্ৰদান অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ আৰু আছুৰ

অসম বাৰ্তা বিশেষ, সোণাৰি, ২৩ আগষ্ট ঃ চৰাই দেউৰ জিলাৰ সাপথোতী মাজ মজিয়াইদি পাৰ হৈ যোৱা দুখন ৰাজ্য অসম আৰু অৰুণাচল সংযোগী পথ ৫২নং 'খ' ৰাষ্ট্ৰীয় ঘাইপথটিৰ নিমাৰ্ণ সম্পূৰ্ণ হোৱা সাপথোতী অঞ্চলৰ অশেত ৰাষ্ট্ৰীয় ঘাইপথটি পুখুৰী সদৃশ গাঁতৰ সৃষ্টি হোৱা ফলত অসম অৰুণাচল সংযোগী যাতায়ত ব্যৱস্থাৰ লগতে বিদ্যালয়ৰ, মহাবিদ্যালয়ৰ ছাত্ৰছাত্ৰী, বিভাগী আদিকে ধৰি জনগনৰ অসুবিধা হোৱাৰ পৰিলক্ষিত হৈছে। উল্লেখযোগ্য যে বৰ্তমানৰ সময়ত অৰুণাচলৰ ৰাজ্যৰ পৰা ডিব্ৰুগড়ৰ চিকিৎসাৰ বাবে অনা ৰোগীক যাতায়ত ব্যৱস্থা বিধক্ত অৱস্থা হোৱাত যথেষ্ট অসুবিধা সৃষ্টি হয় লগতে দুৰ্ঘটনা হোৱা দেখা যায়। ইয়াৰ উপৰি বৰ্ষাৰ পৰা সাপথোতী, সাপথোতী চাৰিআলি, বগাবাগৰ পৰা অৰুণাচল যোৱা যাতায়ত ব্যৱস্থা থকাত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ চৰাইদেউ জিলা সমিতি সভাপতি ৰুবনা মহণ লগতে সাধাৰণ সম্পাদক লংকেশ্বৰ গগৈ দক্তখতে জিলা আয়ুক্ত লৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে। ইয়াৰ উপৰি সাপথোতী আঞ্চলিক ছাত্ৰ সন্থা, সভাপতি বৈকুণ্ঠ গগৈ আৰু ভাঃ সাধাৰণ সম্পাদক কৃষ্ণমনি বৰগোহাঁই দক্তখতে চৰাইদেউ জিলা আয়ুক্ত লৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে। দুয়োটা সংগঠনৰ নেতৃত্বত এটাই দাবী যদিহে অতি সোনকালে মেৰামতি কৰা ব্যৱস্থা নকৰে তেনেহে জনগণৰ সুবিধাৰ্থে গণতান্ত্ৰিক আন্দোলন কৰিবলৈ বাধ্য হম বুলি মত পোষণ কৰে।

অসমৰ মাটিত অসমীয়াৰ ঘৰত নাগালেণ্ড প্ৰশাসনে নথি-পত্ৰ বিচাৰি জৰীপ চলোৱাক লৈ চাঞ্চল্য

অসমৰ ভূমিত নাগালেণ্ড প্ৰশাসনৰ জৰীপ

অসম বাৰ্তা, মেৰাপানী, ২৩ আগষ্ট ঃ অসম-নাগালেণ্ড সীমান্তৰ মেৰাপানী ভেলীগুৰি জয়পুৰত নাগালেণ্ড প্ৰশাসনে চলাবে চলাবে নাগালেণ্ড প্ৰশাসনৰ লোকসেইজনৰ সৈতেকথা-বিতণ্ডাত লিপ্ত হয় স্থানীয় লোক সকল, ইয়াৰ পাছতে সেই স্থান ত্যাগ কৰে নগা লোক কেইজনে। ঘটনাৰ সম্পৰ্কত মেৰাপানী থানাত লিখিত অভিযোগ দাখিল কৰিছে স্থানীয় লোকসকলে। ঘটনাৰ কেন্দ্ৰ কৰি মেৰাপানীত সৃষ্টি হৈছে তীব্ৰ চাঞ্চল্য। আনফালে নগা প্ৰশাসনে অসমৰ মাটিত অসমীয়া লোকৰ ঘৰত নথি-পত্ৰ বিচাৰি জৰীপ চলোৱাক লৈ গোলাঘাট জিলা চুতীয়া ছাত্ৰ সম্থাৰ কাৰ্যকৰী সভাপতি লোহিত শইকীয়াই অসম প্ৰশাসনক মেৰাপানীৰ খিলঞ্জীয়া লোকসকলৰ নিৰাপত্তা নিশ্চিত কৰিবলৈ দাবী জনোৱাক লগতে অসম চৰকাৰে তথা প্ৰশাসনক অসম-নাগালেণ্ডৰ সীমা সমস্যাৰ স্থায়ী সমাধানৰ দাবী জনায়।

CORRECTION

মোৰ অসম গ্ৰামীণ বিকাশ বেংকৰ বটদ্ৰৱা শাখাত থকা একাউণ্টটোত ভুলক্ৰমে মোৰ ফোনৰ একাউণ্ট নং-723725000036৪৩ মোৰ নামটো Aijjul Hoque হৈ আছে। কিন্তু মোৰ প্ৰকৃত নাম Ajijjul Islam হে।

পিতাঃ মৃছলেম উদ্দিন

গাঁওঃ চলাপথাৰ

থানাঃ বটদ্ৰৱা

জিলাঃ নগাঁও, অসম

AB-122/2025

সম্পাদকীয়

প্ৰাদেশিকীকৰণৰ নামত চাকৰিৰ সংকট

কেন্দ্ৰীয় চৰকাৰৰ প্ৰাদেশিকীকৰণ নীতিয়ে বিগত পাঁচ বছৰত বাজহুৱা খণ্ডৰ উদ্যোগ (পি এছ ই)-ত প্ৰায় ১ লাখবো অধিক কৰ্মচাৰীৰ চাকৰি হেৰুৱাব কাৰণ হৈছে। বাজহুৱা উদ্যোগ সমীক্ষা (২০২১-২২) অনুসৰি, কেন্দ্ৰীয় বাজহুৱা খণ্ডৰ উদ্যোগসমূহত (চিপিএছই) নিয়োগ ২০১৩ চনৰ ১৭.৩ লাখৰ পৰা ২০২২ চনৰ মাৰ্চলৈ ১৪.৬ লাখলৈ হ্ৰাস পাইছে। এই পৰিসংখ্যাই ভাৰতীয় অৰ্থনীতিৰ এক গুৰুত্বপূৰ্ণ অংশ হিচাপে থকা বাজহুৱা খণ্ডৰ উদ্যোগৰ কৰ্মচাৰীৰ জীৱনৰ ওপৰত প্ৰাদেশিকীকৰণৰ প্ৰভাবৰ এক ভয়াবহ ছবি প্ৰতিফলিত কৰে। টেলিকম, বিমান পৰিবহণ, আৰু তীখাৰ দৰে খণ্ডত চাকৰি কৰ্তনৰ পৰিমাণ বিশেষভাবে উল্লেখযোগ্য। এই পৰিস্থিতিয়ে বাজহুৱা খণ্ডৰ ভৱিষ্যৎ আৰু কৰ্মচাৰীসকলৰ জীৱন-জীবিকাৰ প্ৰতি এক গভীৰ প্ৰশ্নৰ সৃষ্টি কৰিছে। চৰকাৰৰ ব্যক্তিগতকৰণ নীতিৰ মূল লক্ষ্য বিত্তীয় বোজা হ্ৰাস আৰু দক্ষতা বৃদ্ধি হ'লেও, ইয়াৰ ফলত বাজহুৱা খণ্ডৰ কৰ্মচাৰীৰ স্থিবতা আৰু সুৰক্ষাৰ ওপৰত তীব্ৰ প্ৰভাব পৰিছে। এয়াৰ ইণ্ডিয়া, ভাৰত পেট্ৰোলিয়াম, আৰু ভাৰতীয় শিপিং কৰ্পবেশানৰ দৰে প্ৰতিষ্ঠানৰ বিক্ৰী বা একত্ৰীকৰণে এই সংকটক তীব্ৰতৰ কৰিছে। বিএছএনএএল আৰু এমটিএনএলৰ দৰে কিছুমান চিপিএছয়ে যথেষ্ট লোকচানৰ সম্মুখীন হোবাব ফলত ব্যক্তিগতকৰণৰ পথ মুকলি হৈছে। ২০১৩ চনত য'ত ১৯% শ্ৰমিক চুক্তিভৰ্তা আকস্মিক নিয়োগৰ আওতাত আছিল, ২০২২ চনৰ ভিতৰেও এই সংখ্যা বৃদ্ধি পাই ৪২.৫% হৈছে। এই পৰিসংখ্যাই স্থায়ী চাকৰিৰ পৰিবৰ্তে অস্থায়ী নিয়োগৰ প্ৰতি চৰকাৰৰ পক্ষপাতিত্বক স্পষ্ট কৰে। শ্ৰমিক সংঘসমূহে এই ব্যক্তিগতকৰণৰ পদক্ষেপৰ তীব্ৰ বিবোধিতা কৰিছে। তেওঁলোকৰ মতে, ব্যক্তিগত প্ৰতিষ্ঠানত চাকৰিৰ সুৰক্ষাৰ পৰিবৰ্তে মুনাফা লাভক অগ্ৰাধিকাব দিয়া হয়, যাব ফলত শ্ৰমিকৰ জীৱন-জীবিকা বিপন্ন হে পৰে। চৰকাৰে চুক্তি ভিত্তিত কৰ্মচাৰীৰ স্বাৰ্থ সুবক্ষিত কৰাব আশ্বাস দিলেও, ব্যক্তিগত খণ্ডত দীৰ্ঘম্যাদী সুবক্ষাৰ নিশ্চয়তা নাই। উদাহৰণস্বৰূপে, এয়াৰ ইণ্ডিয়াৰ ব্যক্তিগতকৰণৰ পিছত বহু কৰ্মচাৰীৰ চাকৰিৰ স্থিবতাৰ ওপৰত প্ৰশ্ন উঠিছে। ইউনিয়নসমূহে এই পৰিস্থিতিৰ বিৰুদ্ধে প্ৰতিবাদ জনাইছে, কিয়নো তেওঁলোকৰ মতে, এই নীতিয়ে জনসাধাৰণৰ সেবাৰ পৰিবৰ্তে ব্যক্তিগত লাভৰ প্ৰতি গুৰুত্ব দিয়ে। বাজহুৱা খণ্ডৰ উদ্যোগসমূহে ভাৰতৰ অৰ্থনীতিত সদায় গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছিল। জবাহৰলাল নেহৰুৰ সময়ৰ পৰা এই খণ্ডই দেশৰ আধুনীখীনি উন্নয়ন, আঞ্চলিক ভাৰসাম্য আৰু অৰ্থনৈতিক সাৰ্বভৌমত্বৰ ক্ষেত্ৰত অবিহণা যোগাইছে। কিন্তু বৰ্তমানৰ প্ৰাদেশিকীকৰণ নীতিয়ে এই খণ্ডৰ মূল উদ্দেশ্যৰ পৰা বিচ্যুতি আশংকাৰ সৃষ্টি কৰিছে। লাভজনক চিপিএছই যেনে তেল আৰু প্ৰাকৃতিক গেছ নিগম (ONGC) বা কইল ইণ্ডিয়াৰ দৰে প্ৰতিষ্ঠানৰ পৰিচালনা ব্যক্তিগত খণ্ডৰ হাতত অৰ্পণ কৰিলে জনসাধাৰণৰ সুবিধাৰ পৰিবৰ্তে ব্যক্তিগত লাভৰ ওপৰত গুৰুত্ব দিয়াৰ সম্ভাবনা থাকে। অসমৰ প্ৰেক্ষাপটত, বাজহুৱা খণ্ডৰ উদ্যোগ যেনে অইল ইণ্ডিয়া লিমিটেডে ৰাজ্যৰ অৰ্থনীতি আৰু কৰ্মসংস্থানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। কিন্তু প্ৰাদেশিকীকৰণৰ ফলত এই প্ৰতিষ্ঠানসমূহৰ কৰ্মচাৰীৰ মাজতো অস্থিবতাৰ ভয় সৃষ্টি হৈছে। অসমৰ যুব সমাজত নিবনুৰাৰ হাৰ ইতিমধ্যে অত্যধিক যাব ফলত বাজহুৱা খণ্ডত চাকৰিৰ হ্ৰাসে নতুন সংকটৰ সৃষ্টি কৰিব পাৰে। ৰাজ্য চৰকাৰে এই পৰিস্থিতিৰ প্ৰতি গুৰুত্ব দি কৰ্মচাৰীৰ স্বাৰ্থ বক্ষাব বাবে পদক্ষেপ গ্ৰহণ কবাটো জৰুৰী। কেন্দ্ৰীয় চৰকাৰৰ প্ৰাদেশিকীকৰণ নীতিয়ে অৰ্থনৈতিক দক্ষতা বৃদ্ধিৰ লক্ষ্য লৈছে যদিও ইয়াৰ ফলত লাখ লাখ শ্ৰমিকৰ জীবন-জীবিকা বিপন্ন হৈ পৰিছে। বাজহুৱা খণ্ডৰ উদ্যোগসমূহ জনসাধাৰণৰ সেবাৰ এক গুৰুত্বপূৰ্ণ মাধ্যম হিচাপে কাম কৰি আহিছে, কিন্তু ব্যক্তিগতকৰণৰ তীব্ৰ গতিয়ে এই খণ্ডৰ মূল দায়িত্বৰ পৰা বিচ্যুতি আশংকাৰ সৃষ্টি কৰিছে। চৰকাৰে কৰ্মচাৰীৰ স্বাৰ্থ সুবক্ষাৰ বাবে কঠোৰ নীতি গ্ৰহণ কবাব লগতে জনসাধাৰণৰ সুবিধাৰ প্ৰতি গুৰুত্ব দিয়াটো অত্যন্ত জৰুৰী। অন্যথা, এই নীতিয়ে দেশৰ অৰ্থনৈতিক বৈষম্য বৃদ্ধি কবাব লগতে সামাজিক অস্থিবতাৰ সৃষ্টি কবিব পাৰে।

> কোন দেশে বাৰু বিচাৰিব সকলোতকৈ ঘোৰ শত্ৰু দেশ এখন আওপকীয়াকৈ হৈ আহি হ'লেও নিজৰ দেশৰ সীমাত থিয় হৈ দিগদাৰ দি থকা। ইউক্ৰেইনক সেইবাবে ৰাছিয়ায়ে জোৰ দিছে যে ইউক্ৰেইন যাতে NATOত যোগদান নকৰে। যদি যোগদান কৰে সামৰিক আক্ৰমণ কৰা হ'ব। ইফালে ইউক্ৰেইনক উচটাই আছে আমেৰিকায়ে যে ৰাছিয়ায়ে তহঁতক ভাল নাপায়, আমাৰ NATOত আহক তাৰ পাছত তহঁতৰ দেশৰ সুবক্ষাৰ দায়িত্ব আমাৰ। অকল উচতোৱায়ে নহয় সামৰিক ভাবে অস্ত্ৰ-শস্ত্ৰ, টেংকাৰ, যুঁজাৰু বিমান লগতে আৰ্থিকভাৱেও সকলো দি সহায় কৰি আছে আমেৰিকায়ে।

ৰাছিয়া-আমেৰিকা আলাস্কা আলোচনা আৰু ইউক্ৰেইনৰ বাবে ট্ৰাম্পৰ চিন্তাৰ কাৰণ

লক্ষ্য জ্যোতি নাথ

কালি ভাৰতীয় সময় মতে মধ্যনিশা আমেৰিকাৰ বাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্প আৰু ৰাছিয়াৰ বাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনে নিজৰ নিজৰ দেশৰ ব্যক্তিগত আৰু বিশেষ বাষ্ট্ৰপতি বিমানত আহি আমেৰিকা যুক্তবাষ্ট্ৰৰ আলাস্কা বাজ্যত উপস্থিত হয়। তেওঁলোক দুয়ো বিমান বন্দবত থাকোঁতেই আমেৰিকাৰ সকলোতকৈ ভয়াবহ এখন B2 Bombers আৰু ৪খন F-৩৫ যুঁজাৰু বিমানে তেওঁলোকৰ দুজনৰ ওপৰেদি উৰি যায়। এয়া এক অভিবাদন আছিল নে আমেৰিকাৰ বাছিয়াৰ প্ৰতি শক্তি প্ৰদৰ্শন আছিল কৌতূহলৰ বিষয়।

আলাস্কাত বিশেষ নিবাপত্তা বেষ্টনীত অনুষ্ঠিত হোৱা আমেৰিকা আৰু বাছিয়াৰ এই আলোচনাব বিষয়বস্তু আছিল আজি ২০২২-২৩ চনত আৰম্ভ হোৱা বাছিয়া আৰু ইউক্ৰেইনৰ যুদ্ধৰ সমাপ্তি ঘটোৱা আৰু শান্তি আলোচনা কৰা। মন কৰিবলগীয়া আৰু উল্লেখযোগ্য যে যুদ্ধ হৈছে বাছিয়া আৰু ইউক্ৰেইনৰ মাজত, যুদ্ধৰ সমাপ্তি ঘটোৱা আলোচনা কৰিবলৈ আহিছে আমেৰিকা। কিয় লেখাটোৰ শেষত আলোচনা কৰিম। আলাস্কাত ডনাল্ড ট্ৰাম্প আৰু ভ্লাদিমিৰ পুটিনে প্ৰায় তিনি ঘণ্টা এই বিষয়ৰ ওপৰত আলোচনা কৰে কিন্তু এই তিনি ঘণ্টাৰ আলোচনাব একো পবিণতি নোলাল অর্থাৎ বাছিয়া আৰু ইউক্ৰেইনৰ যুদ্ধৰ সমাপ্তি হোৱা আৰু শান্তি আলোচনাব একো মীমাংসা নহ'ল। তাৰ পাছত দুয়ো দেশৰ বাষ্ট্ৰপতি নিজৰ নিজৰ দেশলৈ ঘুৰি যায়। ধাৰণা কৰিব পাৰি যে হয়তো যুদ্ধৰ সমাপ্তি ঘটোৱাৰ প্ৰস্তাবটো আমেৰিকা ফালৰ পৰা আগবঢ়োৱা হৈছে। পুটিনে নিয়ে কিছুমান চর্ত ৰাখিছে যে এই চর্তবোৰ মানিলে আমি ইউক্ৰেইনৰ ওপৰত আক্ৰমণ নকৰোঁ বা যুদ্ধ নকৰো। পুটিনৰ এই বিশেষ চর্ততো হ'ব পাৰে ইউক্ৰেইন যাতে NATOৰ ত যোগ নহয়। আগব দৰে থাকে। আৰু আমেৰিকায়ে এইটো চর্ত কোনো কাৰণ নামানে। দুয়ো দেশে দুয়োটা স্থিতিত যিকোনো কাৰণত আপোচ নকৰে, সেইবাবেই হয়তো তিনি ঘণ্টাৰ অন্তত একো মীমাংসা নহ'ল।

এইবাব আহোঁ যোৱা দুই-তিনিবছৰ ধৰি ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত চলি থকা যুদ্ধৰ কাৰণ কিৰু ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত চলি থকা যুদ্ধৰ বহু কাৰণ আছে তাৰ পাছত সকলোতকৈ ডাঙৰ কাৰণটো হ'ল ইউক্ৰেইনৰ NATOত যোগদানৰ প্ৰস্তুতি। এতিয়া নিশ্চয় প্ৰশ্ন হ'ব ইউক্ৰেইনৰ NATOত যোগদান কৰিলে ৰাছিয়াক কি আপত্তি? তাৰ আগতে জানিব লাগিব NATO কি? NATOৰ সম্পূৰ্ণ নাম North Atlantic Treaty Organization. ইউৰোপ মহাদেশৰ জার্মানী, ফ্ৰান্স, ইটালী, নেডাবলেণ্ড, নৰবে, পোলেণ্ড, পৰ্টুগাল, স্পেইন আদি কবি ৩০খন দেশ আৰু উত্তৰ আমেৰিকাৰ কানাডা আৰু আমেৰিকা যুক্তবাষ্ট্ৰ মুঠতে ৩২খন দেশৰ এটা সামৰিক সন্ধা (Military Alliance)। দ্বিতীয় বিশ্ব যুদ্ধৰ পাছত ৪ এপ্ৰিল ১৯৪৯ চনত এই NATOৰ জন্ম দিয়া হৈছিল। NATOৰ উদ্দেশ্য ছিল NATOৰ সদস্য হৈ থকা দেশবোবৰ সুবক্ষা দিয়া লগতে ছোভিয়েট সংঘ অর্থাৎ বাছিয়াৰ আক্ৰমণ বা আগ্ৰাসনৰ পৰা নিজৰ দেশক সুবক্ষা দিয়া।

এইবোৰ হৈছে আফিচিয়েল কাৰণ বোৰা বা লিখা কথা NATO কিয় সৃষ্টি হ'ল। প্ৰকৃততে NATO ক সৃষ্টি কৰিছে আমেৰিকা যুক্তবাষ্ট্ৰয়ে বাছিয়াত দমন কৰি ৰাখিবলৈ। আমি সকলোতে জানো যে এই পৃথিৱীত বিজ্ঞান-প্ৰযুক্তি, মহাকাশ অধ্যয়ন, আগ্ৰাসন, সামৰিক শক্তি, ক্ৰীড়া সকলোতে বাছিয়া আৰু আমেৰিকা যুক্তবাষ্ট্ৰ ঘোৰ শত্ৰু। ইখন দেশে সিখন দেশক বহুত বেয়া পায় আমি যেনেকৈ পাকিস্তানক বহুত বেয়া পাওঁ। বাছিয়াক আমেৰিকা যুক্তবাষ্ট্ৰয়ে অকলে বেয়া নোবাবিব বুলিয়ে NATO সৃষ্টি কৰিছিল। NATOৰ এটা মূলমন্ত্ৰ আছে। ইইকত ৩২ দেশৰ এখনকো যদি কোনোবা দেশে আক্ৰমণ কৰে তেন্তে সেই দেশখনক NATO ৰ এই ৩২ দেশে মিলি আক্ৰমণ কৰিব বা সামৰিক ভাবে সহায় কৰিব।

ইউক্ৰেইনক NATOক যোগদান কৰোৱা আঁৰত আছে আমেৰিকা যুক্তবাষ্ট্ৰ। ইয়াৰ কাৰণ হৈছে আমেৰিকাৰ কূটনৈতিক আগ্ৰাসন। ইউক্ৰেইন যিতে বাছিয়াৰ একেবীয়া এক সীমাৰ দেশ। ইউক্ৰেইন যদি NATOক যোগদান কৰে ইয়াৰ আওপকীয়া অর্থ আমেৰিকা বাছিয়াৰ সীমাত ঠিয় হৈ থাকিব। কাৰণ NATOৰ বাহনাত গৈ আমেৰিকা আৰু NATOৰ বাকী দেশ বাছিয়াৰ সীমাত আৰামত পাই যাব। যিহেতু বাছিয়াৰ সীমাত আৰামত পাই যাব পাৰে। সময়ত ডাঙৰ তথ্যৰ বাবে সহায়ক হ'ব পাৰে।

বহুতৰ মনত আকৌ আজি পুৰাব বাতৰি কাকতখনো পুৰণি যেন। আগনিমান কাকত মানেই যেন মূলহীন, পুৰণি কাকত। সেয়ে পৰি বয় কোঠাৰ এচুকত আৰু চাই বন্দী কৰি কথা বুলি ভাবি বিক্ৰী কৰি দিয়ে। সেই খুপাই খোৱা বাতৰি সমূহো এটা এটা তথ্যৰ ভঁবাল সম। পুৰণি বাতৰি-কাকত আদিৰ আৱৰ্জনা, পেলনীয়া, কামত নহা বস্তু বুলি ভবা সকলে হয়তো এই কথা কঞ্চনাই কবিব নোবাবে যে প্ৰকাশিত বাতৰি সমূহ আজিৰ তাৰিখত বিশেষ তাৎপর্যপূর্ণ নহ'লেও সময়ত এই সমূহৰ আঁত ধৰিয়ে বহুজনে বহু বিষয়ৰ জ্ঞান লাভৰ সমল লাভ কবিবৰ পুৰ্ণ সম্ভাবনীয়তা থাকে। জ্ঞান অন্বেষণৰ ক্ষেত্ৰত এই পুৰণি কাকত সমূহ হ'ব পাৰে বিশেষ সহায়ক। আন-আন সম্পত্তিৰ তুলনাত ইয়াৰ আকাৰ সক হ'ব পাৰে, কিন্তু ই অমূল্য। সেয়ে, পুৰণি বাতৰি কোনো কামত নাহে, ঠাই বন্দী কৰে বুলি ভাবি বিক্ৰী কৰাব পৰিবৰ্তে ইয়াক সংবক্ষণ কৰি ৰখাহে উচিত।

নিবেদিতা হাজৰিকা

পুৰণি কাকতখনো হ'ব পাৰে অমূল্য সম্পদ

এখন বাতৰি কাকত -কেবল এখন সাধাৰণ কাকত নহয়। সাধাৰণ যেন লগা বাতৰি কাকতখনো অমূল্য সম্পদ হ'ব পাৰে। বহু তথ্য সম্বলিত বাতৰি কাকতখনে ভিন্ন ৰুচিৰ পাঠকৰ মনৰ তৃষা দূৰ কৰিব পাৰে। বহু জনৰ বাবে অৱসৰ সময়ৰ সংগী এই কাকতখন। ব্যস্ততাৰ বাবে খৰচি মাৰি পঢ়িবলৈ সময়-সুবিধা নোপোলাব বহুতে আকৌ সপ্তাহটোৰ অন্ত সকলোবিলি পঢ়িবলৈ বুলি উলিয়াই লয়। পুৰাব চাহ কাপত চুমুক দি কাকতখনত মুখ গুজি আগবেলাটো পাৰ কবা বহুলাক আমাৰ মাজত আছে। বহুতবে ঘৰত এই দৃশ্যটো সুলভ বুলি ক'ব পাৰি। ব্যস্ততাৰ মাজতো কাকতৰ মুখ্য বাতৰি কেইটাত চকু ফুবাই থোৱা লোক যিদবে আছে, ঠিক সেইদবে বাতৰি কাকতখনৰ এটা শব্দও বাদ নপবা, আনকি প্ৰচাবিত বিজ্ঞাপন কেইটাতো চকু ফুবোৱা মানুহ আছে। এই সকল লোকৰ বাবে বাতৰি কাকতখন পৰম বান্ধৱ সম। বহু সময় যুক্ত বাতৰি কাকতখনৰ পৰা ভিন্নজন ভিন্ন ধৰণে উপকৃত হ'ব পাৰে, লাভান্বিত হ'ব পাৰে। খবৰ বা সংবাদ কেতিয়াও পুৰণি নহয়। কেতিয়াবা চকুত নপবা সক বাতৰি এটাও নিবনুৰা সমস্যাই ভয়ংকৰ ৰূপ ল'ব এইখন অসমত। কৰ্মসংস্থাপনৰ অভাবত বহুত যুবক-যুবতী অসমৰ বাহিবত গৈ কাম কবিবলগীয়া হৈছে, বহুত যুবক-যুবতী কর্ম সংস্থাপনৰ বাবে অসমৰ বাহিবত গৈ মৃত্যু মুখত পবা বুলিও খবৰ আহে আৰু তেতিয়া আমাৰ বহুত বেয়া লাগে। অসমৰ যুবক-যুবতী হৈ অসমত কর্মসংস্থাপনৰ অভাবত বাহিবত গৈ মৃত্যু বৰণ কবাটো অতিকৈ দুঃখজনক। চৰকাৰে যদি আমাৰ অসমতে কর্মসংস্থাপনৰ সুবিধা কবি দিব পাবে তেন্তে হয়তো ই'লে আমাৰ অসমৰ মানুহ অসমতেই কর্মসংস্থাপনৰ সুবিধা পাব আৰু অসমৰ বাহিবত গৈ মৃত্যুমুখত পবিব নালাগে। সেয়েহে, অতি সোনকালে চৰকাৰে অসমৰ যুবক-যুবতী সকলৰ জীৱনৰ প্ৰতি লক্ষ্য বাখি তেওঁলোকৰ অসমতে কর্ম সংস্থাপনৰ সুবিধা কবি দিব লাগে আৰু তেওঁলোকৰ সুন্দৰ জীৱন গঢ়ি তোলাত সহায় কবিব লাগে।

প্ৰাণজিৎ মজুমদাৰ

সম্পাদকলৈ চিঠি

নিবনুৰা সমস্যাৰ ভয়ংকৰ ৰূপ

বর্তমান সময়ত অসমত দ্রুতগতিত বৃদ্ধি পাবলৈ ধৰিছে এই নিবনুৰা সমস্যা। বহুত এনে শিক্ষিত যুবক-যুবতী আছে যিসকলে উচ্চশিক্ষা গ্রহণ কৰি কর্ম সংস্থাপনৰ অভাবত এতিয়া তেওঁলোকে ঘৰতে থাকিবলগীয়া হৈছে। বহুত এনেকুবা শিক্ষিত যুবক-যুবতী আছে তেওঁলোকে চৰকাৰী কর্মসংস্থাপনৰ অভাবত তেওঁলোকে অতি কম মাননীত নানা ধৰণৰ কোম্পানীত কাম কবিবলগীয়া হৈছে। কিছুমান যুবক-যুবতীয়ে উচ্চশিক্ষিত হোৱা কাৰণে তেওঁলোকে কোম্পানীৰ কাম কবিবলৈও লাজ কবে যাব ফলত তেওঁলোকে ঘৰতে থাকিবলগীয়া হয়। নিবনুৰা সমস্যা সমাধানৰ কাৰণে চৰকাৰে নানা ধৰণৰ পদক্ষেপ হাতত লৈছে যদিও এতিয়ালৈকে সমস্যা সমাধান কবাত সফল হোৱা নাই। এনেকেয়ে যদি নিবনুৰা সমস্যা বাঢ়ি গৈ থাকে আৰু যদি চৰকাৰে এই ক্ষেত্ৰত কোনো পদক্ষেপ গ্ৰহণ নকবে তেতিয়া হ'লে এটা সময়ত এই

ডোনাল্ড ট্ৰাম্পৰ আমদানিকৃত শুল্ক নীতিয়ে কিহৰ ইংগিত প্ৰদান কৰিছে?

দেবৰ্ষি গৌতম

ডোনাল্ড ট্ৰাম্পে ইতিমধ্যে ভাৰতৰ বিৰুদ্ধে একপ্ৰকাৰ বাণিজ্য যুদ্ধ আৰম্ভ কৰিছে। ভাৰতৰ পৰা আমদানি কৰিব লগীয়া সামগ্ৰীৰ ওপৰত আমেৰিকাই ২৫ শতাংশ শুল্ক আবোপ কৰিছে। এই শুল্ক নীতিৰ ফলত আমেৰিকাই ভাৰতৰ পৰা আমদানি কবা সামগ্ৰী সমূহৰ আমেৰিকাৰ বজাৰত মূল্য বৃদ্ধি হব। অর্থাৎ পুৰৰ মূল্যতকৈ বিক্ৰেতাসকলে আমেৰিকাৰ বজাবত ভাৰতীয় সামগ্ৰী সমূহ ২৫ শতাংশ অধিক মূল্যত বিক্ৰী কৰিবলৈ বাধ্য হৈ পৰিব। আমেৰিকাত উৎপাদিত একে সামগ্ৰীৰ সৈতে বর্ধিত দামৰ ফলত ভাৰতৰ পৰা আমদানিকৃত সামগ্ৰী সমূহ ফেৰ মাৰিবলৈ যথেষ্ট প্ৰত্যাহ্বানৰ সম্মুখীন হব। যাৰ ফলত আমেৰিকাৰ ভাৰতৰ পৰা সামগ্ৰী আমদানি কৰাৰ হাৰ ক্ৰমান্বয়ে কৰি অহাৰ উপক্ৰম হব। আচলতে এখন দেশে যিকোনো বিদেশী সামগ্ৰীৰ ওপৰত আমদানিকৃত শুল্ক তেতিয়াহে বেছিকৈ আবোপ কৰে যেতিয়া নিজৰ দেশত উৎপাদিত সামগ্ৰী সমূহক বজাবত গ্ৰাহকৰ মাজত জনপ্ৰিয় কৰিবলৈ অথবা সুলভ মূল্যত প্ৰদান কৰিবলৈ চেষ্টা কৰে। আমদানি শুল্ক আবোপ কৰাব কথা ঘোষণা কৰিছিল ডোনাল্ড ট্ৰাম্পে ঘোষণা কৰিছিল সেই সময়তে ভাৰত শুল্ক আবোপ কবা বহা বুলি মন্তব্য কৰিছিল। সেই সময়তে এটা কথা অনুমান কৰিব পৰা ছিলে যে ভাৰতৰ বিৰুদ্ধে ডোনাল্ড ট্ৰাম্পে বাণিজ্যক সম্পর্ক পূর্বৰ দৰে অব্যাহত ৰখাৰ পক্ষপাতী নহয়। ডোনাল্ড ট্ৰাম্পে বিশ্বাস কৰে যে আমেৰিকাই যদি আমদানিকৃত শুল্ক আবোপ কৰে তেন্তেহ'লে আমেৰিকাই আৰ্থিকভাৱে যথেষ্ট টনকিয়াল হৈ পৰিব। বিশ্বৰ শক্তিধৰ দেশ হিচাপে আমেৰিকাৰ যি খ্যাতি আছে সেয়া শুল্ক নীতিয়ে চিৰদিনৰ বাবে বজাই ৰখাত সহায় কৰিব। এতিয়া কথা হল ভাৰতৰ সৈতে ইমান ঘনিষ্ঠ আৰু মধুৰ সম্পর্ক থকাৰ পিছতো ডোনাল্ড ট্ৰাম্পে কিয় ভাৰতৰ বিৰুদ্ধে বাণিজ্য যুদ্ধত লিপ্ত হব বিচাৰিছে? আচলতে ডোনাল্ড ট্ৰাম্পৰ এই শুল্ক নীতিৰ আঁৰত কিবা অভিসন্ধি জড়িত আছে নেকি সেয়া হৈছে বর্তমান সময়ৰ আটাইতকৈ ডাঙৰ প্ৰশ্ন। দবাচলতে ভাৰতৰ কিছু কাৰকলাপৰ বাবে ডোনাল্ড ট্ৰাম্প আতংকিত হৈ পৰিছে। ভাৰতৰ বিৰুদ্ধে ডোনাল্ড ট্ৰাম্পে অভিজ্ঞা সত্ত্বেও বাণিজ্য যুদ্ধত লিপ্ত হবলৈ বাধ্য হৈ পৰিছে। ইয়াৰ কাৰণ বহু কেইটা আছে। প্ৰথম কাৰণটো হৈছে ভাৰত আৰু ৰাছিয়াৰ মাজত বৃদ্ধি পোৱা ঘনিষ্ঠতা। যেতিয়া ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত যুদ্ধ আৰম্ভ হৈছিল তেতিয়া ইউৰোপীয় দেশ সমূহে ৰাছিয়াৰ ওপৰত আর্থিক আৰু বাণিজ্যিক প্ৰতিবন্ধকতা আবোপ কৰিছিল। এই প্ৰতিবন্ধকতাৰ মুখ লক্ষ্য আছিল যাতে ৰাছিয়াই যুদ্ধৰ বাবে আন্তঃবাষ্ট্ৰীয় বাণিজ্যৰ সহায়ত আর্থিকভাবে টনকিয়াল হব নোবাবে। আমেৰিকা আৰু আমেৰিকাৰ সহযোগী দেশ সমূহে ৰাছিয়াৰ ওপৰত প্ৰতিবন্ধকতা আবোপ কৰাব লগে লগে ৰাছিয়াই তেওঁলোকৰ খাৰুৱা তেল আন্তঃবাষ্ট্ৰীয় বজাবত অতি সুলভ মূল্যত বিক্ৰী কৰিবলৈ আৰম্ভ কৰে। খাৰুৱা তেল অতি সুলভ মূল্যত লাভ কৰাব বাবেই ভাৰত উপৰিও চীন দেশেও ৰাছিয়াৰ পৰা বুজন পৰিমাণৰ খাৰুৱা তেল ক্ৰয় কৰিবলৈ আৰম্ভ কৰে। ভাৰতৰ এই নীতিয়ে ডোনাল্ড ট্ৰাম্পক বাৰুকৈয়ে চিন্তিত কৰি তুলিছে। দ্বিতীয় কাৰণটো হৈছে ভাৰত BRICSৰ সদস্য হোৱাটো। ভাৰত, ৰাছিয়া, ব্ৰাজিল, চীন আৰু দক্ষিণ আফ্ৰিকাক সামৰি এই সংগঠনৰ জন্ম হৈছিল। প্ৰতিখন দেশৰ নামৰ প্ৰথম আখবটো ব্যবহাৰ কৰি সংগঠনৰ নামটো বখা হৈছিল। প্ৰথমে যদিও পাঁচখন দেশৰ মাজত এই সংগঠনটো সীমাবদ্ধ আছিল কিন্তু ইয়াৰ পিছত ক্ৰমান্বয়ে আন দেশো এই সংগঠনৰ সদস্য হোৱাৰ বাবে আগ্ৰহী হয়। বর্তমান BRICS ৰ মুঠ সদস্য সংখ্যা হৈছে দহ। BRICS ত দেশৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি হোৱাৰ লগে লগে ডোনাল্ড ট্ৰাম্প শংকিত হৈ পৰিছে। ডোনাল্ড ট্ৰাম্পে অনুমান কৰিছে যে BRICS সদস্যিলনত অংশগ্ৰহণ কৰা দেশ সমূহে ডলাৰৰ বিকল্প হিচাপে অন্য এক মুদ্ৰাৰ প্ৰচলন কৰিবলৈ যো-জা চলাই ছে। আমেৰিকান ডলাৰৰ সমগ্ৰ পৃথিৱীতে যি গুৰুত্ব সেয়া হ্ৰাস হোৱাৰ ভয়তে ডোনাল্ড ট্ৰাম্পে BRICS সদস্যিলনৰ সদস্য দেশ সমূহৰ বিৰুদ্ধে অতিৰিক্ত আমদানিকৃত শুল্ক আবোপ কৰাবো ভাবুকি প্ৰদান কৰিছে। ইয়াৰ কাৰণ হৈছে আমেৰিকাৰ চিৰবৈী দেশ ৰাছিয়া আৰু চীন এই সংগঠনৰ সদস্য হৈ থকা বাবে। চীনৰ বিৰুদ্ধে যেতিয়াই ডোনাল্ড ট্ৰাম্পে আমদানিকৃত শুল্ক আবোপ কৰিছিল তাৰ প্ৰতিবাদত স্বৰূপে চীনেও আমেৰিকাৰ বিৰুদ্ধে অত্যধিক শুল্ক আবোপ কৰিছিল। কিন্তু চীনে আমেৰিকাৰ ওচৰত নতশিৰ নোহোৱা দেখি ডোনাল্ড ট্ৰাম্পে অবশেষত চীনৰ সৈতে আলোচনাৰ মাধ্যমেৰে বিষয়টো মীমাংস কৰাব বাবে আগবাঢ়ি আহে আৰু মীমাংসত উপনীত হবলৈ বাধ্য হৈ পৰে। কিন্তু শেহতীয়াকৈ ভাৰতৰ সৈতে হোৱা আলোচনাত কোনো ফলপ্ৰসূ সিদ্ধান্তত উপনীত হব নোৱাৰাৰ বাবে আমেৰিকাই ভাৰতৰ আমদানিকৃত সামগ্ৰীৰ ওপৰত ২৫ শতাংশ শুল্ক আবোপ কৰাব কথা ঘোষণা কৰে। ইয়াতে উল্লেখযোগ্য কথাটো হল যে যদিও আমেৰিকাই ভাৰতৰ বিৰুদ্ধে শুল্ক আবোপ কৰিছে তথাপি কিন্তু আলোচনাৰ জৰিয়তে ইয়াৰ সমাধানসূত্ৰ লাভ কৰাব আশাও বাক্ত কৰিছে। ইয়াৰ পৰা এটা কথা স্পষ্ট হে পৰিছে যে আমেৰিকাৰ বাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে যদিও ভাৰতৰ বিৰুদ্ধে বাণিজ্য যুদ্ধত অৱতীর্ণ হৈছে তথাপি কিন্তু তেওঁ নিশ্চিত হব পৰা নাই যে এই যুদ্ধৰ ফলত আমেৰিকা সম্পূর্ণ লাভান্বিত হব পাৰিব। ইয়াৰ ফলতে হয়তো এতিয়াও আমেৰিকাই ভাৰতৰ সৈতে আলোচনাৰ বাবে দুবাৰ মুকলি কৰি ৰাখিছে। ডোনাল্ড ট্ৰাম্পে আৰম্ভ কৰা বাণিজ্য যুদ্ধত বিজয়ী হোৱাৰ বাবে চেষ্টাৰ কোনো ত্ৰুটি কৰা নাই। বিভিন্ন ভয় ভাবুকিৰ মাজতেও হলেও অন্য দেশ সমূহক আমেৰিকাৰ সিদ্ধান্ত মানি লবলৈ বাধ্য কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। আনহাতীয়কৈ অর্থনীতিক ডোনাল্ড ট্ৰাম্পে যদিও মৃত অর্থনীতিবুলি অভিহিত কৰিছে তথাপি কিন্তু ডোনাল্ড ট্ৰাম্পে ভাৰতক সম্পূর্ণকপে উপেক্ষা কৰিবলৈ এতিয়াও সাহস গোটাব পৰা নাই। ভাৰতৰ শত্রু ৰাষ্ট্ৰ পাকিস্তান, বাংলাদেশ আদিক বিভিন্ন প্ৰকাৰৰ সমর্থন আগবঢ়াই ডোনাল্ড ট্ৰাম্পে ভাৰতৰ সৈতে বাণিজ্য যুদ্ধত জয়ী হোৱাব বাবে চেষ্টা অব্যাহত ৰাখিছে। ডোনাল্ড ট্ৰাম্পৰ কোনো পদক্ষেপৰ ওচৰত ভাৰতে এতিয়া সেও মানিবলৈ ইচ্ছুক নহয়। ভাৰতে এতিয়া নিজৰ স্থিতিত অটল হৈ আছে। ভাৰত আৰু আমেৰিকাৰ মাজত চলা বাণিজ্য যুদ্ধৰ প্ৰকৃত ফলাফল কি হয় সেয়া পৰবর্তী সময়ত যথেষ্ট লক্ষণীয় হৈ পৰিব। কাৰণ এই বাণিজ্য যুদ্ধৰ ফলত ভাৰতবো যে লোকচান হব সেই কথা নিশ্চিত। গতিকে ভাৰতে ডোনাল্ড ট্ৰাম্পৰ আগ্ৰাসী বাণিজ্য যুদ্ধৰ প্ৰতি কিদবে সঁহাৰি জনায় সেয়

কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ স্মাৰকপত্ৰ অসমীয়া যুৱ মঞ্চৰ

আমগুৰি নগৰখন এৰাপৰলীয়া কৰাৰ ষড়যন্ত্ৰ

অসম বার্তা, আমগুৰি, ২৩ আগষ্ট ঃ ঐতিহাসিক শিবসাগৰ জিলাৰ বৃহত্তৰ আমগুৰি অঞ্চলৰ ৰাইজে নিজৰ সমষ্টি হেকওবাৰ পাছত পুনৰ এক প্ৰতাৰণাৰ বলি হ'বলৈ আগবাঢ়িছে বুলি গুৱকতৰ অভিযোগ উত্থাপন কৰিছে অসমীয়া যুৱ মঞ্চৰ আমগুৰি আঞ্চলিক সমিতিয়ে। এই বিষয়ে এক প্ৰেছ বিবৃতি যোগে সংগঠনটোৰ আমগুৰি আঞ্চলিক সমিতিৰ মুখ্য উপদেষ্টা আকাশ শইকীয়া, সভাপতি, দিগন্ত কলিতা, সম্পাদক অংকুৰ গগৈ, সহ: সম্পাদক বিজয় দাসে কয় যে বাষ্ট্ৰীয় ঘইপথ প্ৰাধিকৰণে আমগুৰি নগৰৰ মাজেদি যোৱা ৬১নং বাষ্ট্ৰীয় ঘইপথ আঁতৰাই নি আমগুৰিৰ যোগাযোগ ব্যৱস্থাটোক পোনপটীয়াভাৱে নাইকিয়া কৰাৰ পৰিকল্পনা কৰিছে। সংগঠনটোৰ অভিযোগ মতে ৬১নং বাষ্ট্ৰীয় ঘই পথটো চাৰিলেনযুক্ত পথলৈ ৰূপান্তৰিত কৰাৰ বাবে ইতিমধ্যে জৰীপ কৰি নতুন মেপ প্ৰস্তুত কৰি উলিয়াইছে। প্ৰস্তাৱিত এই নতুন মেপ মতে পথটো জাঁজীৰ সাউদ গাঁৱতে ফাটি জাঁজী নদী পাৰ হৈ যোৱাহাট জিলাৰ লাহিং মৌজাৰ পানীগাঁও চেতিয়া গাঁৱৰ মাজেদি আহি পুনৰ জাঁজী নদী পাৰ হৈ ৰববিল হৈ ৰববামত পুৰণি পথৰ লগত সংযোগ ঘটিব। যাৰ ফলত আমগুৰি নগৰখন এৰাপৰলীয়া ঠাইৰ দৰে হৈ পৰাৰ সম্ভাবনা আছে। প্ৰস্তাৱিত পথৰ মানচিত্ৰই জাঁজীৰ ১১৫নং (পূৰ্বৰ ৩৭নং) বাষ্ট্ৰীয় ঘই পথৰ পৰা আমগুৰিৰ পোনপটীয়া সংযোগত বিঘিনি ঘটিব। প্ৰস্তাৱিত এই চাৰিলেনযুক্ত পথৰ পৰা আমগুৰি নগৰবাসীৰ বিশেষ কোনো সুবিধা নহব বুলি তেওঁলোকে উল্লেখ কৰাৰ লগতে ইয়াৰ ফলত নগৰবাসী বাইজে আৰু উপকণ্ঠৰ জনসাধাৰণ সমস্যাত পৰিব বুলিহে উল্লেখ কৰে। উল্লেখযোগ্য যে আমগুৰি বিধানসভা সমষ্টি বিলুপ্তিৰ পাছত আমগুৰি নগৰৰ পৰাবহ চৰকাৰী কাৰ্যালয় হুডুগাত ইতিমধ্যেই বিভক্ত হৈছে। এই ক্ষেত্ৰত আমগুৰি উন্নয়ন খণ্ডৰ অন্তৰ্গত কেইবাখনো গাঁও পঞ্চায়ত গৌৰীসাগৰ উন্নয়ন খণ্ডৰ লগত সংলগ্ন কৰা হয়। ইয়াৰ ফলত স্বাভাৱিকতেই নগৰখনৰ ব্যৱসায়-বাণিজ্যতো বিৰূপ প্ৰভাৱ পৰিছে। যদিহে প্ৰস্তাৱিত চাৰিলেনযুক্ত পথটো এনেদৰে যোৱাহাট জিলাৰ মাজেদি নিয়াৰ পৰিকল্পনাই আমগুৰি নগৰখনৰ অস্তিত্বৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিব বুলি উল্লেখ কৰাৰ লগতে আমগুৰি নগৰৰ মাজেদি পাৰ হৈ যোৱা ৬১ নং বাষ্ট্ৰীয় ঘই পথত থকা ৰে'ল লাইন বন ওপৰেদি এখন ফুটব্ৰীজ নিৰ্মাণ কৰি গাড়ী চলাচল বন্ধ কৰিব যি হ'ব আমগুৰি নগৰৰ বাবে চৰম প্ৰতাৰণা। এই প্ৰস্তাৱনাত ফলত আমগুৰি নগৰখনৰ অস্তিত্বলৈ সংকট আহিব বুলি উল্লেখ কৰি সংগঠনটোৱে উল্লেখ কৰাৰ পাছত এই বিষয়ে ই তিমধ্যে অসমৰ মুখ্যমন্ত্ৰী, জিলা আয়ুক্ত, কেন্দ্ৰীয় চৰকাৰৰ গৃহ সচিব, কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীজীলৈ পৃথকে পৃথকে আমগুৰি নগৰক বাজহুতৰ বিষয়াৰ যোগেদি পত্ৰ প্ৰেৰণ কৰাৰ কথা উল্লেখ কৰে। লগতে সংগঠনটোৱে ৰাইজৰ স্বাৰ্থত ঘইপথ প্ৰাধিকৰণে এই প্ৰস্তাৱ পুনৰ বিবেচনা নকৰিলে গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিব বুলি সকীয়নী প্ৰদান কৰে।

অসম বার্তা, শ্ৰীৰামপুৰ, ২৩ আগষ্ট ঃ সমাগত বিটিচি নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে দলীয় সভা সমিতি অনুষ্ঠিত কৰি তথা নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত কৰি তৎপৰতা অবলম্বন কৰাৰ সময়ত বিটিচি ৬ নং কচুগাঁও সমষ্টিৰ অন্তৰ্গত উচাটাবী আৰু লক্ষিগাঁৱত বিপিএফৰ যোগদান কাৰ্যসূচী সভা অনুষ্ঠিত হয়। যোগদান কাৰ্যসূচী সভাত বিভিন্ন দলৰ পৰা দুই শতাধিক লোক বিপিএফ দলত যোগদান কৰে। সভাত সংখ্যালঘু কোষৰ উপ-সভাপতি মকিবুৰ ৰহমানে বিজেপিৰ সমালোচনা কৰি কয় সংখ্যালঘু সকলে উচ্ছেদ কাৰ্য্য তথা অন্যান্য সমাস্যাৰ সম্মুখীন হৈ এক অভাৱনীয় পৰিস্থিতিৰ সম্মুখীন হৈছে। বিজেপিয়ে ৰাজাৰ মুছলমানৰ ওপৰত অন্যায় - অত্যাচাৰ চলাই আছে। বেদখলকাৰীৰ নামত উচ্ছেদ প্ৰসংগতো সমালোচনা কৰি কয় পুনৰ সংস্থাপনৰ ব্যৱস্থা নকৰি মুছলমান সকলক বাছিবাছি উচ্ছেদ চলাই আছে বিজেপি চৰকাৰে। বিজেপিয়ে নিজৰ ৰাজনৈতিক লাভালাভৰ বাবে ধৰ্ম্ম নামত ঘৃণনীয় ৰাজনীতি কৰি আছে। মুফতি মকিবুৰ ৰহমানে মুছলমানক সকলক বিজেপিক ভোট দিবলৈ আহ্বান কৰে। তেওঁ বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োক সমালোচনা কৰি কয় ইউপিপিএল আৰ এছ এছৰ দ্বাৰা পৰিচালিত হয় আৰু বিটিচিৰ ভিতৰত প্ৰমোদ বড়োই হ'ল আৰ এছ এছৰ মূল মানুহ। মুছলমানক আৰ এছ এছে কেতিয়াও বিশ্বাস কৰিব নোৱাৰে। তেনে সময়তে আৰ এছ এছৰ লগত প্ৰমোদ বড়োৰ সু- সম্পৰ্কই মুছলমানৰ বাবে ক্ষতিকাৰক। সেয়ে প্ৰমোদ বড়োক ভোট দিবলৈ আহ্বান জনায় ৰহমানে। তেওঁ প্ৰয়াত শ্ৰদ্ধেয় লাফিকুল ইছলামৰ হত্যা কৰাৰ কথা উল্লেখ কৰি কয় যোৱা পৰিষদীয় নিৰ্বাচনত প্ৰমোদ বড়োৱে লাফিকুল ইছলামৰ হত্যাকাৰীক শাস্তি দিয়াৰ প্ৰতিশ্ৰুতি দিছিল যদিও তেওঁৰ কাৰ্যকাল শেষ আজিলৈকে লফিকুলৰ পৰিয়ালে ন্যায় নাপালে। এইবেলি নিৰ্বাচনত বিপিএফৰ চৰকাৰ আহিলে শ্ৰহীদ লাফিকুলৰ পৰিয়ালে ন্যায় পাব বুলি কয় মুফতি মকিবুৰ ৰহমানে। সভাত বিপিএফ দলৰ ২য় নং পশ্চিম কোকৰাবাৰ সমষ্টিৰ বিধায়ক তথা আগন্তুক বিটিচিৰ পৰিষদীয় ৬ নং কচুগাঁও সমষ্টিৰ প্ৰাৰ্থী ৰবিবাম নাজৰীয়ে ভাষণত বিপিএফৰ চৰকাৰ আহিলে খাদ্য মাটিৰ সমস্যা সমাধান কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। ইউপিপিএলে চৰকাৰৰ কথা কোনো কাম কাজ কৰাত ব্যৰ্থ হৈছে। প্ৰতিশ্ৰুতি দি ৰাইজৰ লগত প্ৰতাৰণা কৰিলে। গতিকে এইবেলি নিৰ্বাচনত ৰাইজে বিকল্প হিচাপে বিপিএফক ভোট দিব আৰু বিটিচিত নিশ্চিত ভাৱে বিপিএফৰ চৰকাৰ হ'ব।

৬ নং কচুগাঁও সমষ্টিত বিপিএফৰ নিৰ্বাচনী প্ৰচাৰ সভা

কৰ্তব্যত ফাঁকি দিয়াসকল সমাজৰ অপতৃণ - ডঃ দেৱজিৎ শইকীয়া

মাজুলী মহাবিদ্যালয় শিক্ষক গোটৰ বাৰ্ষিক সভা

অসম বার্তা, উজনী মাজুলী, ২৩ আগষ্ট ঃ "শিক্ষানুষ্ঠানত সেৱা আগবঢ়াবলৈ সকলোৱে কপাল দিয়া উচিত। এতেকে, এনে সেৱাৰ প্ৰকৃত মূল্য দিবলৈ সকলোৱে প্ৰয়াস আৰু প্ৰযত্ন কৰা উচিত। কৰ্তব্যত ফাকি দি বেতন খোৱাসকল সমাজৰ বাবে অপতৃণসদৃশ। অপতৃণে যেনেকৈ কৃষিৰ উৎপাদিকা শক্তিক দুৰ্বল কৰে, এনে কৰ্মচাৰীয়েও আনৰ কৰ্মপ্ৰেৰণা হানি কৰে"—আজি মাজুলী মহাবিদ্যালয় শিক্ষক গোটৰ বাৰ্ষিক সাধাৰণ সভাৰ সভাপতি মুখ্য অতিথিৰ ভাষণ দি অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই এইদৰে কয়। অসম কলেজ শিক্ষক সংস্থাৰ অন্তৰ্গত মাজুলী মহাবিদ্যালয় শিক্ষক গোটৰ বাৰ্ষিক সাধাৰণ সভা আজি দিনৰ ১ বজাৰ পৰা মহাবিদ্যালয়ৰ সভাধিকাৰ পদ্মকান্তদেৱ গোস্বামী সভাকক্ষত অনুষ্ঠিত হয়। শিক্ষক গোটৰ সভাপতি ডঃ ৰাজেন চন্দ্ৰ ৰবাৰ পৌৰোহিত্য অনুষ্ঠিত সভাৰ আঁত ধৰাৰ লগতে উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক তুলসী বাজখুৱাই। সভাত প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অধ্যাপক গীতাবাণী গোস্বামী, ইন্দিৰা বড়ো, ডঃ ৰাজেন চন্দ্ৰ নেওগ, বিপুল ৰাজখোৱা, ডঃ ৰূপজ্যোতি ৰবা, প্ৰথীতা ৰাজখোৱা, বসন্ত ৰবা, অপূর্বজ্যোতি হাজৰিকা, ডঃ দুলাল হাজৰিকা, ডঃ প্ৰফুল্ল বৰা, প্ৰণৱজ্যোতি ৰবা আদিয়ে আগন্তুক সময়োছোৱাত মহাবিদ্যালয় শিক্ষক গোটৰ তৰফৰ পৰা কৰিবলগীয়া বিভিন্ন শৈক্ষিক আৰু সাংগঠনিক কৰ্মসূচী সম্পৰ্কত পৰামৰ্শ আগবঢ়ায়। আজিৰ সভাতে আগন্তুক সময়ছোৱাত শিক্ষক গোটে ল'ভলগীয়া কৰ্ম আঁচনি সম্পৰ্কত কেইবাটাও প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত বিগত বৰ্ষৰ কাৰ্যকালত দক্ষতাবে কৰ্ম সম্পাদন কৰাৰ বাবে অধ্যক্ষই বিদায়া সভাপতি আৰু সম্পাদকৰ লগতে কাৰ্যকৰী সমিতিৰ বিষয়বৰীয়াসকলক অংগ বন্ধুৱে সভাত সম্বৰ্ধনা জনায়। আজিৰ সভাতেই আগন্তুক কাৰ্যকালৰ বাবে ডঃ ব্ৰজেন চন্দ্ৰ নেওগক সভাপতি, ডঃ ৰূপজ্যোতি ৰবাক উপ সভাপতি, ডঃ অনুপ কুমাৰ দলেক সাধাৰণ সম্পাদক, সুদর্শা ফুকনক সহকাৰী সম্পাদক, বসন্ত ৰবাক হিচাপ পৰীক্ষক হিচাপে বেছি এখনি সমিতি গঠন কৰা হয়।

অসম বার্তা, ডবকা, ২৩ আগষ্ট ঃ হোজাই৷ বিন্নাকান্দি সমষ্টিৰ অন্তৰ্গত ৩৯ নং চৌধুৰী বজাৰ গাঁও পঞ্চায়তত সভাপতিক সময় সীমা বান্ধি জাৰি কৰিলে নটিছ। চৌধুৰী বজাৰ গাঁও পঞ্চায়তত গোচৰৰ সভাপতি নিৰ্বাচনত হোৱা অবৈধ টচৰ প্ৰসংগ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মজিয়া পালে। অবৈধ টচত বিজয়ী বুলি অভিযোগ উঠা চৌধুৰী বজাৰ গাঁও পঞ্চায়তৰ সভাপতি মুহিবুৰ ৰহমানে আগতীয়াকৈ গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰিছিল খৈছিল Caveat কিন্তু গুৱাহাটী" উচ্চ ন্যায়ালয়ে Caveat আবেদন খাৰিজ কৰি হোজাই জিলা উপায়ুক্ত, বিন্নাকান্দি থাৱ উন্নয়ন বিষয়া, আৰু অবৈধবাবে টচত জয়ী হোৱা বুলি অভিযোগ উঠা চৌধুৰী বজাৰ গাঁও পঞ্চায়তৰ সভাপতিক সময় সীমা বান্ধি জাৰি কৰিলে নটিছ। চৌধুৰী বজাৰ গাঁও পঞ্চায়তত গোচৰৰ অন্তিম শুনানি নোহোৱাতিলেকে চৌধুৰী বজাৰ গাঁও পঞ্চায়তৰ বেংক একাউণ্ট আৰু সকলো কাৰ্যকলাপক ওপৰত টচ ন্যায়ালয়ে ৰাখিব দৃষ্টি। চৌধুৰী বজাৰ গাঁও পঞ্চায়তৰ সভাপতি নিৰ্বাচনত মুহিবুৰ ৰহমান আৰু মাজনি বেগম দুয়ো জনে সমান ভোট লাভ কৰাত, দুয়ো জনৰ মাজত টচ প্ৰক্ৰিয়া হৈছিল। সেই টচত মুহিবুৰ ৰহমান বিজয়ী বুলি ঘোষিত হৈ উচ্চ ন্যায়ালয়ত আগতীয়াকৈ Caveat file কৰি ৰাখিছিল। কিন্তু উক্ত টচ সম্পূৰ্ণ অবৈধবাবে বিন্নাকান্দি থাৱ উন্নয়ন বিষয়া গৰাকীয়ে ন্যায়ালয়ৰ আদেশ অমান্য কৰি টচৰ ফলাফল ঘোষণা কৰিছিল। তেনে সময়তে আৰ এছ এছৰ মূল মানুহ মুছলমানক সকলে বাছিবাছি উচ্ছেদ চলাই আছে বিজেপি চৰকাৰে। বিজেপিয়ে নিজৰ ৰাজনৈতিক লাভালাভৰ বাবে ধৰ্ম্ম নামত ঘৃণনীয় ৰাজনীতি কৰি আছে। মুফতি মকিবুৰ ৰহমানে মুছলমানক সকলক বিজেপিক ভোট দিবলৈ আহ্বান কৰে। তেওঁ বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োক সমালোচনা কৰি কয় ইউপিপিএল আৰ এছ এছৰ দ্বাৰা পৰিচালিত হয় আৰু বিটিচিৰ ভিতৰত প্ৰমোদ বড়োই হ'ল আৰ এছ এছৰ মূল মানুহ। মুছলমানক আৰ এছ এছে কেতিয়াও বিশ্বাস কৰিব নোৱাৰে। তেনে সময়তে আৰ এছ এছৰ লগত প্ৰমোদ বড়োৰ সু- সম্পৰ্কই মুছলমানৰ বাবে ক্ষতিকাৰক। সেয়ে প্ৰমোদ বড়োক ভোট দিবলৈ আহ্বান জনায় ৰহমানে। তেওঁ প্ৰয়াত শ্ৰদ্ধেয় লাফিকুল ইছলামৰ হত্যা কৰাৰ কথা উল্লেখ কৰি কয় যোৱা পৰিষদীয় নিৰ্বাচনত প্ৰমোদ বড়োৱে লাফিকুল ইছলামৰ হত্যাকাৰীক শাস্তি দিয়াৰ প্ৰতিশ্ৰুতি দিছিল যদিও তেওঁৰ কাৰ্যকাল শেষ আজিলৈকে লফিকুলৰ পৰিয়ালে ন্যায় নাপালে। এইবেলি নিৰ্বাচনত বিপিএফৰ চৰকাৰ আহিলে শ্ৰহীদ লাফিকুলৰ পৰিয়ালে ন্যায় পাব বুলি কয় মুফতি মকিবুৰ ৰহমানে। সভাত বিপিএফ দলৰ ২য় নং পশ্চিম কোকৰাবাৰ সমষ্টিৰ বিধায়ক তথা আগন্তুক বিটিচিৰ পৰিষদীয় ৬ নং কচুগাঁও সমষ্টিৰ প্ৰাৰ্থী ৰবিবাম নাজৰীয়ে ভাষণত বিপিএফৰ চৰকাৰ আহিলে খাদ্য মাটিৰ সমস্যা সমাধান কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। ইউপিপিএলে চৰকাৰৰ কথা কোনো কাম কাজ কৰাত ব্যৰ্থ হৈছে। প্ৰতিশ্ৰুতি দি ৰাইজৰ লগত প্ৰতাৰণা কৰিলে। গতিকে এইবেলি নিৰ্বাচনত ৰাইজে বিকল্প হিচাপে বিপিএফক ভোট দিব আৰু বিটিচিত নিশ্চিত ভাৱে বিপিএফৰ চৰকাৰ হ'ব।

বিন্নাকান্দিৰ চৌধুৰীবজাৰ গাঁও পঞ্চায়তৰ অবৈধ টছৰ প্ৰসংগ উচ্চ ন্যায়ালয়ৰ মজিয়াত

ৰবখালাত ডঁ ভূপেন হাজৰিকাৰ জন্মজয়ন্তী উপলক্ষে "প্ৰণামো সুধাকণ্ঠ" শীৰ্ষক অনুষ্ঠান

অসম বার্তা, ৰাহাৰঘাট, ২৩ আগষ্ট ঃ নলবাৰী জিলাৰ অন্তৰ্গত ৰবখালাত ঈশ্বৰীয়ে সামাজিক সাংস্কৃতিক অনুষ্ঠান৷ৰ উদ্যোগত ডঃ ভূপেন হাজৰিকাৰ ৯৯সংখ্যক জন্ম জয়ন্তী উপলক্ষে আয়োজিত ভূপেন্দ্ৰ সংগীত কৰ্মশালাৰ সামৰণি অনুষ্ঠান 'প্ৰণামো সুধাকণ্ঠ' অহা সাত আৰু আঠ চেপ্তেম্বৰত দুদিনীয়াকৈ অনুষ্ঠিত কৰিব। সাত চেপ্তেম্বৰ দিনা উক্ত বৰ্ণিল উৎসবটোৰ আৰম্ভণি হব পুৱা আঠবজাত ঈশ্বৰীৰ পতাকা উত্তোলনেৰে। তাৰ পিচত ন-বজাত গছপুলি বোপণ আৰু আবেলি চাৰি বজাত ৰবভাগ অঞ্চলিক ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হব। সন্ধিয়া সাত বজাত অনুষ্ঠিত হব সৰবৰহী আৰু সমাজ প্ৰিয় মহিলা ফুলকন দাসৰ পবিত্ৰ সৌৱৰণত 'সংগীত সন্ধিয়া'। আঠ চেপ্তেম্বৰৰ পুৱা আঠবজাত চাফাই অভিযানেৰে অনুষ্ঠিত হব লগা অনুষ্ঠানটিত নাম কীৰ্তন, বস্তি প্ৰস্তুতন, চিত্ৰাংকন প্ৰতিযোগিতা আৰু আবেলি ৪ঃ৩০ বজাত নিৰুপমা দাসৰ স্মৃতিত "ড" ভূপেন হাজৰিকাৰ গীতত অসমীয়া সমাজৰ চিত্ৰন" শীৰ্ষক আলোচনা চক্ৰ অনুষ্ঠিত হ'ব।

জাগাৰা বস্তি চুবুৰীত এডাল প্ৰকাণ্ড অজগৰ উদ্ধাৰ

অসম বার্তা, ৰৰক্ষেত্ৰী, ২৩ আগষ্ট ঃ নলবাৰী জিলাৰ জগাধাৰা আৰি দুপৰীয়া প্ৰায় ২ বজাত এডাল প্ৰকাণ্ড অজগৰ উদ্ধাৰ হয়। জগাধা বস্তি চুবুৰীৰ বশিষ্ট বৈশ্য আৰু মণিকা বৈশ্যৰ গৃহৰ চৌহদত দুপৰীয়া ২ বজাত পৰিয়ালটোৰ মুবৰী বশিষ্ট বৈশ্যৰ পত্নী মণিকা বৈশ্যৰ ৰে'ডনেক মাতৃ কন্যাই চুবুৰীটোৰ লোকক ঘটনাটো অৱগত কৰোৱাত অঞ্চলটোৰ বহু লোকে পৰিয়ালটোত ভীৰ কৰে। অজস্ৰ লোকৰ উপস্থিতিত এক শ্বাসৰুদ্ধকৰ পৰিবেশত দুজোপা গছ কাটি অবশেষত বন বিভাগে উদ্ধাৰ কৰে বৃহৎ আকাৰৰ অজগৰ সাপডাল। স্থানীয় লোকে প্ৰায় ১৫ কেজি ওজনৰ আৰু ৯ ফুট দীঘল অজগৰডাল উদ্ধাৰ কৰিবলৈ আপ্ৰাণ চেষ্টা চলাই যদিও অজগৰডাল উঠি থকা কদম গছডালৰ বহু ওপৰত থকাত উদ্ধাৰ কৰিবলৈ সক্ষম নোহোৱাত বন বিভাগলৈ বৈ থাকে। ঘটনা সংবাদ পোৱাৰ পাছত ১ ঘণ্টা ভিতৰত নলবাৰী বন বিভাগৰ লোক উপস্থিত হয় অঞ্চলটোত। অবশেষত বেলেখ আৰক্ষী আৰু বন বিভাগৰ সহযোগত পুকাণ্ড আকাৰৰ সাপডাল উদ্ধাৰ কৰিবলৈ সক্ষম হয়। প্ৰকাণ্ড আকাৰৰ সাপডাল উদ্ধাৰ কৰিবলৈ পৰিয়ালটোক দুডালকৈ গছো কাটিবলগীয়াও হয়। উল্লেখ্য যে যোৱা কিছুদিন ধৰি নলবাৰী জিলাৰ বিভিন্ন প্ৰান্তত বিশেষকৈ গ্ৰামাঞ্চলসমূহত এনেদৰে প্ৰকাণ্ড আকাৰৰ অজগৰ উদ্ধাৰ হোৱা ঘটনাই সংকিত হৈ পৰিছে স্থানীয় লোকসকল।

কচুৰা অঞ্চললৈ গৌৰৰ কঢ়িয়াই অনা গৌউছুল আজামক সম্বৰ্দ্ধনা

সৰ্বভাৰতীয় NEET পৰীক্ষাত উজ্জ্বলিল গৌউছুল আজাম

অসম বার্তা, কচুৰা, ২৩ আগষ্ট ঃ সৰ্বভাৰতীয় নেট পৰীক্ষাত ৯৯৮ নম্বৰেৰে উত্তীর্ণ হয় নগাঁও জিলাৰ কচুৰাৰ জুৰিবাগাৰ শিক্ষক আজিজুৰ ৰহমানৰ পুত্ৰ সুস্থান গৌউছুল আজামে। সন্তানৰ সাফল্যত পিতৃ-মাতৃৰ চকুত আনন্দৰ চকুলো টুকি সংবাদ মাধ্যমৰ আগত ৰাইজৰ দোৱা আশীৰ্বাদ বিচাৰে। গৌউছুল আজামে সৰ্বভাৰতীয় নেট পৰীক্ষাত উত্তীর্ণ হৈ ডিফু মেডিকেল কলেজত চিকিৎসকৰ আসনত অধ্যয়নৰ বাবে সুবিধা লাভ কৰে। আজি গৌউছুল আজামৰ ঘৰত বিশিষ্ট ব্যক্তি জালাল উদ্দিন, ৰমজান আলী, আব্দুল হাসেন, সাহাজ উদ্দিন, নজৰুল ইছলাম, আই জুল হক, উচমান আলী, জুবিৰপাৰ গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি ইমদাদুল আলমে উপস্থিত হৈ গৌউছুল আজাম আৰু তেওঁৰ পিতৃ মাতৃক ফুলাম গামোচা আৰু জাপিৰে বিপুল সম্বৰ্দ্ধনা জনায়।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ডঁ প্ৰাঞ্জল বুঢ়াগোহাঁইৰ সাৰুৱা ভাষণ

কাটৰি চাপৰি হাইস্কুলত অনুপ্ৰেৰণামূলক বক্তব্য প্ৰদান অনুষ্ঠান

অসম বার্তা বিশেষ, লখিমপুৰ, ২৩ আগষ্ট ঃ আজি লখিমপুৰ জিলাৰ কদম বাজহু চক্ৰৰ কাটৰি চাপৰি হাই স্কুলত উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্য কৰি জীৱনত সফল হোৱাৰ বাবে কেনেদৰে আগবাঢ়ি লাগিব, এই সম্পৰ্কে অনুপ্ৰেৰণা মূলক বক্তব্য দাঙি ধৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষা তত্ত্ব বিভাগৰ সহযোগী অধ্যাপক তথা বিশিষ্ট অনুপ্ৰেৰণামূলক বক্তা ডঁ প্ৰাঞ্জল বুঢ়াগোহাঁইয়ে। সফল মানুহ বা ভাল মানুহ হ'বলৈ হ'লে জ্ঞান, প্ৰতিভা বা ইয়াৰ লগত জড়িত অন্যান্য দিশ বাঢ়িব লাগিব, বাঢ়িবলৈ হ'লে শিকিব লাগিব আৰু শিকিবলৈ হ'লে নিজকে সলনি কৰিব পাৰিব লাগিব আৰু সুযোগ পালে প্ৰথমতে ল'ব লাগিব। এনেদৰে মন্তব্য কৰে অধ্যাপক গৰাকীয়ে। কাটৰি চাপৰি হাই স্কুলৰ প্ৰধান শিক্ষক প্ৰশান্ত হাজৰিকা আৰু সমষ্ট শিক্ষক সমাজৰ উদ্যোগত অনুষ্ঠিত হয় অনুপ্ৰেৰণামূলক অনুষ্ঠানটিত শিক্ষাৰ্থীসকলক উদ্দেশ্য কৰি সাৰকা ভাষণ প্ৰদান কৰি ডঁ প্ৰাঞ্জল বুঢ়াগোহাঁয়ে ছাত্ৰ-ছাত্ৰীক কষ্ট কৰি তথা আগবঢ়ায়া হৈ জীৱন বাটত আগবাঢ়ি যাবলৈ কেইবাটাও সুন্দৰ দিশৰ সন্ধান দিয়ে। অনুষ্ঠানত শিক্ষাৰ্থীসকলে সমল ব্যক্তি গৰাকীক বিভিন্ন প্ৰশ্ন কৰে। লগতে এই সজাগতা সভা আৰু প্ৰশিক্ষণ বাহনা মহাবিদ্যালয়ৰ হীৰক জয়ন্তী উদ্‌যাপনত এক উল্লেখযোগ্য সংযোজন বুলি জানিবলৈ দিয়ে। উপাধ্যক্ষ ডঁ ইন্দ্ৰাণী বৰকাকতিয়ে ছাত্ৰ-ছাত্ৰীসকলক কঠোৰ পৰিশ্ৰম কৰি প্ৰস্তুতি কৰিবলৈ আহ্বান জনায়। শ্ৰী দত্তই প্ৰস্তুতিৰ বিভিন্ন উৎসমূহৰ বিষয়ে আলোচনা কৰে আৰু ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ দিয়ে। সমন্বয়ক ডঁ পংকজ বৰাই কাৰ্যসূচী সঞ্চালনা কৰি ছাত্ৰ-ছাত্ৰীসকলক গ্ৰন্থাগাৰৰ সুবিধা ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰে। তেওঁ শ্ৰী দত্ত, ন্যাসৰ দাতা অৱসৰপ্ৰাপ্ত অধ্যাপিকা বিননা বৰা আৰু অৱসৰপ্ৰাপ্ত অধ্যাপক হৰেশ্বৰ বৰাক তেওঁলোকৰ অমূল্য সহযোগিতাৰ বাবে ধন্যবাদ জনায়।

বাহনা মহাবিদ্যালয়ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰশিক্ষণ কাৰ্যসূচী

অসম বার্তা, নিমাতীঘাট, ২৩ আগষ্ট ঃ যোৱা ২১ আগষ্ট তাৰিখে বাহনা মহাবিদ্যালয়ৰ আশিস বৰা সৌৱৰণি প্ৰতিযোগিতামূলক পৰীক্ষা প্ৰচাৰ ন্যাসৰ পৃষ্ঠপোষকতা আয়োগ (APSC) আৰু অন্যান্য প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰশিক্ষণ ক্লাছৰ উদ্ঘাটনী কৰা হয়। এই উদ্ঘোধনী অনুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত আছিল মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ শ্ৰী কংকন কিশোৰ দত্ত। শ্ৰী দত্তই বৰ্তমান জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সহকাৰী গাণনিক বিষয়ৰ দায়িত্ব বহন কৰি আছে আৰু কিছুদিনতে SCERT ৰ উপ-সঞ্চালক হিচাপে যোগদান কৰিব। তেওঁ APSC আৰু অন্যান্য পৰীক্ষাৰ প্ৰস্তুতিৰ বিষয়ে নিজৰ অভিজ্ঞতা দাঙি ধৰে আৰু ছাত্ৰ-ছাত্ৰীক বহু মূলবান পৰামৰ্শ আগবঢ়ায়। অধ্যক্ষ ডঁ চুম্বি চলিহাই উদ্বোধনী ভাষণত প্ৰয়াত আশিস বৰাৰ পৰিয়ালক অৰ্থ সাহায্য বাবে ধন্যবাদ জনায় আৰু বিগত দুটা বছৰৰ দৰে এইবাৰো এই ন্যাসৰ উদ্যোগত ছাত্ৰ ছাত্ৰীসকলৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতি চলাই উপকৃত হ'ব বুলি আশা প্ৰকাশ কৰে। লগতে এই সজাগতা সভা আৰু প্ৰশিক্ষণ বাহনা মহাবিদ্যালয়ৰ হীৰক জয়ন্তী উদ্‌যাপনত এক শিলস্তম্ভ। সম্মান গ্ৰহণ কৰি পুণ্য কলিতই কৃতজ্ঞতা প্ৰকাশ কৰি কয় এই সম্মান কেবল মোৰ নহয়, অভয়াপুৰীৰ সকলো কৃষকৰ। মই অসমীয়া জনতাৰ প্ৰতিনিধিত্বকাৰী নতুন অভিজ্ঞতা গ্ৰহণ কৰি কৃষকসকলৰ মাজত বন্টন কৰি যাম। ইউ, এম, আৰ, চি ভিজনাৰী ফাউণ্ডেচনৰ তৰফৰ পৰা জনোৱা হয় যে, আগন্তুক দিনত এইধৰণৰ সম্মান বিভিন্ন ক্ষেত্ৰত অসাধাৰণ অবদান আগবঢ়োৱা ব্যক্তি তথা সমাজ সেৱকসকলক প্ৰদান কৰি যোৱা হ'ব। ফাউণ্ডেচনৰ লক্ষ্য হৈছে সমাজত নিঃস্বাৰ্থভাবে কাম কৰা লোকসকলক আগবঢ়াই নে যোৱা আৰু তেওঁলোকৰ কৰ্মৰ যোগেদি অন্যকো অনুপ্ৰাণিত কৰা। আজি অনুষ্ঠানত উপস্থিত থাকি ফাউণ্ডেচনৰ মুখ্য উপদেষ্টা পৰমানন্দ ৰাজবংশী, সঞ্চালক উত্তম কুমাৰ মণ্ডল, সঞ্চালিকা ৰুনিমা ছেত্ৰীৰ লগতে কাজল ঘোষ, কুঞ্জ কিশোৰ অধিকাৰী, উৎপল দাস, নয়না দেৰী, প্ৰিয়াংকা মাৰাক, দুলাল দে আৰু কৃষক পুণ্য কলিতাৰ সহ ধৰ্মীনি ৰেণুকা কলিতা চৌধুৰী।

অভয়াপুৰীৰ কৃষক পুণ্য কলিতক "সোণালী শস্য" সম্মানেৰে সম্মানিত ইউ. এম. আৰ. চি ভিজনাৰী ফাউণ্ডেচনৰ

অসম বার্তা, অভয়াপুৰী, ২৩ আগষ্ট ঃ সমাজত ইতিহাচক পৰিবৰ্তন আৰু কৃষিক্ষেত্ৰত নব দিশ উন্মোচন কৰাৰ উদ্দেশ্যেৰে ইউ, এম, আৰ, চি ভিজনাৰী ফাউণ্ডেচনৰ উদ্যোগত অভয়াপুৰীৰ কৃষক পুণ্য কলিতাক "সোণালী শস্য" সম্মানেৰে সম্মানিত

লাখপতি বাইদেউ আঁচনিৰ

আঁচনিৰ অধীনত শুকুৰবাৰে নলবাৰীত হিতাধিকাৰী মহিলাসকলৰ মাজত চেক বিতৰণৰ এক কাৰ্যসূচী অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নলবাৰীৰ ঘণ্টাপাৰ হাইস্কুল খেলপথাৰত এই আঁচনিৰ প্ৰথম পৰ্যায়ৰ আনুষ্ঠানিক উদ্বোধন কৰে, যাঁত প্ৰায় ৩৪, ০০০ মহিলাই ১০ হাজাৰ টকাৰ চেক লাভ কৰিব। কিন্তু এই আনন্দমুখৰ পৰিবেশৰ মাজতে বাহজানীৰ বৃদ্ধকুঁহি গাঁৱৰ সৰলা দেৱীৰ আকস্মিক মৃত্যুৰ ঘটনাই অঞ্চলবাসীৰ মাজত শোকৰ ছাঁ পেলাইছে। লাখপতি বাইদেউ হোৱাৰ সপোন লৈ সৰলা দেৱীয়ে অন্যান্য মহিলাসকলৰ সৈতে উৎসাহেৰে চেক বিতৰণৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিছিল। তেওঁ সফলভাবে ১০ হাজাৰ টকাৰ চেক লাভ কৰি ঘৰলৈ উভতি আহে। কিন্তু ঘৰ পোৱাৰ পিছতে তেওঁ হঠাৎ অসুস্থ হৈ পৰে আৰু শুকুৰবাৰে নিশা নিজৰ বাসগৃহতে শেষ নিশ্বাস ত্যাগ কৰে। জানিব পৰা মতে, সৰলা দেৱী দীঘলীয়া ধৰি ডায়েবেটিছ আৰু হৃদৰোগত ভুগি আছিল। কিন্তু তেওঁৰ মৃত্যুৰ প্ৰকৃত কাৰণ হিটষ্ট্ৰোক হোৱাৰ সন্দেহ কৰা হৈছে। সৰলা দেৱীৰ এই আকস্মিক মৃত্যুৰ ফলত তেওঁৰ পৰিয়ালত ভাগ্যে গোটেই বাহজানী অঞ্চল শোকস্তব্ধ। তেওঁৰ এগৰাকী আত্মীয়ই কয়, "তেওঁ অনুষ্ঠানলৈ গৈছিল আৰু চেক লৈ ঘৰলৈ আছিছিল। কিন্তু ঘৰ পোৱাৰ পিছত তেওঁ অসুস্থ হৈ পৰে। লাখপতি বাইদেউ হোৱাৰ সপোন লৈ গৈছিল, কিন্তু সেই সপোন অধৰা হৈ ৰ'ল। চৰকাৰৰ পৰা সাহায্য পালে ভাল হয়।" শুকুৰবাৰে নলবাৰীৰ ঘণ্টাপাৰত অনুষ্ঠিত চেক বিতৰণৰ কাৰ্যসূচীত হাজাৰ মহিলাৰ সমাগম ঘটিছিল। কিন্তু প্ৰচণ্ড গৰম আৰু ভিৰৰ ঠেলা-হেঁচাত কাৰ্যসূচীত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছিল। এই পৰিস্থিতিত বহু মহিলা মূৰ্ছা গৈছিল, আৰু প্ৰায় ২৫ গৰাকী মহিলাক নলবাৰী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। চিকিৎসাৰ পিছত অধিকাংশ মহিলাক ঘৰলৈ পঠিওৱা হৈছিল। কিন্তু সৰলা দেৱীক অন্তৰ্ভান সময়ত কোনো সমস্যা নাথাকিলেও ঘৰ পোৱাৰ পিছত তেওঁৰ মৃত্যু হোৱাত ঘটনাই সকলোকে স্তম্ভিত কৰি তুলিছে। শনিবাৰে পুৱা বাহজানীৰ বাজহাটা শ্মশানত সৰলা দেৱীৰ শেষকৃত্য সম্পন্ন হয়। তেওঁৰ মৃত্যুৰ খবৰে গোটেই অঞ্চলত শোকৰ পৰিবেশৰ সৃষ্টি কৰিছে। স্থানীয় লোকে তেওঁৰ পৰিয়ালৰ প্ৰতি সমবেদনা জ্ঞাপন কৰিছে আৰু চৰকাৰৰ পৰা সাহায্যৰ আশা কৰিছে। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ জৰিয়তে অসমৰ প্ৰায় ৪০ লাখ আয়সহায়ক গোটৰ মহিলাক অৰ্থনৈতিকভাবে স্বাৱলম্বী কৰাব লক্ষ্য লোৱা হৈছে। এই আঁচনিৰ অধীনত প্ৰথম পৰ্যায়ত হিতাধিকাৰীসকলে ১০ হাজাৰ টকাৰ বীজ মূলধন লাভ কৰিব, আৰু পৰৱৰ্তী পৰ্যায়ত আৰিহণ ঋণ আৰু অনুদানৰ ব্যৱস্থা কৰা হ'ব। এই উদ্যোগৰ জৰিয়তে মহিলাসকলৰ উদ্যমিতাক সম্ভাৱনাক কাজলাগে কৰি তেওঁলোকৰ জীৱনমান উন্নত কৰাব পৰিকল্পনা কৰা হৈছে। কিন্তু সৰলা দেৱীৰ মৃত্যুৰ দৰে ঘটনাই এই কাৰ্যসূচীৰ সফলতাৰ মাজতো এক শোকাৰহ পৰিস্থিতিৰ সৃষ্টি কৰিছে।

চীনলৈ ভাৰতৰ ৰপ্তানি

ভাৰতৰ চীনমুখী সামগ্ৰী ৰপ্তানি বিগত বছৰৰ তুলনাত ২০ শতাংশ বৃদ্ধি পাই ৫.৭৬ বিলিয়ন মাৰ্কিন ডলাৰ (প্ৰায় ৫০,১১২ কোটি টকা)ত উপনীত হৈছে। বিশেষকৈ মে' মাহত ভাৰতৰ ৰপ্তানি ১.৬৩ বিলিয়ন ডলাৰত উপনীত হৈছে, যি ২০২৪ চনৰ মে' মাহৰ ১.৩২ বিলিয়ন ডলাৰৰ তুলনায় উল্লেখযোগ্য বৃদ্ধি। এগৰাকী শীৰ্ষ চৰকাৰী বিষয়ই জনোৱা মতে, "চীনলৈ ধাৰাবাহিকভাবে ৰপ্তানি বৃদ্ধিয়ে ভাৰতৰ বাণিজ্যিক সক্ষমতা আৰু বিশ্ব বাণিজ্যৰ অনিশ্চয়তাৰ মাজতো প্ৰতিযোগিতামূলক শক্তি প্ৰতিফলিত কৰে। এই প্ৰগণতা বিশ্ব বাণিজ্যৰ জটিল পৰিস্থিতিতে চীনৰ সৈতে ভাৰতৰ বাণিজ্যৰ স্থিতিশীলতা নিশ্চিত কৰিছে।" মাহৱাৰী তথ্য অনুসৰি, এপ্ৰিল মাহত চীনলৈ ৰপ্তানি ১.২৫ বিলিয়ন ডলাৰৰ পৰা বৃদ্ধি পাই ১.৩৯ বিলিয়ন ডলাৰত উপনীত হৈছে। জুন মাহত ১৭ শতাংশ বৃদ্ধিৰ সৈতে ১.৩৮ বিলিয়ন ডলাৰ আৰু জুলাই মাহত ১.০৬ বিলিয়ন ডলাৰৰ পৰা ১.৩৫ বিলিয়ন ডলাৰ ৰপ্তানি অব্যাহত আছিল। ২০২৫ৰ এপ্ৰিলৰ পৰা জুনলৈ চীনলৈ ভাৰতৰ ৰপ্তানিত শক্তি, ইলে'নি', আৰু কৃষিভিত্তিক সামগ্ৰীৰ আধিপত্য দেখা গৈছে। পেট্ৰলিয়াম পণ্যৰ ৰপ্তানি প্ৰায় দুগুণ বৃদ্ধি পাই ৮৮৩ মিলিয়ন ডলাৰত উপনীত হৈছে। ইলে'নি'নিক সামগ্ৰীৰ ৰপ্তানি তিনিগুণ বৃদ্ধিৰ সৈতে ৫২১ মিলিয়ন ডলাৰত পৰিণত হৈছে। জৈবিক আৰু অজৈবিক ৰাসায়নিকৰ ৰপ্তানি ১৬.৩ শতাংশ বৃদ্ধি পাই ৩৩৫.১ মিলিয়ন ডলাৰত উপনীত হৈছে। এই সময়ছোৱাত বস্ত্ৰ আৰু গহনাৰ ৰপ্তানিয়ে ২.৭ শতাংশৰ উল্লেখযোগ্য বৃদ্ধি পৰিলক্ষিত হৈছে। চীনলৈ ৰপ্তানিৰ এই বৃদ্ধিয়ে ভাৰত আৰু চীনৰ মাজৰ বাণিজ্যিক ভাৰসাম্যত উন্নতিৰ ইংগিত দিছে। পৰম্পৰাগতভাবে ভাৰতৰ চীনৰ সৈতে বৃহৎ বাণিজ্য ঘাটিৰ সমস্যা আছিল, যি ২০২৪-২৫ বিত্তীয় বৰ্ষত ৯৯.২ বিলিয়ন ডলাৰ আছিল। চলিত বছৰৰ ৰপ্তানিৰ এই ইতিবাচক প্ৰগণতাই বাণিজ্য ঘাটি হ্ৰাস কৰাৰ সম্ভাবনা সৃষ্টি কৰিছে।

আমেৰিকালৈ ডাক সেৱা

ডলাৰ পৰ্যন্ত মূল্যৰ সামগ্ৰীৰ শুল্কমুক্ত ডি মিনিমিছ ৰেহাই প্ৰত্যাহাৰ কৰা হৈছে। এই আদেশৰ ফলত ২৯ আগষ্ট ২০২৫ৰ পৰা আমেৰিকালৈ প্ৰেৰিত সকলো ডাক সামগ্ৰী, মূল্য নিৰ্বিশেষে, আন্তঃৰাষ্ট্ৰীয় জৰুৰী অৰ্থনৈতিক ক্ষমতা আইন (IEEPA)ৰ শুল্ক কাঠামোৰ অধীনত শুল্কযোগ্য হ'ব। তবে, ১০০ মাৰ্কিন ডলাৰ পৰ্যন্ত মূল্যৰ উপহাৰ সামগ্ৰী এই শুল্কৰ পৰা মুক্ত থাকিব। নতুন আদেশ অনুসৰি, আন্তঃৰাষ্ট্ৰীয় ডাক পৰিবহণৰ দায়িত্বত থকা পৰিবহণ কৰ্তৃপক্ষ বা আমেৰিকাৰ কাষ্টমছ এণ্ড বৰ্ডাৰ প্ৰটেকচন (CBP)ৰ দ্বাৰা অনুমোদিত "qualified parties"ক শুল্ক সংগ্ৰহ আৰু প্ৰেৰণৰ দায়িত্ব পালন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। যদিও CBP-এ ১৫ আগষ্ট ২০২৫ত প্ৰাথমিক নিৰ্দেশনা জাৰি কৰিছিল, তথাপি "qualified parties"ৰ মনোনয়নৰ প্ৰক্ৰিয়া আৰু শুল্ক সংগ্ৰহৰ ব্যৱস্থাৰ বিশাল তথ্য এতিয়াও চূড়ান্ত হোৱা নাই। এই অস্পষ্টতাৰ কাৰণে আমেৰিকামুখী ডাক পৰিবহণৰ দায়িত্বত থকা বিমান পৰিবহণ কৰ্তৃপক্ষসমূহে ২৫ আগষ্টৰ পৰা ডাক সামগ্ৰী গ্ৰহণ কৰিবলৈ অক্ষমতা প্ৰকাশ কৰিছে, কিয়নো তেওঁলোকৰ নতুন নিয়ম পালনৰ বাবে প্ৰযুক্তিগত আৰু কাৰকীগী প্ৰস্তুতি অপৰ্যাপ্ত। এই পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় ডাক বিভাগে ২৫ আগষ্টৰ পৰা আমেৰিকালৈ সকলো প্ৰকাৰৰ ডাক সামগ্ৰী বুকিং স্থগিত কৰাৰ সিদ্ধান্ত লৈছে। চিঠি, নথিপত্ৰ, আৰু ১০০ মাৰ্কিন ডলাৰ পৰ্যন্ত মূল্যৰ উপহাৰ সামগ্ৰী এই স্থগিতাদেশৰ পৰা মুক্ত থাকিব আৰু এই সামগ্ৰী CBP আৰু ই.উনাইটেড ষ্টেটছ পোষ্টাল চাৰ্ভিচ (USPS)ৰ অধিক নিৰ্দেশনাৰ ভিত্তিত প্ৰেৰণ কৰা হ'ব। ইতিমধ্যে বুকিং কৰা কিন্তু নতুন নিয়মৰ অধীনত প্ৰেৰণ কৰিব নোৱাৰা ডাক সামগ্ৰীৰ গ্ৰাহকসকলে ডাক খৰচৰ বিকাশৰ বাবে আবেদন কৰিব পাৰিব। ডাক বিভাগে এই অসুবিধাৰ বাবে দুঃখ প্ৰকাশ কৰি সকলো সংশ্লিষ্ট পক্ষৰ সৈতে সমন্বয় ৰক্ষা কৰি পৰিস্থিতিৰ উন্নতিৰ দিশত কাম কৰি আছে। প্ৰেছ তথ্য ব্যুৰো (PIB)ৰ মতে, আমেৰিকাৰ সম্পূর্ণ ডাক সেৱা যিমান সোনকালে সম্ভৱ পুনৰ আৰম্ভ কৰাব প্ৰচেষ্টা চলি আছে।

গোৱালপাৰাত জিলা প্ৰশাসনৰ

লগাই ভাঙি দিয়ে। ফৰেষ্ট গেটৰ পৰা শীলবজাৰ পৰ্যন্ত যোৱা পথত এই অভিযান সম্পন্ন হয়। অভিযান চলাব লগে লগে অঞ্চলটোত উত্তপ্ত পৰিবেশৰ সৃষ্টি হয়। ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কৰ্মীসকলে হাতে হাতে প্লেকাৰ্ড আৰু বেনাৰ লৈ "হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ, আমাক মাটি লাগিবই, অধৈৰ উচ্ছেদ নচলিব" আদি শ্লোগানেৰে আৰি শ্লোগানেৰে উচ্ছেদৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰা হ'ব। অনাফালে জিলা আয়ুক্ত প্ৰদীপ তিমুজে সংবাদমেলত স্পষ্ট কৰে যে আজিৰ অভিযান বনাঞ্চলৰ ক্ষেত্ৰত নহয়, পথাৰ চৰকাৰী মাটি উদ্ধাৰ কৰাৰ উদ্দেশ্যে কৰা হৈছে। "ময়লাপথাৰ বজাৰ পৰা ৰাঙ্কসিনীলৈকে পথৰ কাষৰ মাটি দীৰ্ঘদিন ধৰি বেদখল হৈছিল। জনসাধাৰণক জাননী দিয়াৰ পাছতো খালি কৰা নাছিল, সেইবাবেই শেষত অভিযান চলাব লগা হৈছিল, "বুলি তেওঁ মন্তব্য কৰে। তেওঁ লগতে কয়, ৰাঙ্কসিনী সংৰক্ষিত বনাঞ্চলত বসবাস কৰি থকা পৰিয়ালক সতৰ্ক কৰা হৈছে। প্ৰশাসনে আশা কৰিছে, লোকসকলে নিজে নিজে সেই অঞ্চলৰ পৰা আঁতৰি যাব।

উপ-ৰাষ্ট্ৰপতি পদৰ মনোনয়ন

দাখিল কৰি আৰম্ভ হৈছিল। যদিও সেইসময়ে মনোনয়ন প্ৰতিবাৰেই নাকচ হৈ গৈছে, এইবাৰো একেধৰণৰ পৰিণতিৰ সম্ভাবনা যথেষ্ট প্ৰবল বুলি বিশেষকসকলে মত প্ৰকাশ কৰিছে। চৰকাৰী কৰ্মচাৰীসকলৰ অধিকাৰ আৰু সমস্যাসমূহৰ প্ৰধান বিষয় কৰি তুলি জগত সিঙে প্ৰতিটো নিৰ্বাচনী যুঁজত অংশ লয়। তেওঁৰ দৃষ্টিভংগী অনুসৰি, কৰ্মচাৰীসকলক অধিকাৰ আৰু সুবক্ষা প্ৰদান নকৰিলে প্ৰশাসনিক ব্যবস্থাত কোনো ধৰণৰ উন্নয়ন সম্ভৱ নহয়। তেওঁৰ মূল লক্ষ্য হৈছে সকলো চৰকাৰী কাৰ্যালয় খালী পদসমূহক দ্ৰুততাৰে নিয়মীয়া প্ৰক্ৰিয়াৰে পূৰণ কৰা, যাতে ব্যৱস্থাপনাৰ দক্ষতা বৃদ্ধি পায় আৰু কৰ্মচাৰীসকলৰ অসন্তুষ্টি দূৰ হয়। জগত সিঙৰ এছোৱাত থাকা বিদ্যুৎ নিগমত মিটাৰ ৰিডাৰ হিচাপে আৱদ্ধ হৈছিল আৰু তেওঁ ৩৬ বছৰ ২ মাহৰ দীঘ কৰ্মকালত বিভিন্ন পদত দায়িত্ব পালন কৰিছিল। ২০১৯ চনত উচ্চ সমেগুদ কেৰাণী (UDC) পদৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পিছত তেওঁ সোঁতে বাজনীতিত প্ৰৱেশ কৰি ৰাষ্ট্ৰপতি পদৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ সিদ্ধান্ত লয়। এই সিদ্ধান্তই তেওঁক এক অনন্য ৰাজনৈতিক যোজনাৰ কথাত পৰিচিত কৰাইছে। তেওঁৰ ৰাজনৈতিক যাত্ৰাত ২০১২, ২০১৭ আৰু ২০২২ চনত ৰাষ্ট্ৰপতি পদৰ বাবে মনোনয়ন দাখিল কৰাৰ ঘটনাই বিশেষভাবে উল্লেখযোগ্য। ২০১২ চনত প্ৰণৱ মুখাৰ্জী আৰু পি এ চাংমাৰ মাজত হোৱা প্ৰতিযোগিতাত তেওঁ অংশ লৈছিল। ২০১৭ চনত শাসকীয় প্ৰাৰ্থী বামনাথ কোবিন্দ আৰু বিৰোধী প্ৰাৰ্থী মীৰা কুমাৰৰ মাজত যুঁজ চলিছিল। আকৌ ২০২২ চনত দ্ৰৌপদী মুৰ্মু আৰু যশৱন্ত সিনহাৰ প্ৰতিদ্বন্দ্বিতাত তেওঁ মনোনয়ন দাখিল কৰিছিল। কিন্তু প্ৰতিবাৰেই সাংসদসকলৰ যথোচিত সমৰ্থনৰ অভাৱত তেওঁৰ মনোনয়ন বাতিল হৈ গৈছে, যিটো তেওঁৰ বাবে এক বাৰম্বাৰ অভিজ্ঞতা হৈ পৰিছে। ভাৰতীয় নিৰ্বাচনী ব্যৱস্থাত ৰাষ্ট্ৰপতি পদৰ মনোনয়নৰ বাবে কমেও ৫০জন সাংসদৰ প্ৰস্তাৰক আৰু ৫০ জনক অনুমোদক হিচাপে থকাটো বাধ্যতামূলক। এক্ষেত্ৰে উপ-ৰাষ্ট্ৰপতি পদৰ ক্ষেত্ৰত এই সংখ্যা ২০জন প্ৰস্তাৰক আৰু ২০জন অনুমোদকৰ, অৰ্থাৎ মুঠ ৪০জন সাংসদৰ সমৰ্থনৰ প্ৰয়োজন। জগত সিঙে এইবাৰো কোনো সাংসদৰ পৰা সমৰ্থন লাভ কৰিবলৈ সক্ষম নোহোৱাত তেওঁৰ মনোনয়ন বাতিল হোৱাৰ সম্ভাবনা অতি বেছি, যিটো তেওঁৰ পূৰ্বৰ অভিজ্ঞতাৰ সৈতে মিল খায়। জগত সিঙৰ ৰাজনৈতিক অভিযান কেৱল ৰাষ্ট্ৰপতি বা উপ-ৰাষ্ট্ৰপতি পদত সীমাবদ্ধ নহয়। তেওঁ দুবাৰকৈ লোকসভা নিৰ্বাচনত আৰু এবাৰ বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছে। ২০১৯ চনত হাৰিয়ানাৰ ভিৱানী মহেন্দ্ৰগড় লোকসভা আসনৰ পৰা নিৰ্দলীয় প্ৰাৰ্থী হিচাপে তেওঁ ৭৩৯টা ভোট লাভ কৰিছিল। ২০২৪ চনত ছিছাৰ লোকসভা আসনত প্ৰতিদ্বন্দ্বিতা কৰি তেওঁ ৩৮২টা ভোট পাইছিল। একেবছৰে ভিৱানী বিধানসভা আসনৰ পৰা তেওঁৰ লাভ কৰা ভোটৰ সংখ্যা আছিল ৭২টা। এইসমূহ ফলাফলে যদিও সীমিত, তথাপি তেওঁৰ অধ্যবসায়ক প্ৰতিফলিত কৰে। জগত সিঙে স্পষ্টকৈ ঘোষণা কৰিছে যে তেওঁৰ লক্ষ্য কোনো নিৰ্দিষ্ট পদ লাভ কৰা নহয়, বৰঞ্চ এক বিশেষ উদ্দেশ্য পূৰণ কৰা। তেওঁৰ প্ৰধান দাবীসমূহৰ ভিতৰত অন্তৰ্ভুক্ত হৈছে সকলো চৰকাৰী বিভাগত খালী পদসমূহক নিয়মীয়া প্ৰক্ৰিয়াৰে পূৰণ কৰা, এগ্ৰেচিয়া নীতিৰ কঠোৰ কপাণায়, কৰ্মচাৰীসকলৰ বেলাছ আৰু পেঞ্চনৰ সুবিধা প্ৰদান কৰা আৰু SYL খাললপানীক পাকিস্তানৰ পৰিবৰ্তে হাৰিয়ানা আৰু ৰাজস্থানলৈ নিৰ্দেশিত কৰা। এই দাবীসমূহে তেওঁক চৰকাৰী কৰ্মচাৰীসকলৰ মাজত এক জনপ্ৰিয় কণ্ঠস্বৰ কৰি তুলিছে, যদিও ৰাজনৈতিক সফলতা এতিয়াও দুৰবৰ্তী।

৮ ছেপ্টেম্বৰৰ পৰিৱৰ্তে

আছিল। কিন্তু বিশেষ কাৰণবশত তেওঁৰ ভ্ৰমণ এতিয়া ১৩ ছেপ্টেম্বৰৰ বাবে নিৰ্ধাৰিত হৈছে। ধাৰণা কৰা হৈছে যে ৯ ছেপ্টেম্বৰত অনুষ্ঠিত হ'লদীগীয়া উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ কাৰণে এই সিদ্ধান্ত লোৱা হৈছে। এই সময়সূচী সলনি পিছত শুকুৰবাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা দিল্লীলৈ ৰাওনা হয়। সাংস্কৃতিক মন্ত্ৰী বিমল বড়ুৱা কাৰ্যালয়ে জানিবলৈ দিয়ে যে প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণ আৰু ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ কাৰ্যসূচী ১৩ ছেপ্টেম্বৰৰ পৰা আ�ৱদ্ধ হ'ব। ১৩ এপ্ৰিলত অসম চৰকাৰৰ কেবিনেটে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী ২০২৫ চনৰ ৮ ছেপ্টেম্বৰৰ পৰা ২০২৬ চনৰ ৮ ছেপ্টেম্বৰলৈ বছৰজোৰা কাৰ্যসূচীৰ উদযাপনৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। এই উদযাপনৰ উদ্বোধনী অনুষ্ঠান মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা দিল্লীলৈ ৰাওনা হয়। সাংস্কৃতিক মন্ত্ৰী বিমল বড়ুৱা কাৰ্যালয়ে জানিবলৈ দিয়ে যে প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণ আৰু ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ কাৰ্যসূচী ১৩ ছেপ্টেম্বৰৰ পৰা আ�ৱদ্ধ হ'ব। ১৩ এপ্ৰিলত অসম চৰকাৰৰ কেবিনেটে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী ২০২৫ চনৰ ৮ ছেপ্টেম্বৰৰ পৰা ২০২৬ চনৰ ৮ ছেপ্টেম্বৰলৈ বছৰজোৰা কাৰ্যসূচীৰ উদযাপনৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। এই উদযাপনৰ উদ্বোধনী অনুষ্ঠান মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা দিল্লীলৈ ৰাওনা হয়। সাংস্কৃতিক মন্ত্ৰী বিমল বড়ুৱা কাৰ্যালয়ে জানিবলৈ দিয়ে যে প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণ আৰু ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী কাৰ্যসূচীৰ বিষয়ে বিশদভাৱে অৱগত কৰে। তেওঁ জনাই যে ৮ ছেপ্টেম্বৰত জালুকবাৰীত ড° ভূপেন হাজৰিকাৰ সমাধিস্থলত তেওঁৰ জন্মবাৰ্ষিকীৰ এক বিশেষ অনুষ্ঠান আয়োজন কৰা হ'ব। ইয়াৰ উপৰিও ১৩ ছেপ্টেম্বৰত প্ৰধানমন্ত্ৰীৰ উপস্থিতিত শতবাৰ্ষিকীৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হ'ব। জন্ম শতবাৰ্ষিকীৰ উদ্বোধনী অনুষ্ঠানত অসমৰ বিভিন্ন প্ৰান্তৰ এছোৱাক শিল্পীয়ে ড° ভূপেন হাজৰিকাৰ ১৪টা বিখ্যাত গীত আৰু কবিতা পৰিবেশন কৰিব। এই অনুষ্ঠানত সুধাকণ্ঠৰ সান্নিধ্য লাভ কৰা বাজিসকলক অংশগ্ৰহণৰ ব্যৱস্থাও কৰা হৈছে বুলি কোৱা হৈছে। ইয়াৰ উপৰিও, এই উপলক্ষে ৰজিতাখুৱাই একটি স্মাৰক মুদ্ৰা প্ৰকাশৰ পৰিকল্পনা কৰা হৈছে, যাৰ বিষয়ে মন্ত্ৰীৱাড়ী সমগ্ৰ হাজৰিকাক অৱগত কৰে। ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী অসমৰ সাংস্কৃতিক ইতিহাসত এক গুৰুত্বপূৰ্ণ ঘটনা। তেওঁৰ গীত, কবিতা আৰু শিকৰূপে অসমীয়া সমাজৰ পৰিচয়ত আৰু গৌৰৱৰ প্ৰতীক হিচাপে বিশ্বজুৰি স্বীকৃতি লাভ কৰিছে। এই বৰ্ষজোৰা উদ্যাপনৰ জৰিয়তে অসম চৰকাৰে তেওঁৰ অবদানক স্মৰণ কৰাৰ লগতে নতুন প্ৰজন্মক তেওঁৰ সৃষ্টিৰ সৈতে পৰিচিত কৰাৰ প্ৰয়াস কৰিছে। প্ৰধানমন্ত্ৰীৰ অংশগ্ৰহণে এই অনুষ্ঠানৰ গুৰুত্বক আৰু বৃদ্ধি কৰিব, আৰু এই কাৰ্যসূচীয়ে অসমৰ সাংস্কৃতিক ঐতিহ্যক জাতীয় পৰ্যায়ত উজ্জ্বল কৰি তুলিব বুলি আশা কৰা হৈছে।

দেশৰ ১২ গৰাকী

কোনোবাই ৩০ দিন কাৰাগাৰত বন্দী হয়, তেন্তে তেওঁক পদত্যাগ কৰিবলৈ বাধ্য কৰা হ'ব। এই নিয়ম প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰী বা মন্ত্ৰীসকলৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব। বিৰোধীয়ে অভিযোগ কৰিছে যে মোদী চৰকাৰে এই বিধেয়কক অস্ত্ৰ হিচাপে ব্যবহাৰ কৰি বাজ চৰকাৰসমূহ অস্থিৰ কৰিবলৈ চেষ্টা কৰিছে। এনে পৰিস্থিতিত দেখা গৈছে যে দেশৰ মুঠ ৩০ গৰাকী মুখ্যমন্ত্ৰীৰ ভিতৰত ১২ গৰাকীৰ বিৰুদ্ধে অপৰাধমূলক গোচৰ আছে, যিটো মুঠ মুখ্যমন্ত্ৰীসকলৰ ৪০ শতাংশ। প্ৰতিবেদন অনুসৰি, সৰ্বাধিক গোচৰ থকা মুখ্যমন্ত্ৰী হৈছে তেলেংগানাৰ ৰেৱন্ত ৰেড্ডী, যাৰ বিৰুদ্ধে ৯৯টা গোচৰ। দ্বিতীয় স্থানত আছে তামিলনাড়ুৰ এম কে ষ্টেলিনৰ ৪৭টা গোচৰ। এন ডি এ'ৰ অংশীদাৰ অন্ধ্ৰপ্ৰদেশৰ চন্দ্ৰবাবু নাইডুৰ বিৰুদ্ধে ১৯টা, কণ্টিকৰ সিদ্ধৰামেয়াৰ ১৩টা, ঝাৰখণ্ডৰ হেমন্ত ছ'ৰেনৰ ৫টা, মহাৰাষ্ট্ৰৰ দেৱেন্দ্ৰ ফাদনভিছৰ ৪টা, হিমাচল প্ৰদেশৰ সুখবিন্দৰ সিংৰ ৪টা, কেৰেলাৰ পিনাৰায়ী বিজয়নৰ ২টা আৰু পণ্ডাৰৰ ভগৱন্ত মানৰ ১টা অপৰাধমূলক গোচৰ আছে। ইয়াৰ উপৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন্ত্ৰীসভাৰ ৭১জন মন্ত্ৰীৰ ভিতৰত ২৮ জনৰ বিৰুদ্ধেও অপৰাধমূলক গোচৰ চলি আছে। বুধবাৰে লোকসভাত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই ১৩০ সংখ্যক সাংবিধান সংশোধনী বিধেয়ক উত্থাপন কৰিব। বিধেয়কত কোৱা হৈছে যে গুৰুতৰ অপৰাধত গ্ৰেপ্তাৰ হৈ ৩০দিন কাৰাগাৰত থকাৰ পিছত পদত্যাগ কৰিব লাগিব, যদিও মুক্তিৰ পিছত পুনৰ পদ লাভ কৰিব পাৰিব। বিৰোধী দলসমূহে এই বিধেয়কৰ তীব্ৰ বিৰোধিতা কৰিছে। তৃণমূল কংগ্ৰেছৰ সৰ্বভাৰতীয় সাধাৰণ সম্পাদক অভিষেক বেনাৰ্জীয়ে তেওঁৰ এক্স হেণ্ডেলত লিখিছে যে চৰকাৰে সাংবিধানিক কৰ্তব্য পালনৰ পৰিবৰ্তে ক্ষমতা আৰু ধনৰ প্ৰতি আগ্ৰহী। তেওঁ দাবী কৰিছে যে এই বিধেয়ক বাজ চৰকাৰসমূহ ওফৰাই গণতন্ত্ৰ ধ্বংস কৰাৰ প্ৰয়াস। বেনাৰ্জীয়ে লগতে কয় যে নিৰ্বাচন আয়োগৰ অপব্যবহাৰ ব্যৰ্থ হোৱাৰ পিছত এতিয়া ইডিৰ সহায়ত বিৰোধীক লক্ষ্য কৰা হৈছে। এই প্ৰতিবেদন আৰু বিধেয়কৰ বিতৰ্কই দেশৰ ৰাজনৈতিক পৰিস্থিতিক আৰু উত্তপ্ত কৰি তুলিছে।

দুদিনীয়া কার্যসূচীৰে শিলচৰত

আৰউ ভবনত উপস্থিত হয়। শিলচৰৰ আৰউ ভবনত উপস্থিত হৈ ৰাজ্যপাল আচাৰ্যই আৰক্ষীৰ গার্ড অফ অনাৰ গ্ৰহণ কৰে। তাৰ পিছত তেওঁ আৰেলি জিলা আয়ুক্তৰ কার্যালয়ত আয়োজিত এক উচ্চপৰ্যায়ৰ গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত বিভিন্ন চৰকাৰী বিভাগৰ বিষয়াসকলে অংশগ্ৰহণ কৰি কাছাৰ জিলাত চলি থকা বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ অগ্ৰগতিৰ বিষয়ে ৰাজ্যপালক অৱগত কৰে। বৈঠকৰ অন্ত সংবাদ মাধ্যমৰ সৈতে কথা পাতি ৰাজ্যপাল আচাৰ্যই কাছৰ জিলাৰ উন্নয়নমূলক কামৰ অগ্ৰগতিত সন্তুষ্টি প্ৰকাশ কৰে। ৰাজ্যপাল শনিবাৰ নিশা শিলচৰৰ আৰউ ভবনত কটাব। দেওবাৰে পুৱা ৯: ৩০ বজাত তেওঁ শিলচৰৰ বামকৃষ্ণ মিছন পৰিদৰ্শন কৰিব। তাৰ পিছত, পুৱা ১০: ১০ বজাত তেওঁ বেড জুব ছিলড্রেন্স হাস্পতাল পৰিদৰ্শন কৰিব। এই কার্যসূচী সম্পন্ন কৰি ৰাজ্যপাল আৰেলি ওবাহাটীলৈ প্ৰত্যাবৰ্তন কৰিব।

উদ্যোগপতি অনিল আম্বানীৰ

গুৰুত্বৰ পদক্ষেপ গ্ৰহণ কৰিছে। ভাৰতীয় ষ্টেট বেংক (এছবিআই)ৰ অভিযোগৰ ভিত্তিত ২৯২৯ কোটি টকাৰ বেংক জালিয়াতিৰ অভিযোগত ৰিলায়েন্স কমিউনিকেশ্যান্স লিমিটেড (আৰকম)ৰ সৈতে জড়িত কেইবাটাও স্থানত তালাচী অভিযান চলোৱাৰ লগতে আম্বানীৰ বাসগৃহতো অনুসন্ধান কৰা হৈছে। এছবিআইৰ অভিযোগ অনুসৰি, আৰকমে ২,২২৭.৬৪ কোটি টকাৰ পুঁজিভিত্তিক ঋণ আৰু ৭৮৬.৫২ কোটি টকাৰ বেংক গেৰাণ্টীৰ সঠিক নিষ্পত্তি কৰাত ব্যৰ্থ হৈছে। এই আৰ্থিক অনিয়ম ফলত বেংককোৱে ২,৯২৯.০৫ কোটি টকাৰও অধিক ক্ষতিৰ সম্মুখীন হৈছে। চিবিআইৰ মুখপাত্ৰই জানিবলৈ দিছে যে, এই গোচৰত জালিয়াতি, তহবিল অপব্যবহাৰ, আন্তঃকোম্পানী ঋণ লেনদেন, আৰু কাল্পনিক ঋণগ্ৰহীতাৰ সৃষ্টিৰ অভিযোগ জড়িত আছে। আৰকম বিকল্পে এই অভিযোগ নতুন নহয়। কো

অচিৰেই চি, আই, ডিৰ হাতত অৰ্পণ কৰিব তদন্তৰ দায়িত্ব, সহযোগিতাৰ আহ্বান জিলা প্ৰশাসনৰ

দশমী দুৰৰাৰ মৃত্যু ৰহস্যৰ আনুসাংগিক বিষয়ৰ বহু পুং বিচাৰি আৰক্ষীৰ ক্ষিপ্ৰ তদন্ত

ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২৩ আগষ্ট ঃ কাজিৰঙাৰ বনকৰ্মী দশমী দুৰৰাৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ আৰক্ষী বিভাগৰ তদন্ত ক্ষিপ্ৰ গতিত অব্যাহত আছে। বিভিন্ন দৃষ্টিকোণেৰে ঘটনাৰ সমগ্ৰ ঘটনাটো পৰ্যবেক্ষণ কৰি আৰক্ষীয়ে তদন্ত কৰোঁতে আপোচ কৰা নাই। ঘটনাটোৰ উপযুক্ত উচ্চ পৰ্যায়ৰ তদন্ত হ'ব। গোলাঘাট জিলা উপাযুক্ত কার্যালয়ৰ সন্মিলনী কক্ষত আজি গোলাঘাটৰ ৩০ টাকৈ জাতীয়া - জনগোষ্ঠীয়া সংগঠন, নাগাৰিক সমাজৰ সৈতে হোৱা সৌহাদ্যমূলক আলোচনাত গোলাঘাট জিলাৰ আয়ুক্ত পুলক কুমাৰ মহন্ত আৰু জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক ৰাজেন সিঙে প্ৰকাশ কৰে। ঘটনাটোৰ তদন্ত দায়িত্ব অচিৰেই চি, আই, ডিৰ হাতলৈ হস্তান্তৰ হ'ব বুলিও তেওঁ উল্লেখ কৰে। উল্লেখ্য যে, জাতীয় -জনগোষ্ঠীয় সংগঠন সমূহে আজিও গোলাঘাট নগৰত ঘটনাৰ ন্যায় বিচাৰ আৰু উচ্চ পৰ্যায়ৰ তদন্ত দাবীত অৱস্থান ধৰ্মঘটৰ কার্যসূচী ঝপায়ণ কৰি থকাৰ সময়তে জিলা আয়ুক্তৰ আমন্ত্ৰণমৰ্মে সৌহাদ্যমূলক আলোচনাত মিলিত হয়। দল-সংগঠনৰ নেতৃত্বই দশমী দুৰৰাই চিপজৰী লোৱা পৰ্দাখন আৰক্ষীৰ জ্ঞাতেই শৰদেৱৰ সৈতে ভুলাই পোলোৱা, কাজিৰঙাৰ ডি, এফ, অৰ দৰে উচ্চ পৰ্যায়ৰ বিষয়া তদন্ত আউতাত অহাৰ পাচতো আৰক্ষীৰ সহকাৰী পৰিদৰ্শকৰ দৰে বিষয়াৰ ওপৰত তদন্ত নিয়োজিত কৰা, দশমী দুৰৰাই ব্যৱহাৰ কৰা মবাইল ফোন ফৰেন্সিচ পৰীক্ষাৰ ব্যৱস্থা নকৰি আৰক্ষীয়ে লিখিকি বিদাৰি থকা, দশমী দুৰৰা চিপজৰী লৈ ওলমি থকা স্থানৰ চকী আৰু চেপেল বিজ্ঞানসম্মতভাৱে পৰীক্ষাৰ উপযোগী হোৱাকৈ জব্দ নকৰা, দশমী দুৰৰাৰ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনত চিকিৎসকৰ চূড়ান্ত বিসংগতিৰ তথ্য আদি উন্মোচিত কৰাৰ লগতে দশমী দুৰৰাৰ চকৰীৰ আৰাস গৃহ কোনো কাৰণ নোহোৱাকৈ আছুতীয়া স্থানলৈ স্থানান্তৰ কৰা আদি বহু সন্দেহজনক বিষয় জিলা আয়ুক্ত আৰক্ষী অধীক্ষকৰ সমুখত উপস্থাপন কৰে। সমগ্ৰ ঘটনাটো এক পৰিকল্পিত হত্যাকাণ্ড সকলোৱেই আশংকা ব্যক্ত কৰে। জিলা আয়ুক্ত পুলক কুমাৰ মহন্তই আমি সকলোৱেই এটা টিম হৈ এনে সম্পৰ্কাতৰ বিষয়ত গভীৰ তদন্ত প্ৰক্ৰিয়াৰ বাবে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনা। আলোচনা পৰ্বত কুফল মুক্ত সংগ্ৰাম সমিতি সাধাৰণ সম্পাদক বিদ্যুৎ শইকীয়াই তদন্ত প্ৰক্ৰিয়াত সহায়ক হোৱা উৎস সমূহেই যদি জুলাই দিয়া হয়, আৰক্ষী বিষয়াসেই যদি চূড়ান্ত বিশ্লেষণ-জ্ঞানীনাতাৰ পৰিচয় দিয়ে, তেন্তে কেনেদৰে উপযুক্ত তদন্ত হ'ব বুলিও প্ৰশ্ন উত্থাপন কৰে। উত্থাপন কৰা এনে বিষয় সমূহ একপ্ৰকাৰ মানি ল'বলৈ বাধ্য হয় প্ৰশাসনমন্ত্ৰ। প্ৰতিবাদকাৰীসকলে জিলা আয়ুক্তৰ জৰিয়তে আজি অসমৰ মুখ্যমন্ত্ৰীলৈ এক স্মাৰক পত্ৰ প্ৰেৰণ কৰে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আহা ২৬ আগষ্টৰ ভিতৰত বনকৰ্মী দশমী দুৰৰাৰ ৰহস্যজনক মৃত্যু ঘটনাটোত হস্তক্ষেপ নকৰিলে অথবা কোনো উচ্চ পৰ্যায়ৰ তদন্ত ঘোষণা নকৰিলে ৩০ জাতীয় জনগোষ্ঠীয় সংগঠনে জংগী আন্দোলন গঢ়ি তোলাৰ কথা সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰিছে প্ৰতিবাদকাৰীসকলে।

তদন্তৰ মূল উৎসই যদি জ্বলাই দিয়া হয়, উপযুক্ত তদন্ত হ'ব কেনেকৈ ? বিদ্যুৎ শইকীয়াৰ প্ৰশ্ন

২৪ ঘণ্টীয়া গোলাঘাট জিলা বন্ধৰ দৰে কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হ'ব বুলি প্ৰশাসনক সকিয়াই দিয়ে। ৩০ সংগঠন নেতা কৰ্মীসকলে। আজি প্ৰতিবাদী কাৰ্যসূচীত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, কৃষক মুক্তি সংগ্ৰাম সমিতি, সদৌ তেই আহোম ছাত্ৰ সস্থা (আটাছু), বীৰ লাচিত সেনা, অসম, সদৌ অসম যুৱ পৰিষদ, চুতীয়া যুৱ সম্মিলনী, চুতীয়া যুৱ পৰিষদ, সদৌ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, অসম জাতীয়তাবাদী যুৱ পৰিষদ, সদৌ অসম অনুসূচীত জাতি ছাত্ৰ সস্থা, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি, গোলাঘাট জিলা ঠেঙাল কছাৰী সংগঠন, সদৌ অসম চাহ জনজাতি ছাত্ৰ সস্থা, গোলাঘাট জিলা টাইবেল সংঘ, আহোম সেনা, আহোম সভা, সদৌ কলিতা জনগোষ্ঠী ছাত্ৰ সস্থা, টি এম পি ক (TMPK) গোলাঘাট, গোলাঘাট জিলা সোণোৱাল কছাৰী ছাত্ৰ সস্থা, ঠেঙাল কছাৰী যুৱ পৰিষদ, গোলাঘাট জিলা নিখিল বড়ো ছাত্ৰ সস্থা, গোলাঘাট জিলা কাৰ্বি ছাত্ৰ সস্থা, পশ্চিম গোলাঘাট শাখা সাহিত্য সভা, ঠেঙাল কছাৰী সাহিত্য সভা, গোলাঘাট জিলা কৰি সম্মিলন, সাহিত্য সভা (আকাশ উপ-সমিতি), গোলাঘাট সদৰ কৰি সম্মিলন, গোলাঘাট অধিবক্তা সমাজ, নাৰী মুক্তি সংগ্ৰাম সমিতিকে ধৰি দশমী দুৰৰাৰ পৰিয়াল, গাওঁবাসী আৰু গোলাঘাটৰ নাগৰিক সমাজে অংশ গ্ৰহণ কৰে।

৪-জি, ৫-জি ম'বাইল সেৱাৰ নামত উপভোক্তাক ৰামঠগন টেলিক'ম কোম্পানীৰ জাঁজীৰ বিভিন্ন অঞ্চলত দুৰ্বল ম'বাইল নেটৱৰ্ক সেৱা

অসম বাৰ্তা, জাঁজী, ২৩ আগষ্ট ঃ যোৱাহাট আৰু শিৱসাগৰ জিলাৰ বৃহত্তৰ, তামোলীছিগা, জাঁজী, জামুগাঁৰ আদিৰ বিভিন্ন অঞ্চলত বিভিন্ন টেলিক'ম কোম্পানীৰ দুৰ্বল নেটৱৰ্কে এতিয়া গ্ৰাহকক বাৰ্ক্কৰেয়ে জুলাকলা খুবাইছে। ভাৰতীয় এয়াৰটেল, ৰিএছএনএল, আৰু জিঅ' টেলিক'মে অঞ্চলটোত ম'বাইল নেটৱৰ্ক সেৱা আগবঢ়াই আহিছে যদিও সম্প্ৰতি তিনিওটা টেলিক'ম প্ৰতিষ্ঠানৰে সেৱা অতি নিম্নমানৰ হোৱা বুলি অভিযোগ উঠিছে। এই টেলিক'ম কোম্পানী সমূহে এতিয়া ৪জি আৰু ৫ জি সেৱা আগবঢ়োৱা বুলি দাবী কৰিলেও এই সেৱা পূৰ্বৰ ২জি সেৱা বুলিহে অভিযোগ তুলিছে ভুক্তভোগী উপভোক্তা সকলে। টেলিক'মৰ এনে দুৰ্বল সেৱাৰ ফলত অঞ্চলটোৰ ডিজিটেল সেৱা সম্পূৰ্ণ ব্যাহত হোৱাৰ উপক্ৰম ঘটিছে। বিশেষকৈ ম'বাইল বেংকিং ব্যৱস্থাত ব্যাঘাত জন্মিছে যাৰ ফলত উক্ত অঞ্চলটোত ডিজিটেল ইণ্ডিয়া শ্লগান এপ্ৰকাৰৰ ভেঁকোহাওনাত পৰিণত হৈছে। উপযুক্ত নেটৱৰ্ক নথকাত ব্যৱসায়ী আৰু গ্ৰাহক উভয়েই নগদবিহীন লেনদেন প্ৰক্ৰিয়াৰ পথা বঞ্চিত হোৱাৰ লগতে ম'বাইল উপভোক্তা সকল বিভিন্ন ক্ষেত্ৰত অসুবিধাৰ সম্মুখীন হৈছে। আনহাতে ব্যৱসায়ী সকলে ফোন পে, গুগল পে, আদি ডিকাৰ লেনদেন কৰিবলৈ অসুবিধাৰ সম্মুখীন হোৱা দেখা গৈছে। স্থানীয় উপভোক্তা সকলে সংশ্লিষ্ট পক্ষ সমূহক অঞ্চলটোত ম'বাইল নেটৱৰ্ক সেৱা উন্নত কৰিবলৈ দাবী জনাইছে।

নাজিৰাৰ নৱনিযুক্ত সমজিলা আয়ুক্তৰ সৈতে সংবাদ সেৰী সকলৰ মত-বিনিময় অনুষ্ঠান

অসম বাৰ্তা, গোলেকী, ২৩ আগষ্ট ঃ নাজিৰা সমজিলাই নৱনিযুক্ত সমজিলা আয়ুক্ত, ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া প্ৰতিভা মেঞ্জামে আনুষ্ঠানিকভাবে নাজিৰা সমজিলাৰ প্ৰশাসনিক মুখবৃত্তি কার্যভাৰ গ্ৰহণ কৰাৰ পিছতে আজি নাজিৰাৰ ছপা আৰু বৈদ্যুতিন মাধ্যমৰ সংবাদসেৰী সকলৰ সৈতে সমজিলা কার্যালয়ৰ সভাকক্ষত এক মত-বিনিময় অনুষ্ঠানত মিলিত হয়। অনুষ্ঠানত নিজ বক্তব্যত নবাগত আয়ুক্ত গৰাকীয়ে ছচ্ছ, নিকা, প্ৰগতিশীল ৰাষ্ট্ৰ গঠন তথা সুশাসনৰ বাবে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদ মাধ্যমৰ ভূমিকা অতিকৈ গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰে। সাংবাদিকসকলে গঠনমূলক পৰামর্শ আগবঢ়ালে প্ৰশাসনে উন্নয়নমুখী, জনহিতকৰ আৰু সংস্কাৰমূলক পদক্ষেপ গ্ৰহণত সহায়ক হয় বুলিও আয়ুক্ত গৰাকীয়ে উল্লেখ কৰে। এই মত-বিনিময় অনুষ্ঠানৰ সময়ত সাংবাদিকসকলে নাজিৰা নগৰ খনৰ যান-বাহনৰ ব্যৱস্থাপনা, পৌৰসভাৰ আৱজৰ্না নিষ্কাশন, নাজিৰা চৰকাৰী সাহায্যপ্ৰাপ্ত চিকিৎসালয়কে ধৰি স্বাস্থ্যসেৱাৰ সুবিধা, ফুটপাথ বেৰখন আৰু শিক্ষা আদি মূল বিষয়সমূহৰ সন্দৰ্ভত সমজিলা আয়ুক্ত গৰাকীক অৱগত কৰে। লগতে গোলেকী প্ৰেছ ক্লাবৰ সভাপতি ৰাহিদ আলীয়ে নাজিৰা সমজিলাৰ অন্তৰ্গত সীমান্তৰতী গোলেকী অঞ্চলৰ কৃত্ৰিম বানপানীৰ সমস্যা সমাধানৰ ব্যৱস্থা গ্ৰহণৰ বাবে আয়ুক্ত গৰাকীক অনুৰোধ জনোৱাৰ লগতে গোলেকী চাৰি আলিৰ দৈনিক বজাৰ, গোলেকী নাটঘৰ মন্দিৰ, গোলেকী হাই স্কুল খেলপথাৰৰ ৰ্কাৰমান্ত ৰূপৰ বিষয়ে অৱগত কৰি ইয়াৰ সাৰ্বিক সংবৰ্দ্ধণ তথা পানী নিষ্কাষণৰ ব্যৱস্থা গ্ৰহণৰ বাবেও অনুৰোধ জনাই। অনুষ্ঠানৰ শেষত সমজিলাখনৰ সামগ্ৰিক উন্নয়ণৰ প্ৰতি লক্ষ্য ৰাখি আয়ুক্ত গৰাকীয়ে সিদ্ধান্ত অনুসৰি বাজাৰ খলগুৰি ভূমিপুত্ৰ জনগোষ্ঠী কোচ ৰাজবংশীকে ধৰি অন্যান্য সাতটা জনগোষ্ঠীক অসমৰ টিৰাপ জনগোষ্ঠীয় খণ্ডত একেলগে সুৰক্ষিত শ্ৰেণীৰ জনগোষ্ঠী হিচাপে ঘোষণা কৰিছে। বাজ চৰকাৰৰ বাজহু আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ অতিৰিক্ত মুখ্য সচিব এল এছ ছাংছন স্বাক্ষৰিত এক অধিসূচনাৰ জৰিয়তে আহোম, মবাণ, মটক, কোচ ৰাজবংশী, গোৰখা; চাহ জনগোষ্ঠী আৰু আদিবাসী চাহ জনগোষ্ঠীক টিপাণ্টাইবেল বেলটক সুৰক্ষিত শ্ৰেণী হিচাপে ময়াদি দিয়া হৈছে। ইয়াৰ উপৰিও অসম ভূমি আৰু বাজহু নিয়ন্ত্ৰক; -১৮৮৬ আইনৰ দশম অধ্যায়ৰ - ১৬০ ধাৰাৰ (২) উপ-ধাৰাৰ অধীনত প্ৰদান কৰা ক্ষমতাৰ জৰিয়তে বাজ্য পালৰ অনুমোদন মৰ্মে এই সিদ্ধান্ত গ্ৰহণ কৰি চৰকাৰী অধিসূচনা জাৰি কৰিছে। এই নিৰ্দেশনা তথা অধিসূচনা অনুসৰি ট্ৰাইবেল বেল্টটোৰ সংশ্লিষ্ট জনগোষ্ঠী কেইটাক সংবিধান শ্ৰেণীত অন্তৰ্ভুক্ত কৰাৰ লগে লগে জনগোষ্ঠী কেইটাই ভূমিৰ অধিকাৰকে ধৰি অন্যান্য কেতবোৰ নিৰ্দিষ্ট অধিকাৰ লাভ কৰিবলৈ সক্ষম হ'ব। ইফালে বাজ চৰকাৰৰ এই মহৎ প্ৰচেষ্টাক আদৰণি জনাই হে সদৌ অসম কোচ ৰাজবংশী সম্মিলনীয়ে। আজি সদৌ অসম কোচ ৰাজবংশী সম্মিলনীৰ ভাপপাণ্ড সভাপতি ভোলা বৰা আৰু সাধাৰণ সম্পাদক বাণাৰিতা বৰ্মনে এক প্ৰেছ বিবৃতি যোগে বাজ্য চৰকাৰৰ এই মহানুভৱতাক শলাগি লৈ সন্তোষ প্ৰকাশ কৰি বাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে। কোচ ৰাজবংশী সম্মিলনীয়ে তাৎক্ষণিক ভাবে আদৰণি জনায় বাজ্যৰ মুখ্যমন্ত্ৰী গৰাকীক টিবাপ অঞ্চলৰ লেখিয়াকৈ অন্যান্য জনজাতীয় পৰিষদ অথবা ভৈয়ামত বস বাস কৰা কোচ ৰাজবংশী সকলোকে ময়াদ জনোৱাৰ লগে লগে জনজাতীয় আংছেনিৰ সা সুবিধা প্ৰদান কৰাৰ অধিসূচনা প্ৰকাশ কৰিবলৈ আহ্বান জনাইছে।

কোচ ৰাজবংশীকে ধৰি সাত জনগোষ্ঠীক টিৰাপ জনজাতীয় খণ্ডত সুৰক্ষিত শ্ৰেণীৰ মর্য্যদা দিয়াক আদৰণি

অসম বাৰ্তা, বকো, ২৩ আগষ্ট ঃ বাজ্য চৰকাৰে বাজ্যপালৰ জৰিয়তে অসমৰ ভূমিপুত্ৰ জনগোষ্ঠী আহোম, মবাণ, মটক, কোচ ৰাজবংশী; গোৰখা; চাহ জনগোষ্ঠী আৰু চুতীয়া জনগোষ্ঠীক জনজাতীয় আংছেনিৰ ভিতৰত ৰাখি সংৰক্ষিত শ্ৰেণীৰ মর্য্যদা প্ৰদান কৰিবলৈ অধিসূচনা জাৰি কৰিছে। যোৱা ১৮ আগষ্টত ৰাজ্য চৰকাৰৰ তৰফৰ পৰা জাৰি কৰা অধিসূচনা মৰ্মে ৰাজ্যৰ সাত জনগোষ্ঠীক টিৰাপ জনগোষ্ঠীয় এলেকাত জনজাতীয় খণ্ডত সুৰক্ষিত জাতি শ্ৰেণীৰ মর্য্যদা দিয়া হৈছে। ইফালে বাজ্য চৰকাৰৰ ক্ষমতাৰ জৰিয়তে বাজ্যপালৰ অনুমোদন মৰ্মে এই সিদ্ধান্ত গ্ৰহণ কৰি চৰকাৰী অধিসূচনা জাৰি কৰিছে। এই নিৰ্দেশনা তথা অধিসূচনা অনুসৰি ট্ৰাইবেল বেল্টটোৰ সংশ্লিষ্ট জনগোষ্ঠী কেইটাক সংবিধান শ্ৰেণীত অন্তৰ্ভুক্ত কৰাৰ লগে লগে জনগোষ্ঠী কেইটাই ভূমিৰ অধিকাৰকে ধৰি অন্যান্য কেতবোৰ নিৰ্দিষ্ট অধিকাৰ লাভ কৰিবলৈ সক্ষম হ'ব। ইফালে বাজ চৰকাৰৰ এই মহৎ প্ৰচেষ্টাক আদৰণি জনাই হে সদৌ অসম কোচ ৰাজবংশী সম্মিলনীয়ে। আজি সদৌ অসম কোচ ৰাজবংশী সম্মিলনীৰ ভাপপাণ্ড সভাপতি ভোলা বৰা আৰু সাধাৰণ সম্পাদক বাণাৰিতা বৰ্মনে এক প্ৰেছ বিবৃতি যোগে বাজ্য চৰকাৰৰ এই মহানুভৱতাক শলাগি লৈ সন্তোষ প্ৰকাশ কৰি বাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে। কোচ ৰাজবংশী সম্মিলনীয়ে তাৎক্ষণিক ভাবে আদৰণি জনায় বাজ্যৰ মুখ্যমন্ত্ৰী গৰাকীক টিবাপ অঞ্চলৰ লেখিয়াকৈ অন্যান্য জনজাতীয় পৰিষদ অথবা ভৈয়ামত বস বাস কৰা কোচ ৰাজবংশী সকলোকে ময়াদ জনোৱাৰ লগে লগে জনজাতীয় আংছেনিৰ সা সুবিধা প্ৰদান কৰাৰ অধিসূচনা প্ৰকাশ কৰিবলৈ আহ্বান জনাইছে।

বিলাসীপাৰাত ই-ৰিক্সা চালকৰ বিপদ ঘণ্টা

বৈধ নথিপত্ৰ নথকা সকলো ই-ৰিক্সাৰ গৰাকী-চালকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব প্ৰশাসনে

অসম বাৰ্তা, বিলাসীপাৰা, ২৩ আগষ্ট ঃ বিলাসীপাৰাত অস্বাভাবিক হাৰত বৃদ্ধি পাইছে ই-ৰিক্সাৰ সংখ্যা। বৈধ নথিপত্ৰ নথকা বহু ই-ৰিক্সাই যাতায়ত ব্যৱস্থাৰ ক্ষেত্ৰত সৃষ্টি কৰিছে সমস্যা। যানবাহন নীতিক বুঢ়া আঙুলি দেখুৱা বহু বৈধ নথিপত্ৰ বিহীন ই-ৰিক্সাৰ চালকৰ ভুলৰ ভাৰে বিলাসীপাৰা সমজিলাৰ বিভিন্ন প্ৰান্তত সংঘটিত হৈছে একাধিক দুৰ্ঘটনা। বিলাসীপাৰাত ই-ৰিক্সা চালকৰ মৈমত্তালিত কম-বেছি পৰিমাণে বিপদৰ সম্মুখীন হৈছে স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ লগতে সাধাৰণ বাইজ। সম্প্ৰতি বিলাসীপাৰা সমজিলাত বৈধ নথিপত্ৰ বিহীন ই-ৰিক্সাৰ সংখ্যা অস্বাভাবিক হাৰত বৃদ্ধি হোৱাত যাতায়ত ব্যৱস্থাৰ ক্ষেত্ৰত এক অৰাজক পৰিস্থিতিৰ সৃষ্টি হৈছে। ই-ৰিক্সাৰ বাবে তীব্ৰ যান-জট আৰু সংঘাতৰ সংখ্যাও হোৱা পথ দুৰ্ঘটনাৰ বিষয়টোকে লৈ বিভিন্ন সময়ত সমজিলা প্ৰশাসনক ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাই ছিল দল সংগঠনৰ লগতে বিলাসীপাৰাৰ সচেতন মহলে। বিষয়টোৰ প্ৰতি লক্ষ্য ৰাখি বিলাসীপাৰা সমজিলা আয়ুক্ত কার্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয় বিশেষ বৈঠক। বৈঠকত সভাপতিত্ব কৰে সমজিলা আয়ুক্তা ডঃ প্ৰীতি লখা ডেকাই। বৈঠকত উপস্থিত থাকে সমজিলা আৰক্ষী অধিক্ষক, জিলা পৰিষদীয় অধিকাৰী, পৌৰ সভাৰ বিষয়বৰীয়া আৰু ই-ৰিক্সা ইউনিয়নৰ প্ৰতিনিধি। যানবাহন ব্যৱস্থাপনা উন্নত কৰা আৰু যাত্ৰীসকলৰ সুবিধা নিশ্চিত কৰাৰ প্ৰতি বিশেষ ভাৰে লক্ষ্য ৰাখি সমজিলা আয়ুক্তা ডঃ প্ৰীতি লখা ডেকাই কেই বাটাও গুৰুত্বপূৰ্ণ নিৰ্দেশনা প্ৰদান কৰে। ৰাষ্ট্ৰীয় ঘাইপথত ই-ৰিক্সা চলাচলৰ ক্ষেত্ৰত নিষেধাজ্ঞা- অবশ্যে জৰুৰী সময়ত প্ৰয়োজন সাপেক্ষে নিৰ্দেশনা মানি সন্ধিয়া ৫ বজালৈকে সীমিতভাবে চলাচল কৰিব পাৰিব। যাত্ৰীবাহী ই-ৰিক্সাত কোনো সামগ্ৰী কঢ়িয়াব নোৱাৰিব। সকলো নতুন আৰু পুৰণি ই-ৰিক্সাৰ পঞ্জীয়ন বাধ্যতামূলক। পঞ্জীয়ন নথকা ই-ৰিক্সা চলাব নোৱাৰিব। প্ৰতিটো ই-ৰিক্সাৰ বাবে সংশ্লিষ্ট পৌৰসভাৰ পৰা ৰঙৰ-কোডযুক্ত টাকেন সংগ্ৰহ কৰাটো বাধ্যতামূলক। টাকেন নথকা ই-ৰিক্সাই অন্য পৌৰসভাৰ এলেকাত চলাচল কৰিব নোৱাৰিব। বিলাসীপাৰা সমজিলা আৰক্ষী অধিক্ষক আৰু ধুবৰী জিলা পৰিষদীয় বিভাগে একেলগে চেক-গেট স্থাপন কৰি এই নিয়ম কেটাৰেলতে প্ৰয়োগ কৰিব। সকলো ই-ৰিক্সা চালকৰ বৈধ ড্ৰাইভিং লাইচেন্স থাকিবই লাগিব। বিলাসীপাৰা সমজিলা আৰক্ষী অধিক্ষকে কড়াভাবে নিৰীক্ষণ কৰিব যাতে অবৈধ বা অপ্ৰাপ্তবয়স্ক ড্ৰাইভাৰে ই-ৰিক্সা নচলায়। বিলাসীপাৰা সমজিলা আৰক্ষী অধিক্ষক আৰু ধুবৰী জিলা পৰিষদীয় বিভাগে এতিয়া সপ্তাহে সপ্তাহে যৌথ অভিযান চলাব। নিয়ম ভঙ্গ হলেই ই-ৰিক্সা চালক আৰু গাৰীৰ বিৰুদ্ধে আৰক্ষী প্ৰশাসনে গ্ৰহণ কৰিব কঠোৰ ব্যৱস্থা।

ধেমাজি আৰু ডিব্ৰুগড়ৰ দৰ্শনীয় জয়

মৰিগাঁৰত অনুৰ্দ্ধ ১৯ ছোৱালী আন্তঃজিলা ক্ৰিকেট

ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২৩আগষ্ট ঃ অসমত সুপ্ত হৈ থকা ছোৱালী ক্ৰিকেট প্ৰতিভাবোধৰ বিকাশৰ উদ্দেশ্যে অসম ক্ৰিকেট সস্থাৰ জৰিয়তে পৰিচালিত ১৯ বছৰৰ অনুৰ্দ্ধ ছোৱালী আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ'ওপ' চিং খেলসমূহ আজিৰে পৰা মৰিগাঁও জিলা ক্ৰীড়া সস্থাৰ আতিথ্য আৰু ক্ৰিকেট উপশমিতিৰ তত্ত্বাবধানত ফ্ৰীৰোৱ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত হৈছে। আজিৰ ১মখন খেলত ধেমাজি জিলা ক্ৰীড়া সস্থাই চিৰাং জিলা ক্ৰীড়া সস্থাক তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ অন্তত ৯ বাণত পৰাস্থত কৰি সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। ধেমাজি জিলা ক্ৰীড়া সস্থাই প্ৰথমে বেটিং কৰি প্ৰয়াংশী দলৰ অপৰাজিত ১৬বাণৰ অবদানেৰে ১৬ অভাৰত ৯টা উইকেট হেকৰাই ৭১ বাণ সংগ্ৰহ কৰে। বলিত চিৰাঙৰ বে বৰ্ষা কলিতই ৪টা আৰু মনিষা দাসে ২ উইকেট দখল কৰে। প্ৰত্যুত্তৰত লক্ষ্য অনুসৰণ কৰি চিৰাং দলে ১৬ অভাৰত ৭টা উইকেট হেকৰাবৈ ৬২ বাণহে সংগ্ৰহ কৰিবলৈ সমর্থ হয়। ধেমাজিৰ বে বলিত প্ৰয়াংশী দত্ত আৰু বিন্মিতা সোণোৱালে ৩ টাকৈ উইকেট দখল কৰে। ধেমাজিৰ প্ৰয়াংশী দত্তই শ্ৰেষ্ঠ খেলুৰৈৰ বঁটা লাভ কৰি দ্বিতীয়খন খেলত ডিব্ৰুগড় জিলা ক্ৰীড়া সস্থাই ৯৮ বাণৰ বৃহৎ ব্যবধানত ওলাগড়ি জিলা ক্ৰীড়া সস্থাক পৰাস্ত কৰে। ডিব্ৰুগড় দলে নিৰ্ধাৰিত ২০ অভাৰত ১৩০/৫ বাণ সংগ্ৰহ কৰি বিপৰীতে ওলাগড়ি দলে ৩২/১০ বাণহে সংগ্ৰহ কৰে। জিলা খেলৰ আৰম্ভণিতে মৰিগাঁও জিলা ক্ৰীড়া সস্থাৰ সভাপতি ৰমাকান্ত দেউৰীয়ে উদ্বীয়মান খেলুৰৈসকলক অনুপ্ৰেৰণা মূলক শুভেচ্ছাবাণী প্ৰেৰণ কৰা উদ্বোধনী অনুষ্ঠানটোত মৰিগাঁও জিলা ক্ৰীড়া সস্থাৰ উপসভাপতি ৰঞ্জমন নাথ আৰু নিপুন বৰা, সাধাৰণ সম্পাদক জিতু বৰদলৈ, যুটীয়া সম্পাদক নাছিৰউদ্দিন আহমেদ, সহকাৰী সম্পাদক সমুদ্ৰ নাৰায়ণ মেধী আৰু ইক্কামুল হুছেইন, ক্ৰিকেট সম্পাদক আলামুল এলডিন, আপ্পায়াৰ বৰ্ডৰ সম্পাদক নজৰুল হুছেইন, ভলীবল সম্পাদক বিশ্বজিত বৰদলৈ, বেডমিণ্টন সম্পাদক মুক্তাৰ হুছেইন, জিমনাষ্টিক সম্পাদক যতীন বৰদলৈ, খেলপথাৰ সম্পাদক দিব্য মহন্তৰ লগতে মৰিগাঁও জিলা ক্ৰীড়া সস্থাৰ মিডিয়া সমন্বয়ক তথা প্ৰাক্তন সাধাৰণ সম্পাদক মানস প্ৰতীম পাটনৰে ধৰি বহুসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে। উদ্বোধনী অনুষ্ঠানটোৰ লগত সংগতি বাখি অসম ক্ৰিকেট সস্থা আৰু মৰিগাঁও জিলা ক্ৰীড়া সস্থাৰ পতাকা উত্তোলন কৰাৰ পাছত আয়োজিত এক বিশেষ সম্বর্ধনা অনুষ্ঠানত বিশেষভাবে নিমন্ত্রিত অতিথি হিচাপে প্ৰতাপ হাজৰিকা, মহেন্দ্ৰ নাথ হাজৰিকা, ডালিম ফুকন, পুলিন কাকতি আৰু ভৰত নাথকে আদি কৰি সংবাদ জগতৰ লগত জড়িত বিশিষ্ট ব্যক্তি সকলৰ উপস্থিতিত আপ্পায়াৰ জেহিকল হক, অসীম ভাৰাল আৰু অংশগ্ৰহণকাৰী দলসমূহৰ প্ৰশিক্ষক আৰু মেনেজাৰ সকলক উষ্ণ আদৰণি জনোৱা হয়।

পৰিয়ালৰ মাজত হাহাকাৰ পৰিস্থিতি

বহিঃৰাজ্যত বিদ্যুৎস্পৃষ্ট হৈ কৰুণ মৃত্যু দুই অসমীয়া শ্ৰমিকৰ

অসম বাৰ্তা, গৰেমাৰী, ২২ আগষ্ট ঃ কামৰূপ জিলাৰ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত কিছমত কাঠমী, ভলুকাবাড়ীৰ দুগৰাকী শ্ৰমিক পেটৰ তাড়নাত বহিঃৰাজ্য বেংগালুৰুত কাম কৰিবলৈ গৈ ১৮ আগষ্টত বিদ্যুৎস্পৃষ্ট হৈ কৰুণভাবে মৃত্যুক সাৰটি লয়। জানিব পৰামতে সোণতলীৰ কিমান কাউমী গাঁৱৰ আব্দুল কাইয়ুম (৪২) আৰু গৰৈমাৰীৰ ভলুকাবাড়ী গাঁৱৰ আসান আলী (৪০) নামৰ যুবক দুজন বিগত প্ৰায় ৬ মাহ পূৰ্বে কর্মসূত্রে বহিঃৰাজ্য বেংগালুৰুলৈ যায়। দুয়ো বেংগালুৰুত বিবাহৰ বন্ধা, সভা-সমিতিৰ মঞ্চৰ কামত শ্ৰমিক হিচাপে নিয়োজিত হৈ আছিল আৰু উ পাৰ্জনৰ টকাৰে পৰিয়াল পোহ পাল দি আছিল। জানিব পৰামতে ১৮ আগষ্টত যুবক দুজনে বাংগালুৰুত কৰ্মৰত অৱস্থাত প্ৰথমে আব্দুল কাইয়ুম নামৰ যুবকজন বিদ্যুৎস্পৃষ্ট হয়। আব্দুল কাইয়ুমক উদ্ধাৰ কৰিবলৈ গৈ বন্ধু আসান আলীয়ো বিদ্যুৎ পৰিবাহী তাঁৰত লাগি ধৰে। ফলত দুয়োজন যুবকসহ ৪জন শ্ৰমিক বিদ্যুৎস্পৃষ্ট হৈ গুৰুতৰভাবে আহত হয়। স্থানীয় লোকে ততাতৈয়াকৈ যুবক চাৰিজনক বেংগালুৰুৰ 'আৰিবাম হস্পিতালত' ভৰ্তি কৰায় যদিও আব্দুল কাইয়ুম আৰু আসান আলী নামৰ শ্ৰমিক দুজনৰ মৃত্যু হয়। আহত শ্ৰমিক দুগৰাকী চিকিৎসাধীন হৈ থকা বুলি জানিবপৰা গৈছে। উক্ত ঘটনাত দুয়োটা পৰিয়ালৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। আজি বেংগালুৰুৰ পৰা মৃতদেহ দুটা বিমানযোগে আনি জনাজা সম্পন্ন কৰি সমাধিস্থ কৰা হয়। মৃত্যুৰ সময়ত আব্দুল কাইয়ুমে পত্নী, এগৰাকী পুত্ৰ, দুজনী কন্যা সন্তান আ

‘বিদ্যাঞ্জলি পৰ্টেল’ৰ যোগেদি বেংকৰ চি এছ আৰ আচঁনিৰ অধীনত বিদ্যালয়লৈ সামগ্ৰী প্ৰদান

ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ২৩ আগষ্ট ঃ বিভিন্ন ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান, উদ্যোগ খণ্ড, বেংক, ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠান, বহুজাতিক কোম্পানী আদিৰ দ্বাৰা ৰূপায়িত সামাজিক দায়বদ্ধতা আচঁনি (CSR)ৰ অধীনত গ্ৰহণ কৰা কাম-কাজ সমূহৰ এক উৎকৃষ্ট নিদৰ্শন আজি তিনিচুকীয়াৰ শুকানপুখুৰী চাহ বাগিচা আদর্শ বিদ্যালয় আৰু নলনী চাহ বাগিচা প্ৰাথমিক বিদ্যালয় দুখন প্ৰতিফলিত হ’ল। আই ডি বি আই বেংকৰ তিনিচুকীয়া শাখাৰ তৰফৰ পৰা দুয়োখন বিদ্যালয়লৈ আজি কিছু প্ৰয়োজনীয় সামগ্ৰী বিতৰণ কৰা হ’ল। বিদ্যালয় দুখনে সচৰাচৰ সম্মুখীন হৈ থকা কেতবোৰ অভাৱৰ ভিতৰত ১০যোৰ ডেৰ-বেঞ্চ আৰু এটা স্মাৰ্ট টি ভি শুকানপুখুৰী চাহ বাগিচা আদর্শ বিদ্যালয়ত আৰু ১০যোৰ ডেস্ক-বেঞ্চ আৰু চাৰিখন মাৰ্কাৰ বৰ্ড নলনী চাহ বাগিচা

প্ৰাথমিক বিদ্যালয়ত বেংকটোৰ তৰফৰ পৰা যোগান ধৰা হ’ল। তিনিচুকীয়া জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা সমগ্ৰ শিক্ষা, তিনিচুকীয়া জিলাৰ মিচন সমন্বয়ক বিশ্বী শর্মাৰ উদ্যোগত আৰু সমগ্ৰ শিক্ষা, তিনিচুকীয়া জিলাৰ আঁচনি বিষয়া ত্ৰিদিব শর্মা তামোলীৰ তৎপৰতাত আই ডি বি আই বেংক কর্তৃপক্ষৰ সৈতে হোৱা আলোচনা মৰ্মে আজি বিদ্যালয় দুখনে উক্ত সামগ্ৰীসমূহ লাভ কৰিবলৈ সক্ষম হ’ল। আজি দুয়োখন বিদ্যালয়তে আই ডি বি আই বেংকৰ ডিৱেগড় শাখাৰ প্ৰবন্ধক নেহা সিং, তিনিচুকীয়া শাখাৰ সহকাৰী সাধাৰণ প্ৰবন্ধক চনিয়া সুবানা, সহকাৰী প্ৰবন্ধক শ্যামল গোস্বামী উপস্থিত হৈ সমগ্ৰ শিক্ষা জিলা আঁচনি বিষয়া ত্ৰিদিব শর্মা তামোলীৰ তিনিচুকীয়া নগৰ শিক্ষাখণ্ডৰ খণ্ড সমল ব্যক্তি দুজনি লোচন চেতিয়া, বিদ্যালয় দুখনৰ শিক্ষক-শিক্ষয়িত্ৰী, পৰিচালনা সমিতিৰ বিষয়বৰীয়া-সদস্যৰ উপস্থিতিত উক্ত সামগ্ৰীসমূহ বিতৰণ কৰে। প্ৰশিধানযোগ্য যে, ভাৰত চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগৰ তৰফৰ পৰা পৰিচালিত ‘বিদ্যাঞ্জলি পৰ্টেল’ত এনেধৰণৰ চি এছ আৰ ব্যৱস্থাৰ যোগেদি বিদ্যালয়সমূহলৈ স্বেচ্ছামূলকভাবে প্ৰয়োজনীয় সামগ্ৰী যোগান, আন্তঃ গাঁথনি উন্নয়ন আদি সেৱাসমূহ আগবঢ়াব পৰাকৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। এই পৰ্টেলত নিজৰ প্ৰয়োজনসমূহ উল্লেখ কৰি বিদ্যালয়সমূহে এনে চি এছ আৰ অনুদানসমূহৰ পৰা যথেষ্ট লাভান্বিত হোৱাৰ সম্ভাবনা আছে।

নাহৰকটীয়াত সাৰংগ বুঢ়াগোহাঁই সোঁৱৰণী ‘এ’ ডিভিজন ফুটবল লীগ

অসম বার্তা, নাহৰকটীয়া, ২৩ আগষ্ট ঃ নাহৰকটীয়া ক্ৰীড়া সম্ভাৱ খেলপথাৰত কালিবে পৰা আৰম্ভ হোৱা ২০২৫ বর্ষৰ সাৰংগ বুঢ়াগোহাঁই সোঁৱৰণী ‘এ’ ডিভিজন ফুটবল লিগ প্ৰতিযোগিতাত নাহৰকটীয়া চাহ বাগিচা ফুটবল ক্লাব বনাম লেঙ্গেৰীজান চাহ বাগিচা ফুটবল ক্লাবে ছিটীয়লৈ দিনৰ খেলত অৱতীর্ণ হৈ ১-১ গল’ত খেলখন দ্ৰ কৰি দুয়ো দলে একোটাকৈ পইণ্ট সংগ্ৰহ কৰিছে। উল্লেখ্য যে নাহৰকটীয়া ক্ৰীড়া সম্ভাৱ সম্পাদক পংকজ সোণোৱালে আঁতৰত্বা খেলখনৰ শুভাৰম্ভি অনুষ্ঠানত সাৰংগ বুঢ়াগোহাইৰ স্মৃতিত এক মিনিট মৌন প্ৰাৰ্থনা কৰাৰ অন্তত মহানদ্ৰ শইকীয়া, জগদীশ ৰাজকোঁৱৰ, অমূল্য গগৈ, শম্ভু কর্মকাৰ, কাশ্মেৰ গগৈ, পলাশ কৌৱৰকে ধৰি ক্ৰীড়া সম্ভাৱ বিষয়-বৰীয়া আৰু ভালে সংখ্যক ক্ৰীড়ানুৰাগীৰ উপস্থিতিত প্ৰাক্তন খেলুৰে তথা খেল পৰিচালক অৰুণ গগৈয়ে বুধবাৰে আনুষ্ঠানিক ভাবে প্ৰতিযোগিতাৰ উদ্বোধনী খেলখন মুকলি কৰিছিল। নামকপ টাউন ক্লাব আৰু পঞ্চজ্যোতি ফুটবল ক্লাবে প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত অৱতীর্ণ হৈ পঞ্চজ্যোতি ফুটবল ক্লাবক ৫-০ গলৰ ব্যবধানত পৰাস্ত কৰি ৩ পইণ্ট সংগ্ৰহ কৰিছিল। ইফালে কাইলে ‘পি পি এফ এ’ বনাম ‘নামকপ প্লেয়ার্ছ এছচিয়েচন’ প্ৰতিযোগিতাত অৱতীর্ণ হ’ব।

দেশী জনগোষ্ঠীয় শ্ৰমিকক শিৰসাগৰ জিলাত অত্যাচাৰ কৰা ব্যক্তিসকলৰ বিৰুদ্ধে দক্ষিণ শালমাৰা আৰক্ষী থানাত গোচৰ

অসম বার্তা, হাটশিঙিমাৰী, ২৩ আগষ্ট ঃ ২১ আগষ্ট দিনা দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ভৈষ্ণ আৰক্ষী অধীক্ষকক লিখিত অভিযোগ দাখিল কৰোঁতা দেশী জনগোষ্ঠীয় মঞ্চৰ দক্ষিণ শালমাৰা মানকাচৰ জিলা দেশী জনগোষ্ঠীয় মঞ্চৰ সভাপতি কয়ছৰ আলিয়ে গোচৰত উল্লেখ কৰা মতে শিৰসাগৰ জিলাৰ জয়সাগৰত ১৯ আগষ্টত চিতু বৰুৱা, বিষ্ণু শইকীয়া পংকজ দাস আৰু তেওঁলোকৰ সহযোগী কেবাজনো যুবকৰ নেতৃত্বত এটি দলে মানকাচৰৰ পৰা শ্ৰমিক হিচাপে কাম কৰিবলৈ যোৱা ৪৭জন দেশী জনগোষ্ঠীয় লোকক বলপূর্বক বাংলাদেশী সজায় আৰু অপহৰণ কৰি ধন দাবী কৰাৰ লগতে মাৰপিট কৰাৰ বিষয়ে অভিযোগ পোৱা গৈছে। এই সম্পর্কত কালি দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ভৈষ্ণ আৰক্ষী অধীক্ষকক এখন লিখিত অভিযোগ পত্ৰ দাখিল কৰাৰ উপৰিও দক্ষিণ শালমাৰা আৰক্ষী থানাত এখন গোচৰ দিয়ে আৰু উক্ত ঘটনাৰ লগত জড়িত সকলৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। উল্লেখ্য যে উক্ত ঘটনাৰ পৰিপ্ৰেক্ষিতত দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ দেশী জনগোষ্ঠীয় মঞ্চৰ তৰপৰ পৰা প্ৰতিবাদ মিছিল কৰে আৰু দোষী সকলৰ বিৰুদ্ধে বহীত ব্যৱস্থা গ্ৰহণৰ দাবী জনায়।

ৰংদৈ আয়ুষ্মান অৰোগ্য মন্দিৰত জন আৰোগ্য সমিতি গঠন

অসম বার্তা, বাহনা, ২৩ আগষ্ট ঃ উত্তৰ যোৰহাট ৰংদৈ বামুণগাঁওস্থিত ৰংদৈ আয়ুষ্মান আৰোগ্য মন্দিৰৰ আৰোগ্য সমিতিৰ আজি গঠন কৰা হয়। গাঁওপ্ৰধান গোবিন বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনিৰ উদ্দেশ্য ৰাখি মাজুলীত অহা ১৬ নৱেম্বৰত “সুৰাগ তোলা” আৰোগ্য মন্দিৰৰ কর্মচাৰী পৰাগ তামোলীয়ে। উদ্দেশ্যৰ ওপৰত বহুলাংশে ব্যাখ্যা কৰাৰ লগতে স্বাস্থ্য বিভাগৰ পৰা সমতি গঠন সম্পর্কে প্ৰেৰণ কৰা নির্দেশনা পত্ৰ পাঠ কৰে সমন্বয়ক শ্যামল বৰাই। এই সভাতেই চৰকাৰী নির্দেশনা অনুসৰি স্থানীয় খণ্ড সদস্যা পপী দত্তক সভানেত্ৰী হিচাবে নৈ বিশ্বজনীয়া এখনি শক্তিশালী সমিতি গঠন কৰা হয়। সভাত বিশিষ্ট সমাজকর্মী জগন্নাথ অধিৰবা, অসমীয়া প্ৰতিদিন কাকতৰ বাহনাৰ সংবাদদাতা শ্ৰীমন্ত মাধব বৰুৱা, ডগৰীয়া গাঁৱৰ গাঁওপ্ৰধান লক্ষেশ্বৰ দত্তকৰ প্ৰমুখকৰি ভালেকইগাৰাকী ব্যক্তি লগতে স্বাস্থ্য বিমাগৰ বিষয়বৰীয়া, আশাকর্মী উপস্থিত থাকে।

মাজুলীত আজি অভ্যর্থনা সমিতি গঠনৰ বাবে ৰাজহুৱা সভা

অসম সাহিত্য সভাৰ ‘সুৰাগ তোলা’ কার্যসূচী

অসম বার্তা, উজনি মাজুলী, ২৩ আগষ্ট ঃ অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কার্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ শতবর্ষ মহোৎসৱৰ লগত সংগতি ৰাখি মাজুলীত অহা ১৬ নৱেম্বৰত “সুৰাগ তোলা” মাজুলীৰ এক বৃহৎ আলংকাৰিক কার্যসূচী ৰূপায়ণ কৰা হ’ব। মাজুলী জিলা সাহিত্য সভাৰ উদ্যোগত হ’ব লগীয়া উক্ত “সুৰাগ তোলা” কার্যসূচীৰ বাবে মাজুলীত জিলা সাহিত্য সভাই বিভিন্ন সাংগঠনিক কার্যসূচী আৰম্ভ কৰিছে। সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলীত অনুষ্ঠিত হ’ব লগীয়া উক্ত “সুৰাগ তোলা” কার্যসূচী সর্বাঙ্গসুন্দৰ, সফল আৰু সুশৃংখলিত ৰূপে অনুষ্ঠিত কৰিবৰ বাবে কাইলৈ এখন বাজহুৱা সভা আয়োজন কৰা হৈছে। কাইলৈ বিয়লি তিনি বজাত মাজুলীৰ জিলা আয়ুক্তৰ সভাকক্ষত উক্ত বাজহুৱা সভা অনুষ্ঠিত হ’ব। উক্ত বাজহুৱা সভাতে আগাষ্টক “সুৰাগ তোলা” কার্যসূচীৰ বাবে এখন অভ্যর্থনা সমিতি গঠন কৰা হ’ব। উক্ত, বাজহুৱা সভাত মাজুলীৰ সাহিত্য সংস্কৃতিৰ সেৱকসকলৰ লগতে জিলা আৰু বিভিন্ন শাখা সাহিত্য সভাৰ সকলো সদস্য - সদস্যাসকলক উপস্থিত থাকিবলৈ মাজুলী জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল কুমাৰ বৰকাই আৰু সম্পাদক সঞ্জীৱ বৰাই আহ্বান জনাইছে।

মৈৰাধ্বজ গাঁও পঞ্চায়তত প্ৰধানমন্ত্ৰী আবাস যোজনাৰ ওপৰত বিশেষ গাঁও সভা অনুষ্ঠিত

অসম বার্তা, বটদ্ৰবা, ২৩ আগষ্ট ঃ নগাঁও জিলাৰ নিজ ধিং উন্নয়ন খণ্ডৰ অন্তর্গত ৪৬ নং মৈৰাধ্বজ গাঁও পঞ্চায়তত আজি এখন গুৰুত্বপূর্ণ বিশেষ গাঁও সভা অনুষ্ঠিত হয়। পঞ্চায়তৰ প্ৰেক্ষাগৃহত দিনৰ ২ বজাৰ পৰা আৰম্ভ হোৱা সভাখনত প্ৰধান মন্ত্ৰী আবাস যোজনাৰ অধীনত থকা হিতাধীকাৰী নির্বাচন সম্পর্কে বিস্তৃত আলোচনা কৰা হয়। সভাখনত নৱনির্বাচিত গাঁও পঞ্চায়ত সভাপতি জু লুফিকাৰ আলীয়ে সভাপতিত্ব কৰে। সভাত নিজ ধিং উন্নয়ন খণ্ডৰ আঞ্চলিক সভানেত্ৰী তফলিমা আক্তাৰা, মৈৰাধ্বজ গাঁও পঞ্চায়তৰ উপ-সভানেত্ৰী, গাঁও পঞ্চায়তৰ সদস্য-সদস্যাসকল, নিজ ধিং উন্নয়ন খণ্ডৰ কার্যবাহী অভিযন্তা ফজলুল বহমান মুক্তিয়াৰ, বি, পি, এম, (BPM) শ্ৰীবীজ উদ্দিন আহমেদৰ লগতে পঞ্চায়তৰ সকলো কর্মচাৰী আৰু গাঁওবাসীসকলে অংশগ্ৰহণ কৰে। সভাখনত উপস্থিত সকলোৰে মতামতৰ ভিত্তি হিতাধীকাৰী বাছনি প্ৰক্ৰিয়া সুদৃঢ় আৰু স্বচ্ছ কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। উল্লেখযোগ্য যে, এই ধৰণৰ সভা গাঁও বাসীৰ মাজত চৰকাৰী আঁচনি সম্পর্কে সজাগতা বৃদ্ধিত সহায়ক হব বুলি সভাত অংশগ্ৰহণ কৰা সকলে মত প্ৰকাশ কৰে।

ডুমডুমা বি আৰ এম চৰকাৰী আদর্শ মহাবিদ্যালয়ত দুদিনীয়া ৰাষ্ট্ৰীয় পর্যায়ৰ আলোচনা চক্ৰ আৰম্ভ

ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৩ আগষ্ট ঃ তিনিচুকীয়া জিলাৰ কণাই চাইডিঙহিত ডুমডুমা বীৰ বাঘৰ মৰাণ চৰকাৰী আদর্শ মহাবিদ্যালয়ৰ অসমীয়া আৰু ইংৰাজী বিভাগৰ উদ্যোগত আৰু নতুন দিল্লীস্থিত ভাৰতীয় সমাজ বিজ্ঞান গৱেষণা পৰিষদ (ICSSR) ৰ সহযোগত এখনি দুদিনীয়া ৰাষ্ট্ৰীয় পর্যায়ৰ আলোচনা চক্ৰৰ আজি শুভাৰম্ভ কৰা হ’ল। আলোচনা চক্ৰৰ বিষয়বস্তু হৈছে - “Echoes of Resilience: Celebrating the Tea Tribes of Assam and Birsa Munda’s Enduring Legacy”। বন্তি প্ৰস্তুলনেৰে শুভাৰম্ভ কৰা আলোচনা চক্ৰৰ আৰম্ভণিতে উদ্দেশ্য ব্যাখ্যা কৰে আহ্বায়ক তথা অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ড° প্ৰমিতা নেওগে। আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰজিৎ শইকীয়াই। অধ্যক্ষ ড° শইকীয়াই আদৰণি ভাষণত সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ আৰু সমাজৰ স্থিতিস্থাপকতা গঢ়ি তোলাত উচ্চ শিক্ষানুষ্ঠানসমূহৰ দায়িত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আলোচনা চক্ৰৰ মূল তথা উদ্বোধনী ভাষণ প্ৰদান কৰে মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° বিনোদ বৰষী। তেওঁ বীৰছা মুণ্ডাৰ বিপ্লৱী সংগ্ৰামৰ প্ৰাসংগিকতা আৰু অসমৰ চাহ জনজাতিৰ আখ্যানৰ সৈতে ইয়াৰ অনুৰণনক সুস্পষ্টভাৱে উপস্থাপন কৰে। উদ্বোধনী অনুষ্ঠানতে পদ্মশ্ৰী দুলাল মানকিৰ সম্বৰ্ধনা জনোৱাৰ লগতে মহাবিদ্যালয়ৰ অনুশীলন অধ্যাপক (Professor of Practice) হিচাপে যোৱা ১১ জুলাই তাৰিখে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা বিশিষ্ট চিকিৎসক ডাঃ প্ৰণবজ্যোতি ডেকা, সদস্য ড° প্ৰভাত শর্মা আৰু ডুমডুমা মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° দীপক কুমাৰ মহন্তই। সভাত ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতা, অসমীয়া বিষয়ৰ সহযোগী অধ্যাপক দীপক ৰঞ্জন বৰুৱা, কাকণাথৰৰ ডিবাকিত্ব পন্নাথ গোহাঁইঞৰবৰুৱা চৰকাৰী আদর্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ঠানুৰাম মজিন্দাৰ, জোড় নাগৰিক অর্জুন বৰুৱাকে প্ৰমুখে কবি বিভিন্ন শিক্ষাবিদ, গৱেষক আৰু অধ্যাপকসকলৰ উপস্থিতি আৰু মনিককনো গোহাঁয়ে। অনুষ্ঠানটিৰ আঁত ধৰে অসমীয়া বিভাগৰ অধ্যাপক ড° নিশম কলিতাই। অনুষ্ঠানত অতিথিসকলক সম্বৰ্ধনা জনোৱা হয়। প্ৰথম আলোচনা সত্ৰত সভাপতিত্ব কৰে ড° আত্মাৰাম কুমাৰে, য’ত বিভিন্ন গৱেষকে নিজৰ গৱেষণামূলক পত্ৰ উপস্থাপন কৰে। আঁত ধৰে ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপিকা ড° পৰিস্মিতা ভাগৱতীয়ে। প্ৰতিবেদন প্ৰস্তুত কৰে সমাজ তত্ত্ব বিভাগৰ ড° গীতামণি হাজৰিকাই আৰু কবিকৰী দিশমুহূ চোৰা-চিতা কৰে ড° আখতাৰ হুছেইনে।

বিজনীত আছুৰ চিৰাং জিলাৰ দ্বিতীয় বার্ষিক বিজনী অধিৱেশন

অসমবার্তা, বিজনী, ২৩ আগষ্ট ঃ চিৰাং জিলাৰ বিজনীৰ ছোৱালী হাই স্কুলৰ খেলপথাৰত ২৩ আৰু ২৪ আগষ্ট দু-দিনীয়া কার্যসূচীৰে বিজনী আঞ্চলিক ছাত্ৰ সম্থা উদ্যোগত আৰু বিজনীবাসীৰী ৰাইজৰ সহযোগত অনুষ্ঠিত হৈ সদৌ চিৰাং জিলা ছাত্ৰ সম্থাৰ দ্বিতীয় বার্ষিক বিজনী অধিৱেশন। শনিবাৰে প্ৰথম দিনৰ কার্যসূচীমেৰে সদৌ অসম ছাত্ৰ সম্থাৰ পতাকা উত্তোলন কৰে সদৌ অসম ছাত্ৰ সম্থাৰ সাংগঠনিক সম্পাদক সুদীপ চন্দই। দ্বিতীয় কার্যসূচী শহীদ তর্পণ কৰে সদৌ চিৰাং জিলা ছাত্ৰ সম্থাৰ মুখ্য আয়ুয়ক গণেশ বায়ে। তাৰ পিছৰ কার্যসূচীত চাৰি গৰাকী শহীদৰ পৰিয়ালক সম্বর্ধনা জনোৱাৰ লগতে আছুৰ বিভিন্ন কার্যসূচীত অৰিহণা আগবঢ়াই অহা প্ৰাক্তন আছু কর্মী আৰু বিজনী অঞ্চলৰ বিভিন্ন দিশত অৱদান আগবঢ়োৱা বিশিষ্ট ব্যক্তিক সম্বর্ধনা জনোৱা হয়। ইফালে দেওবাৰে দ্বিতীয় দিনৰ কার্যসূচীৰ মুকলি সভাত সদৌ অসম ছাত্ৰ সম্থাৰ মুখ্য উপদেষ্টা ড° সুজল্প কুমাৰ ভট্টাচার্য অশপ্তহৰ কবি স্মৃতিগ্ৰন্থ উন্মোচন কৰাৰ লগতে মুকলি সভাত অশপ্তহৰ কবিৰ সদৌ অসম ছাত্ৰ সম্থাৰ সভাপতি উৎপল শর্মা, সাধাৰণ সম্পাদক সমিৰণ ফুকন অশপ্তহৰ কবিৰ মুকলি সভাত, সন্ধিয়াত সাংস্কৃতিক সন্ধিয়াত ৩টি পৰিবেশন কৰিব অসম ৰত্নৰ জনপ্ৰিয় কণ্ঠশিল্পী দীপাম্বিতা ডেকা আৰু তৰুণ তন্ময়।

ৰূপাইত ‘পাপৰি কবি’ গণেশ গগৈৰ ৮৮ সংখ্যক মৃত্যু তিথি উপলক্ষে স্মৃতিচাৰণ সভা আৰু কর্মশালা

ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৩ আগষ্ট ঃ ৰূপাই (শতদল) শাখা সাহিত্য সভাৰ উদ্যোগত আৰু ৰামধেনু যুগৰ গল্পৰ মীনা দেৰী বৰুৱাই। তেখেতে উদ্বোধনী ভাষণত চুটি গল্পৰ বিবর্তন, আধাহন আৰু ৰামধেনু যুগৰ গল্পৰ

মাজত থকা পার্থক্য দাঙি ধৰি সুন্দৰ ব্যাখ্যা আগবঢ়ায়। ড° বৰুৱাই গণেশ গগৈলে শ্ৰদ্ধা নিবেদন কৰি বকুল বনৰ কবি আনন্দ চন্দ্ৰ বৰুৱাৰ তাগিদাত পৰি কবি গণেশ গগৈৰ কলমত অসমীয়া কাব্য সাহিত্যৰ এক অমূল্য সম্পদ “পাপৰি”ৰ সৃষ্টিৰ কথাও উল্লেখ কৰে। কর্মশালাৰ প্ৰথমাৰ্দ্ধত শাখাৰ সভাপতি বেণু বৰাই আৰু দ্বিতীয়ার্দ্ধত নীৰব দহোটীয়াই ছাত্ৰ-ছাত্ৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰে। শাখাৰ সভাপতি তথা ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ তথা অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক বেণু বৰাই চুটি গল্পৰ বৈশিষ্ট্য, বিবর্তন, গুণ আৰু গল্পকাৰ যোগেশ দাস, সৌৰভ কুমাৰ চলিহা, নিবোদ কুমাৰ চৌধুৰী, যদু বৰপূজাৰীৰ গল্পৰ উদ্ধৃতিৰে সাৱলীল আৰু মনমোহী বক্তব্য প্ৰদান কৰে। কৰবিওৰি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অসমীয়া বিভাগৰ বিষয় শিক্ষক নীৰব দহোটীয়াই লক্ষ্মীনাথ বেজ বৰুৱাৰ ৰচিত গল্প পুথি সুৰভি, জোনবিৰি, সাধু কথাৰ কুঁকি আৰু কেহৌকলিৰ বর্ণনাকে চুটি গল্পৰ ক্ৰমবিকাশ আৰু ক্ৰমবিবর্তনৰ ব্যাখ্যা কৰে। কর্মশালাখনিত ডুমডুমা মহাবিদ্যালয়, ডুমডুমা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, কৰবিওৰি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ৪৭ গৰাকী শিক্ষার্থীয়ে অংশগ্ৰহণ কৰে। কর্মশালাখনিত ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ বীণা দেবী বৰদলৈ, প্ৰধীতা সন্দিকৈ, ৰঞ্জনা বৰগোহাঁই, মালা বৰুৱা কাকতি, বামধেনু উপ-সমিতিৰ কার্যকৰী সভাপতি স্বর্ণলতা শইকীয়া, আহ্বায়ক কবিতা শইকীয়া দাস, সদস্য নিবেদিতা শ্যাম, সংগীতা বৰুৱা ডেকা, কমটি বেজবৰুৱা বৰদলৈ, ৰিঞ্জুপ্ৰভা গগৈ সন্দিকৈ, মৃণালী বড়া মৰাণ, তৰুণ বৰঠাকুৰ, মুকুন্দ বৰা, ৰাজু বৰুৱা, সঞ্জীৱ কুমাৰ শর্মা, পদ্মন মহানদ্ৰ, মুদু পৰন বড়ু, অভিজিৎ মৰাণৰ চুটি গল্পৰ ক্ৰমবিকাশ আৰু ক্ৰমবিবর্তনৰ ব্যাখ্যা কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা বীৰ বাঘৰ মৰাণ চৰকাৰী আদর্শ মহাবিদ্যালয় দিপাংকৰ মৰাণ, বিভূৰাজ মৰাণ আৰু ডুমডুমা মহাবিদ্যালয়ৰ সম্ভাৱ মৰাণ, গীতাগুলি মৰাণ, স্বপ্নালী দাধৰা, তনয়া সোণোৱাল, জোনমণি বৰকাকতি, বিৰেক বৰুৱাই সমল ব্যক্তিৰ সৈতে ভাৰ বিনিময় কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। শলাগৰ শৰাই আগবঢ়ায় শাখাৰ সম্পাদক বাতুল গগৈয়ে।

ডুমডুমা মহাবিদ্যালয়ত ‘ৰাষ্ট্ৰীয় মহাকাশ দিৱস’ উদ্‌যাপন

ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৩ আগষ্ট ঃ আজি ডুমডুমা মহাবিদ্যালয়ত “ৰাষ্ট্ৰীয় মহাকাশ দিৱস” উদযাপন কৰা হয়। ডুমডুমা মহাবিদ্যালয়ৰ উদ্যোগত তথা আভ্যন্তৰীন মান নিশ্চিত কৰণ কোষ আৰু অসম বিজ্ঞান সমিতি, কণাই চাইডিং শাখাৰ সহযোগত মহাবিদ্যালয় সভাকক্ষত আয়োজিত অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ পদার্থ বিজ্ঞান বিভাগৰ বিভাগীয় প্ৰধান তথা অসম বিজ্ঞান সমিতি, ৰূপাই চাইডিং শাখাৰ সম্পাদক ৰাতুল গগৈয়ে। ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতাই বাষ্ট্ৰীয় মহাকাশ দিৱসৰ তাৎপর্য, ইছৰ’, ‘নাছা’ৰ বিষয়ে বর্ণনা কৰি এক সাৱলীল বক্তব্য প্ৰদান কৰে। অধ্যক্ষ ড° কলিতাই লগতে ডেবাডুনস্থিত ISR লগত জড়িত হোৱাৰ কথাও ব্যক্ত কৰে। অনুষ্ঠানটোত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ মহাকাশ বিজ্ঞানৰ প্ৰতি আগ্ৰহ বৃদ্ধিৰ বাবে এটি টোকা প্ৰস্তুত কৰি বিভাগত জমা দিবলৈ কোৱাৰ লগতে শ্ৰেষ্ঠ টোকা প্ৰস্তুত কৰিব পৰাসকলক পুৰস্কৃত কৰা হ’ব বুলি ঘোষণা কৰে। মহাবিদ্যালয়ৰ আভ্যন্তৰীন মান নিশ্চিত কৰণ কোষৰ সমন্বয়ক দীপক ৰঞ্জন বৰুৱাই নিজৰ বক্তব্যত বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীসকলে অনুষ্ঠানটোৰ পৰা যথেষ্ট উপকৃত হ’ব পাৰিব বুলি উল্লেখ কৰে। সমল বাক্তি হিচাপে আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ তিনিচুকীয়া জিলাৰ সমন্বয়ক দিগন্ত কুমাৰ ভাজনীয়ে বর্তমান ভাৰতৰ মহাকাশ বিজ্ঞানৰ গৱেষণা, উদ্ভাৱন আৰু কৃত্রিম উপগ্ৰহ প্ৰযুক্তিৰ বিকাশ আদিকে কৰি অন্যান্য দিশৰ ওপৰত আলোকপাত কৰি শ্লাইড প্ৰদর্শনৰ সহায়ত এক মননশীল আৰু তথ্যভিত্তিক বক্তৃতা প্ৰদান কৰে। শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা অনুষ্ঠানটোত মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ বিভাগীয় প্ৰধান গীতিৰেখা দত্ত মহন্ত, বসায়ন বিভাগৰ বিভাগীয় প্ৰধান বাকেশ শুক্লা, কেহ’ৰ্কে চান পাৰবিন, কম্পিউটাৰ বিজ্ঞানৰ ৰাজৰ্ষী ভট্টাচার্য, জামিন ছুইহুঁ, শতাব্দী দত্তকে প্ৰমুখ কবি বন্ধুকেইগৰাকী অধ্যাপক- অধ্যাপিকা উপস্থিত থাকে। প্ৰৰীণ নেৰাবে আঁত ধৰা অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় ড° দীপিকা বাজপুতে।

মাকুমৰ টিংৰাই বঙালী গাঁৱত তিনিটা বৃহৎ চুলাই-মদৰ ঘাটি উৎখাত

অসম বার্তা, মাকুম, ২৩ আগষ্ট ঃ আজি সন্ধ্যা মাকুম থানাৰ আৱক্ষীয়ে সদৌ অসম আদিবাসী ছাত্ৰ সম্থা মাকুম আঞ্চলিক সমিতিৰ সহযোগিতাত মাকুম টিংৰাই বঙালী গাঁৱত উৎখাত কৰিবলৈ সক্ষম হয় ২২টা ড্রামত চুলাই-মদ তৈয়াৰ কৰিবলৈ পানীত ঘুলি ধোৱা প্ৰায় ৩২,০০ লিটাৰ গুৰ। উক্ত চুলাই-মদৰ ঘাটি কেইটাৰ স্বত্বাধিকাৰী কেইজনৰ নাম ক্ৰমে ভস্কা গড়ু, নন্দু মাঝি আৰু চানু সোণোৱাল বুলি জানিবলৈ পৰা গৈছে। অভিযান কালত কোনো লোকক আটক কৰিবলৈ সক্ষম নহ’ল যদিও চুলাই-মদ তৈয়াৰ কৰিবলৈ ঘুলি ধোৱা গুৰবিলি নষ্ট কৰাৰ লগতে ড্রাম সমূহ কাটি পেলোৱা হয়। জানিবলৈ পৰা অনুসৰি বহুদ বছৰ ধৰি এই প্ৰকাণ্ড প্ৰকাণ্ড চুলাই মদৰ ঘাটি সমূহ স্থাপন কৰি বৃহত্তৰ মাকুম অঞ্চললৈ বণ্ডানি কৰি এখন বিশাল চুলাই-মদৰ বজাৰ চলাই আছিল। যাৰ ফলত একাংশ লোকে এই চুলাই মদ সেৱন কৰি পৰিবেশ বিনষ্ট কৰি অহাৰ অভিযোগ উত্থাপন হৈ আহিছিল লগতে উঠি অহা নব প্ৰজন্মই এই চুলাই মদৰ প্ৰতি আসক্ত হোৱাৰ আশংকা কৰা হৈছিল। আজি চুলাই-মদৰ ঘাটি সমূহ উৎসাত কৰাৰ ফলত সমগ্ৰ অঞ্চলটোত চুলাই মদৰ প্ৰচলন হ্ৰাস পাব বুলি সদৌ অসম আদিবাসী ছাত্ৰ সম্থা মাকুম আঞ্চলিক সমিতিৰ সভাপতি অনিল মেহেৰাই সংবাদ মাধ্যমৰ জৰিয়তে মত প্ৰকাশ কৰে।

কাপলাবড়ী পাৰঘাটত আৰক্ষীয়ে চলোৱা অভিযানত বিভিন্ন প্ৰান্তৰ পৰা আটক কৰে লোককেইজনক

বৰক্ষেত্ৰীৰ দৌলাশাল ৯ জনকৈ চাইবাৰ অপৰাধীক আটক

অসম বার্তা, বৰক্ষেত্ৰী, ২৩ আগষ্ট ঃ নলবাৰী জি